www.asombarta.in

শুদ্ধ আৰু আপোচহীন বাৰ্তাৰ প্ৰতীক

# অসম বাৰ্তা

PRGI REGD. NO. : ASASS/25/A2361

❐ষষ্ঠ বছৰ ❐সংখ্যা - ২১৬ ❐বুধবাৰ ❐২২ অক্টোবৰ, ২০২৫ চন ❐৪ কাতি, ১৯৪৭ শক ❐VOL - 6 ❐NO.- 216 ❐Wednesday ❐22nd October, 2025 ❐মূল্য ঃ ১০.০০ টকা ❐মুঠ পৃষ্ঠা ঃ ৮

অনলাইনত কাকতখন পঢ়িবলৈ স্কেন কৰক

জীয়াই থকাৰ বাবে পৃথিৱীখন অতি ভয়াবহ ঠাই। এয়া অসত মানুহৰ বাবে হোৱা নাই, হৈছে নিবনুবা সকলৰ বাবেহে। - আইনষ্টাইন

ব্যক্তিগত, চৰকাৰী-বেচৰকাৰী অনুষ্ঠান-প্ৰতিষ্ঠান আদিয়ে অতি কম খৰচত বিভিন্ন ধৰণৰ বিজ্ঞাপন 'অসম বাৰ্তা' কাকতৰ জৰিয়তে প্ৰচাৰ কৰিবলৈ ৭০৯৯৪৩৫৪৬২ নম্বৰত যোগাযোগ কৰক। - 'অসম বাৰ্তা' গোষ্ঠী -



৮ নৱেম্বৰত কেন্দ্ৰীয় বিত্তমন্ত্ৰী নিৰ্মলা সীতাৰমনে স্থাপন কৰিব আধাৰশিলা

### গহপুৰত কনকলতা বৰুৱাৰ নামত অত্যাধুনিক ৰাজ্যিক বিশ্ববিদ্যালয়

**ষ্টাফ ৰিপৰ্টাৰ, অসম বাৰ্তা, ২১ অক্টোবৰ ঃ** ভাৰতৰ স্বাধীনতা সংগ্ৰামৰ বীৰাংগনা কনকলতা বৰুৱাৰ নামত গহপুৰৰ ভোলাগুৰি চাহ বাগিচাত স্থাপিত হ'ব এক অত্যাধুনিক ৰাজ্যিক বিশ্ববিদ্যালয়। ▸▸৬ পৃষ্ঠাত

চুক্তিৰ পিছত সপোনৰ খেতিদৰালৈ কৃষক

### অসম-মেঘালয় সীমান্তত শান্তি পুনৰুদ্ধাৰ; চুক্তি স্বাক্ষৰ

**নিউজ ডেস্ক, অসম বাৰ্তা, ২১ অক্টোবৰ ঃ** অসম আৰু মেঘালয়ৰ মাজত কেইবা সপ্তাহ ধৰি চলি থকা সীমান্ত উত্তেজনা অৱশেষত শান্তি চুক্তিৰ স্বাক্ষৰৰ জৰিয়তে হ্ৰাস পাইছে। এই চুক্তিৰ ফলত অসমৰ তাহপাট গাঁও ▸▸৬ পৃষ্ঠাত

❐ স্থায়ী শান্তি আৰু নিৰাপত্তা নিশ্চিত কৰাৰ বাবে ভৱিষ্যতে আলোচনা অব্যাহত ৰখাৰ প্ৰতিশ্ৰুতি ❐

দীপাৱলীৰ পিছতেই বিষাক্ত ধোঁৱাই আৱৰি ধৰিছে দিল্লীৰ আকাশ

# 'গেছ চেম্বাৰ'লৈ পৰিণত ৰাজধানী দিল্লী

❐ বায়ুৰ গুণাগুণ সূচকাংক 'ভয়ংকৰ' পৰ্যায়লৈ গতি; সমগ্ৰ দিল্লীত ৰেড এলাৰ্ট জাৰি ❐



**নেশ্যনেল ডেস্ক, অসম বাৰ্তা, ২১ অক্টোবৰ ঃ** দীপাৱলীৰ উৎসৱৰ পিছত সোমবাৰে পুৰা ৰাজধানী দিল্লী ঘন ধোঁৱা আৰু বিষাক্ত বায়ুৰ কুণ্ডলীত আৱৰি পৰিছে। বায়ুৰ গুণাগুণ সূচকাংক (AQI) 'অতি বেয়া'ৰ পৰা 'ভয়ংকৰ' পৰ্যায়লৈ গতি কৰিছে, যাৰ ফলত সমগ্ৰ দিল্লীত ৰেড এলাৰ্ট জাৰি কৰা হৈছে। প্ৰদূষণ নিয়ন্ত্ৰণৰ বাবে উচ্চতম ন্যায়ালয়ৰ কঠোৰ নিৰ্দেশ আৰু সময়সীমা সত্ত্বেও সকলো প্ৰচেষ্টা যেন ব্যৰ্থ হৈছে। দীপাৱলীৰ পিছদিনা অৰ্থাৎ মঙলবাৰৰ পৰা বতৰ পৰিৱৰ্তনৰ ▸▸৬ পৃষ্ঠাত

### সীমান্তত পুনৰ ৮জন অবৈধ অনুপ্ৰৱেশকাৰীক গ্ৰেপ্তাৰ

**ষ্টাফ ৰিপৰ্টাৰ, অসম বাৰ্তা, ২১ অক্টোবৰ ঃ** অসম আৰক্ষীৰ তৎপৰতাত সীমান্তত পুনৰ ৮জন অবৈধ অনুপ্ৰৱেশকাৰীক ওভতাই পঠিওৱা হৈছে। ৰাজ্যৰ মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই এই তথ্য প্ৰকাশ কৰি জানিবলৈ দিছে যে, অসমৰ সীমান্তৰে অবৈধ- ▸▸৬ পৃষ্ঠাত

### বাক্সাৰ নিকাছি কাণ্ডৰে জড়িত ইউপিপিএল নেতাক গ্ৰেপ্তাৰ

**অসম বাৰ্তা, বাক্সা, ২১ অক্টোবৰ ঃ** বাক্সাৰ নিকাছি কাণ্ডৰে জড়িত এজনক আটক কৰিবলৈ সক্ষম হয় বাক্সা আৰক্ষী। ▸▸৬ পৃষ্ঠাত

ছিংগাপুৰত অসম আৰক্ষীৰ দলৰ ছিংগাপুৰ আৰক্ষীৰে বৈঠক সম্পন্ন



### তিনি মাহৰ ভিতৰত জুবিন গাৰ্গৰ মৃত্যুৰ প্ৰতিবেদন দাখিল কৰিব ছিংগাপুৰ আৰক্ষীয়ে

**ষ্টাফ ৰিপৰ্টাৰ, গুৱাহাটী, ২১ অক্টোবৰ ঃ** শিল্পী জুবিন গাৰ্গৰ ৰহস্যজনক মৃত্যুৰ তদন্তৰ অংশ হিচাপে অসম আৰক্ষীৰ দুজনীয়া দল ছিংগাপুৰত উপস্থিত হৈ ছিংগাপুৰ আৰক্ষীৰ সৈতে এক গুৰুত্বপূৰ্ণ বৈঠক সম্পন্ন কৰিছে। এই তদন্তৰ মুৰব্বী এছআইটিৰ (বিশেষ ▸▸৬ পৃষ্ঠাত

জুবিনৰ মৃত্যুৰ পিছত গছ কটাৰ অপপ্ৰচাৰৰ অভিযোগ মুখ্যমন্ত্ৰীৰ

### এজোপা গছো কটা হোৱা নাই, গছবোৰ সুৰক্ষিত আৰু জীয়াই আছে!

❐ বিজেপিৰ প্ৰতিগৰাকী সদস্যই ঘৰত নাহৰৰ পুলি ৰোপণ কৰিব, যাতে জুবিনৰ স্মৃতি আমাৰ মাজত চিৰজীৱী হৈ থাকে। আমি তেওঁৰ পৰা শিক্ষা লৈ ইতিবাচকভাৱে আগবাঢ়িম। ❐

**নিউজ ডেস্ক, অসম বাৰ্তা, ২১ অক্টোবৰ ঃ** মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই জুবিন গাৰ্গৰ মৃত্যুৰ পাছত উত্তপ্ত পৰিস্থিতিৰ মাজত বাক্সাত উপস্থিত হৈ জনতাৰ মাজত গুৰুত্বপূৰ্ণ বাৰ্তা ▸▸৬ পৃষ্ঠাত



### জুবিন গাৰ্গৰ প্ৰতিমূৰ্তি বিতৰ্কক লৈ যজ্ঞজ্যোতি বৰাৰ স্পষ্টীকৰণ

**নিউজ ডেস্ক, অসম বাৰ্তা, ২১ অক্টোবৰ ঃ** অসমৰ প্ৰিয় শিল্পী জুবিন গাৰ্গৰ পূৰ্ণাংগ প্ৰতিমূৰ্তি নিৰ্মাণক লৈ সামাজিক মাধ্যমত ▸▸৬ পৃষ্ঠাত

### জনজাতিকৰণৰ দাবীত ২৫ অক্টোবৰত দিছপুৰ কপাব কলিতা জনগোষ্ঠী সন্মিলন, অসমে

**অসম বাৰ্তা, পাথৰিঘাট, ২১ অক্টোবৰ ঃ** অসমৰ প্ৰাচীনতম আৰু বৃহত্তম কলিতা জনগোষ্ঠীয়ে সত্তৰ লাখ কলিতাৰ আত্ম পৰিচয় ৰক্ষাৰ্থে কলিতা সকলক সংবিধানৰ ৩৪২ নং অনুচ্ছেদ অনুযায়ী জনজাতি কৰণ কৰা আৰু সংবিধানৰ ষষ্ঠ অনুসূচীত অন্তৰ্ভুক্তৰ কৰাৰ বাবে কেন্দ্ৰীয় ▸▸৬ পৃষ্ঠাত



যদি পদত্যাগে আন্দোলন বন্ধ কৰে, তেন্তে শীঘ্ৰে পদত্যাগ কৰকঃ অখিল গগৈ

মই পদত্যাগ কৰিলে ৰাজ্যৰ ৫০% আন্দোলন শেষ হ'ব, গৌৰৱ গগৈক মুখ্যমন্ত্ৰী পাতিলে বাকী ৫০% আন্দোলনো বন্ধ হ'ব ঃ মুখ্যমন্ত্ৰী

### জুবিন গাৰ্গৰ ন্যায়ৰ আন্দোলন 'ৰাজনৈতিক'!

**ষ্টাফ ৰিপৰ্টাৰ, গুৱাহাটী, ২১ অক্টোবৰ ঃ** জুবিন গাৰ্গৰ মৃত্যুৰ ন্যায় বিচাৰি চলা '#JusticeForZubeenGarg' আন্দোলনক মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই 'ৰাজনৈতিক' বুলি সমালোচনা কৰি ▸▸৬ পৃষ্ঠাত

কংগ্ৰেছৰ শাসনকালত বহুজাতিক কোম্পানীক ৯৯ বছৰৰ বাবে পানীৰ দামত মাটি লীজত দি চাহ শ্ৰমিকসকলক ভূমিহীন কৰি ৰখা হৈছিল

### চাহ শ্ৰমিকৰ হাতত মাটিৰ অধিকাৰ; বিজেপি চৰকাৰৰ ঐতিহাসিক পদক্ষেপ



**ষ্টাফ ৰিপৰ্টাৰ, গুৱাহাটী, ২১ অক্টোবৰ ঃ** অসমৰ বিজেপি নেতৃত্বাধীন চৰকাৰে বহুজাতিক চাহ কোম্পানীৰ দখলত থকা হাজাৰ হাজাৰ বিঘা মাটিৰ মালিকীস্বত্ব চাহ শ্ৰমিকৰ হাতত তুলি দিয়াৰ ঐতিহাসিক সিদ্ধান্ত গ্ৰহণ কৰিছে। এই পদক্ষেপে ▸▸৬ পৃষ্ঠাত

পূৰ্বৰ তুলনাত দৰ্শকৰ ভিৰ নাই ভ্ৰাম্যমাণৰ পেণ্ডেলত

### ভ্ৰাম্যমাণতো প্ৰভাৱ প্ৰাণৰ শিল্পী জুবিন গাৰ্গ ৰহস্যজনক মৃত্যুৰ

পিছুৱাই দিয়া হৈছে মুক্তি পাবলগীয়া কেইবাখনো অসমীয়া ছবিৰ মুক্তিৰ দিন

**ষ্টাফ ৰিপৰ্টাৰ, গুৱাহাটী, ২১ অক্টোবৰ ঃ** প্ৰাণৰ শিল্পী জুবিন গাৰ্গ হেৰাই যোৱা এমাহ সম্পূৰ্ণ হৈ গ'ল। জুবিন গাৰ্গ যে নাই সেই যে এতিয়াও মানি ল'ব বিচৰা নাই ▸▸৬ পৃষ্ঠাত



এচিচিৰ সভাপতিৰ প্ৰতি আনুষ্ঠানিক ইমেইল

### এছিয়া কাপৰ ট্ৰফী ভাৰতক প্ৰদানৰ আহ্বান



**নেশ্যনেল ডেস্ক, অসম বাৰ্তা, ২১ অক্টোবৰ ঃ** ভাৰতীয় ক্ৰিকেট নিয়ন্ত্ৰণ ব'ৰ্ডে (বিচিচিআই) এছিয়ান ক্ৰিকেট কাউন্সিলৰ (এচিচি) সভাপতি মহছিন নাকভিক প্ৰতি এক আনুষ্ঠানিক ইমেইল পঠাই ▸▸৬ পৃষ্ঠাত



### কাইলৈ পুনৰ পৰ্যটকৰ বাবে মুকলি কৰা হ'ব পবিতৰা অভয়াৰণ্য


**অসম বাৰ্তা, মৰিগাঁও, ২১ অক্টোবৰ ঃ** মৰিগাঁও জিলাৰ পবিতৰা অভয়াৰণ্য কাইলৈ পুনৰ পৰ্যটকৰ বাবে মুকলি কৰা হ'ব। বাৰিষাৰ বাবে বন্ধ ▸▸৬ পৃষ্ঠাত

উদ্‌যাপন সমিতিত বিতৰ্কিত অধিবক্তাক ৰখাক লৈ সমালোচনা




### ১০৬ বছৰৰ মূৰত তিনিচুকীয়া পৌৰসভাৰ শতবৰ্ষ উদ্‌যাপনৰ প্ৰস্তুতি

**অসম বাৰ্তা বিশেষ, পেঙেৰী, ২১ অক্টোবৰ ঃ** তিনিচুকীয়া পৌৰসভাৰ শতবৰ্ষ উদযাপনৰ সমিতি গঠনক লৈ বিতৰ্কৰ সূত্ৰপাত হৈছে। উল্লেখ্য যে, ১৯১৯ চনত গঠিত তিনিচুকীয়া পৌৰসভাৰ বয়সে আজিৰ তাৰিখত ১০৬ বছৰ অতিক্ৰম কৰিলে। ▸▸৬ পৃষ্ঠাত



### গছপুলি ৰোপণ-সংৰক্ষণ; সন্ধিয়া বন্তি প্ৰজ্বলন

# জৰেগাঁও-বাসুগাঁৱত কাতি বিহু পালন

## জৰেগাঁৱত ফুটবল খেল প্ৰতিযোগিতা

**অসম বাৰ্তা, বাসুগাঁও, ১৮ অক্টোবৰ ঃ** অন্যান্য ঠাইৰ লগতে জৰেগাঁও আৰু বাসুগাঁৱত কাতি বিহুটি পালন কৰা হয়। কোকৰাঝাৰ জিলাৰ জৰেগাঁও কিৰণ সংঘৰ উদ্যোগত আৰু চিৰাং জিলাৰ বাসুগাঁও প্ৰেছ ক্লাবৰ উদ্যোগত দিবসটি পালন কৰা হয়। জৰেগাঁও কিৰণ সংঘৰ উদ্যোগত, বিহু-বিষুৱা সমিতিৰ সহযোগত ৰাতিপুৱা সংঘৰ পতাকা উত্তোলন, বিহুৰ পতাকা উত্তোলন আৰু বিযুৱাৰ পতাকা উত্তোলন কৰা হয়। সংঘৰ পতাকা উত্তোলন কৰে গাঁৱৰ বয়োজেষ্ঠ বিশিষ্ট ব্যক্তি সিদ্ধেশ্বৰ ৰায়, বিহুৰ পতাকা উত্তোলন কৰে কালীপুখুৰী ভি চি ডি চিৰ প্ৰাক্তন সভানেত্ৰী, সমাজকৰ্মী কৌশল্যা ৰায় আৰু বিযুৱাৰ পতাকা উত্তোলন কৰে বিহু-বিযুৱা সমিতিৰ সভাপতি শিমল চন্দ্ৰ ৰায়। ইয়াৰ প্ৰাকমূৰ্তত বন্তি প্ৰজ্বলন কৰি কাৰ্যসূচীৰ শুভাৰম্ভ কৰে গাঁৱৰ গাঁওবুঢ়া ৰূপনাথ ৰায়। গাঁওখনত অতীজৰে পৰাই অসমৰ বাপুতি সাহোন জাতীয় উৎসৱ তিনিটা বিহু বিভিন্ন কাৰ্যসূচীৰে পালন কৰি অহাৰ কথা ব্যক্ত কৰি এনে পৰম্পৰা অনাদি অনন্ত কাললৈ অব্যাহত ৰাখিবলৈ তেওঁ আহ্বান জনায়। পৰম্পৰা আৰু কৃষ্টিয়ে এটি জাতিৰ পৰিচয় দাঙি ধৰে বুলি উল্লেখ কৰি বক্তব্য দাঙি ধৰে সিদ্ধেশ্বৰ ৰায়ে। অনুষ্ঠানটিৰ আঁতধৰে জৰেগাঁও কিৰণ সংঘৰ সভাপতি ভৃগু মুনি ৰায়ে। উল্লেখযোগ্য যে গাঁওখনৰ চাৰিটা চুবুৰীৰ পৰা চাৰিটা দলৰ উপৰি সংঘৰ পৰা এটা মুঠ পাঁচটা দলে খেলত যোগদান কৰে। ইয়াৰে গাঁওখনৰ কেশগাঁও চুবুৰী আৰু ভাতিপাৰা (শিৱ পূজা সমিতি)ৰ মাজত ফাইনেল খেলখন অনুষ্ঠিত হয়। ফাইনেলত ভাতিপাৰা দল ১-০ গলত জয়ী হ'বলৈ সক্ষম হয়। ফাইনেল খেলখন পৰিচালনা কৰে ৰঞ্জন ৰায়। তেওঁক লাইনত সহায় কৰে সৌৰভ ৰায় আৰু প্ৰসাদ ৰায়। উল্লেখযোগ্য যে কাতি বিহুৰ লগত সংগতি ৰাখি গাঁৱৰ পথৰ কাষত ৰোপণ কৰা বিভিন্ন প্ৰজাতিৰ গছ-গছনিৰ পুলি সমূহৰ খাছা-জেওৰা মেৰামতি, বন-বাত সমূহ আঁতৰাই ছাফ-চিকুন কৰা হয়। ইফালে সন্ধিয়া বাসুগাঁও প্ৰেছ ক্লাবত বন্তি প্ৰজ্বলনেৰে কাতি বিহুটি পালন কৰা হয়। প্ৰতিদিন টাইমৰ সংবাদ দাতা জয়ন্ত দেৱনাথে বন্তি প্ৰজ্বলন কৰি কাতি বিহু পালনৰ বৈজ্ঞানিক কাৰণ আৰু সনাতনী হিন্দু ধৰ্মীয় দিশৰ ওপৰত বক্তব্য দাঙি ধৰে। অনুষ্ঠানটিৰ আঁতধৰে বাসুগাঁও প্ৰেছ ক্লাবৰ সভাপতি ভৃগু মুনি ৰায়ে।

# চামগুৰি সমষ্টি ভিত্তিত বৰমাত মেগা স্বাস্থ্য শিবিৰ শুভাৰম্ভ চামগুৰি সমষ্টিৰ বিধায়ক দিপ্লুৰঞ্জন শৰ্মাৰ

**অসম বাৰ্তা, পুৰণিগুদাম, ১৮ অক্টোবৰ ঃ** ৰাজ্যৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ অভিলাষী আঁচনিৰ অধীনত যোৱা ১৬ অক্টোবৰত চামগুৰি সমষ্টিৰ অন্তৰ্গত বৰমা বজাৰস্থিত আলহাজ নুৰুল হুছেইন হাইস্কুলত বিধানসভা সমষ্টি ভিত্তিক মেগা স্বাস্থ্য শিবিৰ অনুষ্ঠিত হয়। ৰাজ্য চৰকাৰৰ অভিলাষী আঁচনি শুশ্ৰূষা সেৱা সেতুৰ অধীনত নগাঁও জিলা স্বাস্থ্য সমিতিৰ উদ্যোগত আৰু চামগুৰি প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰৰ সহযোগত আৰু চামগুৰি সমষ্টিৰ বিধায়ক দিপ্লুৰঞ্জন শৰ্মাৰ নেতৃত্বত চামগুৰি বিধান সভা সমষ্টিৰ বাজিয়াগাঁও গাঁও পঞ্চায়তৰ অন্তৰ্গত বৰমা বজাৰস্থিত আলহাজ নুৰুল হুছেইন হাইস্কুলত পুৱাৰ পৰা মেগা স্বাস্থ্য শিবিৰ অনুষ্ঠিত হয়। মেগা স্বাস্থ্য শিবিৰটোৰ শুভাৰম্ভ কৰে চামগুৰি সমষ্টিৰ বিধায়ক দিপ্লুৰঞ্জন শৰ্মাই। বিধায়ক দিপ্লুৰঞ্জন শৰ্মাই মেগা স্বাস্থ্য শিবিৰটো শুভাৰম্ভ কৰি ভাষণ প্ৰসংগত কয় যে, ৰাজ্যৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই সদায় দুখীয়া মানুহ বাবে কাম কৰি আহিছে। অসমৰ জনগণক উন্নয়নৰ জৰিয়তে কেনেকৈ আগবঢ়াই নিব তাক চিন্তা চৰ্চা কৰি আহিছে। জনসাধাৰণৰ উন্নয়নৰ কাৰণে বিভিন্ন অভিলাষী আঁচনি প্ৰস্তুত কৰি ৰাইজৰ হকে কাম কৰি আহিছে বুলি ভাষণ প্ৰসংগত উল্লেখ কৰে। উক্ত অনুষ্ঠিত হোৱা মেগা স্বাস্থ্য শিবিৰটোত চামগুৰি সমষ্টিৰ বিধায়ক গৰাকীৰ লগতে উপস্থিত থাকে চামগুৰি ৰাজহ চক্ৰৰ চক্ৰ বিষয়া ড° ময়ূৰপঙ্খী বৰা, কলিয়াবৰ জিলা বিজেপিৰ যুৱ মৰ্চাৰ সভাপতি লক্ষ্মীৰঞ্জন কাকতিসহ বিজেপি দলৰ বহুকেইজন নেতা-কৰ্মী আৰু নগাঁও জিলা স্বাস্থ্য বিষয়া আৰু কৰ্মচাৰীসকলৰ লগতে চামগুৰি প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰৰ বিষয়া কৰ্মচাৰীসকল। লগতে উক্ত মেগা স্বাস্থ্য শিবিৰটোত নগাঁও জিলা আয়ুক্ত দেৱাশিস শৰ্মা উপস্থিত থাকে। চামগুৰি সমষ্টিৰ বিধায়ক দিপ্লুৰঞ্জন শৰ্মাই শুভাৰম্ভ কৰা মেগা স্বাস্থ্য শিবিৰটোত বিভিন্ন ৰোগ নিৰ্ণয় কৰি চিকিৎসকসকলে চিকিৎসা প্ৰদান কৰে। মেগা স্বাস্থ্য শিবিৰটোত ৰোগী সকলক বিনামূলীয়াকৈ ঔষধ যোগান ধৰা হয় বুলি জানিব পৰা গৈছে। চামগুৰি বিধানসভা ভিত্তিত আয়োজিত স্বাস্থ্য শিবিৰটোত বহুকেইটা কাউণ্টাৰত কেইবা হাজাৰ ৰোগীক চিকিৎসা প্ৰদান কৰা হয় বুলি জানিব পৰা গৈছে।

# হিন্দী শিক্ষক ৰঘুনাথ শৰ্মাক বিদায় সম্বৰ্ধনা

**অসম বাৰ্তা, বাগানপাৰা, ১৮ অক্টোবৰ ঃ** বাক্সা জিলাৰ বাস্কা শিক্ষা খণ্ড, মুছলপুৰৰ অধীনস্থ পাগলাদিয়াপাৰ মাধ্যমিক বিদ্যালয়ৰ হিন্দী শিক্ষক ৰঘুনাথ শৰ্মাক ১৭ অক্টোবৰত বিদায় সম্বৰ্ধনা জনোৱা হয়। নবস্তি অঞ্চলৰ খৈৰাণী গাঁও নিবাসী, সমাজকৰ্মী, কৃতী হিন্দী শিক্ষক ৰঘুনাথ শৰ্মাই বিগত ১৯৯১ চনৰ ১৩ জানুৱাৰীত পাগলাদিয়াপাৰ মাধ্যমিক বিদ্যালয়ত হিন্দী শিক্ষক হিচাপে শিক্ষাদানত ব্ৰতী হৈ ২০২৫ চনৰ ৩০ ছেপ্টেম্বৰত চাকৰি জীৱনৰ পৰা অৱসৰ গ্ৰহণ কৰে। অৱসৰ গ্ৰহণ কৰাৰ পিছত কালি ১৭ অক্টোবৰত বিদ্যালয়ৰ ছাত্ৰ -ছাত্ৰী, অভিভাৱক -অভিভাৱিকা তথা বিদ্যালয় পৰিচালনা সমিতিয়ে হিন্দী শিক্ষক ৰঘুনাথ শৰ্মাক বিদায় সম্বৰ্ধনা জনোৱা হয়। বিদ্যালয় পৰিচালনা সমিতিৰ সভাপতি হৰিপ্ৰসাদ শৰ্মাৰ সভাপতিত্ব অনুষ্ঠিত বিদায় সম্বৰ্ধনা অনুষ্ঠানত খৈৰাণী হাইস্কুলৰ অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক নেত্ৰভূষণ খড়কাই উপস্থিত হৈ শিক্ষক গৰাকীৰ শিক্ষাদান জীৱন তথা কৰ্মজীৱনৰ আলোকপাত কৰে। সভাত হিন্দী শিক্ষক গৰাকীক ফুলাম গামোচা, শৰাই আৰু সম্বৰ্ধনা পত্ৰৰে বিপুলভাৱে সম্বৰ্ধনা জ্ঞাপন কৰে। সভাত ইন্দ্ৰানী মহিলা সমিতিৰ সভানেত্ৰী কমলা দাহাল, নবস্তি মজলীয়া বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক ভোগীৰথ ছেত্ৰী, বিদ্যালয়ৰ প্ৰাক্তন সভাপতি ভীম বাহাদুৰ দাহাল, গোপাল উপাধ্যায়, বিদ্যালয়ৰ প্ৰধান শিক্ষক নাৰায়ণ ওস্তী, শিক্ষক দুৰ্গাপ্ৰসাদ গৌতমকে ধৰি ছাত্ৰ -ছাত্ৰী, অভিভাৱক অভিভাৱিকা আৰু শুভাকাংক্ষী সকল উপস্থিতি থাকে।

# শিৱসাগৰ জিলা কৃষি বিভাগৰ উদ্যোগত কাতি বিহুৰ আয়োজন



**ষ্টাফ ৰিপ'ৰ্টাৰ, শিৱসাগৰ, ১৮ অক্টোবৰ ঃ** অসম চৰকাৰৰ নিৰ্দেশমৰ্মে শিৱসাগৰ জিলা কৃষি বিভাগৰ উদ্যোগত ৰাজহুৱাভাৱে স্থানীয় ৰাইজৰ সহযোগত বিস্তৃত কাৰ্যসূচীৰে হেঁপাহৰ কাতি বিহুটি কেন্দ্ৰীয়ভাৱে নিতাই পুখুৰী বাপুটিগড়ৰ লাওখোৱা নামঘৰ প্ৰাংগনত উদ্‌যাপন কৰা হয়। অনুষ্ঠানটিৰ প্ৰাকক্ষণত প্ৰয়াত জুবিন গাৰ্গৰ প্ৰতিচ্ছবিত বন্তি প্ৰজ্বলন কৰা হয়। এটি বৰগীতেৰে শুভাৰম্ভ হোৱা অনুষ্ঠানটিত আদৰণী ভাষণ প্ৰদান কৰে সভাপতিৰ পদ অলংকৃত কৰা জিলা কৃষি বিষয়া আচিফ বৰাই। অনুষ্ঠানটিত উপস্থিত থাকি সহকাৰী সঞ্চালক অমৃত শইকীয়াই বিভাগীয় আঁচনিসমূহৰ ওপৰত আলোকপাত কৰে আৰু ইয়াৰ সুবিধা গ্ৰহণ কৰি কৃষক সকলক আগুৱাই যাবলৈ আহ্বান জনায়। মহকুমা কৃষি বিষয়া গণেশ পছুচুঙী আৰু কৃষি বিজ্ঞান কেন্দ্ৰৰ বিষয় বিশেষজ্ঞা ড° শুভাশ্ৰী দিহিঙীয়াই কৃষক ৰাইজক উদ্দেশ্যে সজাগতামূলক বক্তব্য ৰাখে। অনুষ্ঠানটিত অঞ্চলটোৰ বিশিষ্ট ব্যক্তি ৰাজেন বৰুৱা, ড° দিগন্ত গগৈ আৰু উপেন চাংমাই উপস্থিত থাকে। মহকুমা কৃষি বিষয়া নিলাক্ষী শইকীয়া, সহকাৰী কৃষি পৰিদৰ্শক হৰেশ দাস, ভদ্ৰ গগৈ, কৃষি সম্প্ৰসাৰণ সহায়ক নিলোৎপল মহন্তৰ লগতে বিভাগৰ অন্যান্য বিষয়া কৰ্মচাৰী তথা শতাধিক স্থানীয় কৃষক ৰাইজ উপস্থিতিত কাতি বিহু তথা কৃষি সজাগতা অভিযান সফলতাৰে উদযাপন কৰা হয়। স্থানীয় আয়তীৰ দ্বাৰা দিহা নামেৰে পিছতে তুলসী বেদী তথা খেতি পথাৰত বন্তি প্ৰজ্বলন আৰু আকাশ বন্তি জ্বলাই দিনজোৰা কাৰ্যসূচীৰ সামৰণি পৰে।

# ১০০ ভাগ নামঘৰ ৪০ ভাগৰো অধিক মছজিদৰ ৰাইজে অনুষ্ঠিত কৰিছে জুবিন গাৰ্গৰ আদ্যশ্ৰাদ্ধ

**অসম বাৰ্তা, গেলেকী, ১৮ অক্টোবৰ ঃ** জাতি, বৰ্ণ ধৰ্মৰ লোকে সমাহাৰত এই বৃহত্তৰ অসমীয়া সমাজ। এই সমাজ ব্যৱস্থাৰ উদাহৰণ বিশ্বৰ ভিতৰতে অন্যতম অসম। অসমৰ আছে এক সুকীয়া আৰু অনন্য বৈশিষ্ট্য। য'ত জাতি, বৰ্ণ, ধৰ্মৰ সকলো লোক এক হৈ থাকি সমজ ব্যৱস্থা আগবঢ়াই নিয়াৰ লগতে একতাৰ এনাজৰী বান্ধ খাই আছে। বিভিন্ন সময়ত বিভিন্ন উদাহৰণ ডাঙি ধৰি মনৱতাৰ উৎকৃষ্ট নিদৰ্শন ডাঙি ধৰি আহিছে অসমবাসীয়ে। সেইখন অসমত এতিয়া দেখিবলৈ পোৱা গৈছে একতাৰ বান্ধোন। যি বান্ধোনৰ কথা কৈছিল মহাপুৰুষ সকলে। অসমৰ সকলোৰে প্ৰাণৰ শিল্পী জুবিন গাৰ্গে ও সেই কথা কৈ গৈছে। প্ৰয়াত শিল্পী গৰাকীয়ে সকলো ধৰ্মৰ লগতে জাতি জনগোষ্ঠীৰ ৪০ টাতকৈও অধিক ভাষাত গীত গাই অসমীয়া সমাজখন এক কৰি গৈছে। আজি শিল্পীজন আমাৰ মাজত নাই আছে মাথোঁ তেওঁ দেখাই যোৱা আদৰ্শ। শিল্পীজনৰ বিয়োগত সমগ্ৰ অসম আজি মৰ্মাহত। শিল্পীজনৰ বিয়োগত শোকাস্তব্ধ সমগ্ৰ অসম। শিল্পীজনৰ মৃত্যু কোনেও সহজভাৱে মানি লব পৰা নাই। যাৰ বাবে ৰাজ্যত শিল্পীজনৰ মৃত্যুৰ প্ৰকৃত কাৰণ বিচাৰি প্ৰতিবাদৰ সৃষ্টি হৈছে। শিল্পীজনৰ মৃত্যুৰ কাৰণ আৰু ন্যায় বিচাৰি সামাজিক মাধ্যমত সৃষ্টি হৈছে এক বিপ্লৱৰ। ইয়াৰ মাজতেই সমগ্ৰ অসমতে জাতি, বৰ্ণ ধৰ্মৰ সকলো লোক একত্ৰিত হৈ শিল্পীজনৰ আত্মাৰ সদগতিৰ বাবে আয়োজন কৰিছে প্ৰাৰ্থনা সভা, শ্ৰদ্ধাঞ্জলি অনুষ্ঠিনৰ। ইয়াৰ সমান্তৰালভাৱে শিৱসাগৰ জিলাৰ নামতি অঞ্চলত ১০০ ভাগৰো অধিক নামঘৰৰ ৰাইজ আৰু ৪০ ভাগৰো অধিক মছজিদৰ ৰাইজ একত্ৰিত হৈ অহা কালিলৈ অনুষ্ঠিত কৰিব লৈছে প্ৰয়াত শিল্পীজনৰ আদ্যশ্ৰাদ্ধ অনুষ্ঠানৰ। পুৱা ৮ বজাত নাহৰ পুলি ৰোপণ কৰি আৰম্ভ কৰিব কাৰ্যসূচীৰ। ৯ বজাৰ পৰা আৰম্ভ হব শ্ৰদ্ধাঞ্জলি অনুষ্ঠানৰ তাৰ পিছতেই আৰম্ভ হব নাম প্ৰসংগৰ অনুষ্ঠানৰ। অনুষ্ঠানতেই গায়ন, দিহানাম আৰু জিকিৰ পৰিৱেশন কৰা হব বুলি উদ্যোগতাসকলে জানিব দিছে। সন্ধিয়া ভাগলৈ বন্তি প্ৰজ্বলন, সৰ্বধৰ্মীয় প্ৰাথনা আৰু মায়াবিনী গীত পৰিৱেশনেৰে অনুষ্ঠানৰ সামৰণি পৰিব।

# জয়সাগৰত দুদিনীয়া কাৰ্যসূচীৰে ৰাসলীলাৰ আয়োজন; লাইখুঁটা স্থাপন

**ষ্টাফ ৰিপ'ৰ্টাৰ, শিৱসাগৰ, ১৮ অক্টোবৰ ঃ** শাৰদীয় দুৰ্গাপূজা শেষ হোৱাৰ পিছতে ৰাজ্যবাসী সাজু হৈছে শ্ৰীশ্ৰী কৃষ্ণৰ ৰাসলীলা উদ্‌যাপনৰ বাবে। পিছপৰি ৰোৱা নাই শিৱসাগৰৰ জয়সাগৰবাসীও। জয়সাগৰ সাংস্কৃতিক কেন্দ্ৰৰ উদ্যোগত, ৰাসলীলা উদযাপন সমিতি আৰু ৩২খন গাঁৱৰ ৰাইজৰ সহযোগত ৪ আৰু ৫ নৱেম্বৰত দুদিনীয়াকৈ জয়সাগৰৰ সেউজকোঁৱৰ পৰাগধৰ চলিহা খেলপথাৰত শ্ৰীকৃষ্ণৰ ৰাসলীলাৰ আয়োজন কৰা হৈছে। উল্লেখযোগ্য যে ২৫ টি বৰ্ষত ভৰি দিয়া ৰাস ভাগিয়ে এইবাৰ ৰূপালী জয়ন্তী শুভাৰম্ভণি বৰ্ষ হিচাপে পালন কৰিবলৈ অঞ্চলবাসীয়ে ব্যাপক প্ৰস্তুতি চলাইছে। সেই উদ্দেশ্যে আজি কাতি বিহুৰ দিনাই ৰাসলীলা থলীত সমবেত হোৱা প্ৰায় দুই শতাধিক ভকত বৈষ্ণৱৰ উপস্থিতিত খোল তাল, উৰুলি আৰু হৰিধ্বনিয়ে মুখৰিত কৰা এক মাংগলিক পৰিৱেশৰ মাজত লাইখুঁটা স্থাপন কৰা হয়। ৰাসলীলাৰ অস্থায়ী নামঘৰৰ লাইখুঁটা স্থাপন কৰে বিশিষ্ট ধৰ্মপ্ৰাণ ব্যক্তি যদুমনি মহন্তই আৰু ৰাস মণ্ডপৰ লাইখুটা স্থাপন কৰে বিশিষ্ট শিক্ষাবিদ তথা শিৱসাগৰ ছোৱালী মহাবিদ্যালয়ৰ অৱসৰ প্ৰাপ্ত অধ্যক্ষ বোধিন মিশ্ৰয়ে। ইয়াৰ পূৰ্বে বন্তি প্ৰজ্বলন আৰু ভাগৱত পাঠৰে অনুষ্ঠানৰ শুভাৰম্ভ কৰে। জয়সাগৰ সাংস্কৃতিক কেন্দ্ৰ তথা ৰাস উদযাপন সমিতিৰ সম্পাদক আনন্দ কুমাৰ বৰাই আঁত ধৰা লাইখুটা স্থাপন অনুষ্ঠানত জয়সাগৰ সাংস্কৃতিক কেন্দ্ৰৰ সভাপতি ড° হেমন্ত কুমাৰ ফুকন, উপসভাপতি প্ৰদীপ গগৈ, অতুল দত্ত, ৰাজীৱ ফুকন, শৰৎ বৰুৱা, ভবেন চেতিয়াকে প্ৰমুখ্য কৰি বহু গণ্য মান্য ব্যক্তিৰ লগতে আয়োজক সমিতিৰ বিষয়ববীয়া তথা ৰাসলীলাত অভিনয় কৰিবলগা শিল্পীসকলে অংশগ্ৰহণ কৰে।

### কাতি বিহুৰ মাজতে মেৰাপানী তৰানিৰ এটি পৰিয়ালৈ নামি আহিল এটি দুখৰ খবৰ

# পুনৰ বহিঃ ৰাজ্যত মৃত্যু মেৰাপানীৰ যুৱক

**অসম বাৰ্তা, মেৰাপানী, ১৮ অক্টোবৰ ঃ** গোলাঘাট জিলাৰ মেৰাপানী তৰাণিৰ যুৱক বহিঃৰাজ্যত মৃত্যু হোৱা ঘটনাই অঞ্চলটোত শোকৰ ছাঁ পৰিছে। প্ৰাপ্ত তথ্য অনুসৰি আৰ্থিক অনাটনৰ বাবে তামিলনাডুৰ চিংগেল পেঠ, এনাপাকামৰ নামৰ ঠাইত প্ৰায় ৭ মাহ মানৰ আগতে কাম কৰিবলৈ গৈছিল গোলাঘাট জিলাৰ মেৰাপানী তৰাণিৰ অক্ষয় চুতীয়া নামৰ এজন যুৱক। হৰ্থাৎ যোৱা কালি কৰ্মস্থলীত অক্ষয় চুতীয়াৰ জ্বৰ হোৱাৰ কথা গম পাই সতীৰ্থ সকলে ততাতিয়াকৈ মেডিকেললৈ নিয়ে যদিও যুৱক জনৰ মৃত্যু হয় বুলি জানিব পৰা গৈছে। মৃত্যুৰ সময়ত অক্ষয় চুতীয়াই পিতৃ - মাতৃ, পত্নী আৰু এটি ডেৰবছৰীয়া সন্তান এই সংসাৰত এৰি থৈ যায় আৰ্থিক অনাটনৰ বাবে কৰ্মৰ সূত্ৰে বহিঃ ৰাজ্যত এনেদৰে এজন তেজাল যুৱকৰ মৃত্যুৰ হোৱাত অঞ্চল বাসীয়ে দুখ প্ৰকাশ কৰিছে। অক্ষয় চুতীয়াৰ মৃতদেহ অসম আৰক্ষী আৰু কৰ্মৰত কোম্পানীৰ তৎপৰতাত তামিলনাডুৰ পৰা মৃতদেহ অনা হ'ব বুলি জানিব পৰা গৈছে।

# গোৱালপাৰা কৃষ্ণাইত খাদ্য-সুৰক্ষা বিষয়াৰ অভিযান

**অসম বাৰ্তা, গোৱালপাৰা, ১৮ অক্টোবৰ ঃ** গোৱালপাৰা জিলাৰ কৃষ্ণাইত গোৱালপাৰা জিলা প্ৰশাসনৰ নিৰ্দেশ মৰ্মে ১৩-১০-২০২৫ তাৰিখে বঙ্গাইগাঁৱৰ পৰা অহা জ্যেষ্ঠ খাদ্য সুৰক্ষা বিষয়া "জয়ন্ত কুমাৰ দাসৰ নেতৃত্বত ভ্ৰাম্যমাণ খাদ্য সুৰক্ষা বাহনসহ এটি সঁজাতি দল গোৱালপাৰা কৃষ্ণাই বজাৰত উপস্থিত হৈ বিভিন্ন চাহ-মিঠাইৰ বিপনী সমূহত এক অভিযান চলায়। উক্ত অভিযানত বিষয়া গৰাকীয়ে চাহ-মিঠাইৰ বিপনী সমূহৰ পৰা কে'বাটাও নমুনা সংগ্ৰহ কৰি গুণাগুণ নিৰীক্ষণৰ বাবে বাহনখনতে থকা আধুনিক যন্ত্ৰৰ দ্বাৰা পৰীক্ষা কৰি কিছু তাৰতময পায় যদিও সঠিক গুণাগুণ নিৰীক্ষণৰ বাবে গুৱাহাটীৰ বামুণীমৈদামত স্থিত পৰীক্ষাগাৰলৈ প্ৰেৰণ কৰে বুলি খাদ্য সুৰক্ষা বিষয়া গৰাকীয়ে জানিবলৈ দিয়ে। ইয়াৰ উপৰিও জ্যেষ্ঠ খাদ্য সুৰক্ষা বিষয়া জয়ন্ত কুমাৰ দাসে সংবাদ মাধ্যমযোগে ৰাইজক জনায় যে, সমাজৰ প্ৰতিগৰাকী নাগৰিকে বজাৰৰ পৰা ক্ৰয় কৰা খাদ্য-সামগ্ৰীবোৰ লোৱাৰ ক্ষেত্ৰত সচেতন হ'ব লাগে। যিকোনো খাদ্যৰ ম্যাদ উকলিছে নে নাই সেয়া চাই ল'ব লাগে। উল্লেখ্য যে, বঙ্গাইগাঁৱৰ পৰা অহা জ্যেষ্ঠ খাদ্য সুৰক্ষা বিষয়া গৰাকীৰ এই অভিযানত গোৱালপাৰা কৃষ্ণাইৰ ৰাইজে যথেষ্ট আনন্দিত হৈছে আৰু পৰৱৰ্তী সময়চোৱাতো যাতে এনে ধৰণৰ অভিযান অব্যাহত থাকে ইয়াৰ বাবে গোৱালপাৰা জিলাতো এগৰাকী স্থায়ী খাদ্য সুৰক্ষা বিষয়া নিযুক্তি দিবলৈ অসম চৰকাৰ তথা গোৱালপাৰা জিলা প্ৰশাসনক আহ্বান জনায় কৃষ্ণাইৰ সচেতন মহলে। উক্ত অভিযানত খাদ্য সুৰক্ষা বিষয়া জয়ন্ত কুমাৰ দাসৰ লগতে কেমিষ্ট কৃতাঞ্জলী ৰয়, লেব্‌' টেক্‌নিচিয়েন গৌৰৱ জ্যোতি দাস আৰু কে'বাগৰাকী বিষয়া-কৰ্মচাৰী উপস্থিত থাকে বুলি জানিব পৰা যায়।

# নগাঁৱত অত্যাধুনিক ডেণ্টেল ক্লিনিক মুকলি বিধায়ক ৰূপক শৰ্মাৰ

**অসম বাৰ্তা, নগাঁও, ২০ অক্টোবৰ ঃ** নগাঁৱৰ হয়বৰ গাঁও আৰক্ষী চকীৰ সন্মুখত এ কে এম নামৰ ডেণ্টেল ক্লিনিক শুভ উদ্বোধন কৰে নগাঁৱৰ বিধায়ক ৰূপক শৰ্মাই। আগন্তুক দিনত ৰোগীৰ বাবে উপযুক্ত চিকিৎসা পদ্ধতিৰে চিকিৎসা সেৱা কৰা হব আৰু দৰিদ্ৰ সীমা ৰেখাৰ তলৰ ৰোগী সকলক বিনামূলীয়া চিকিৎসা সেৱা প্ৰদান কৰা হব বুলি চিকিৎসক ডাক্তৰ এম এম ডি বৰুৱা আৰু ডাক্তৰ বিনীতা কুৰ্মীয়ে সংবাদ মহলক জানিবলৈ দিয়ে।

### কৃষকৰে বিভাগীয় বিষয়াৰ মত-বিনিময়, আকাশ বন্তি প্ৰজ্বলন

# মাজুলী জিলা কৃষি বিভাগৰ উদ্যোগত নতুন কঢ়াল গাঁৱত কাতি বিহু উদ্‌যাপন

**অসম বাৰ্তা, বনগাঁও, ১৮ অক্টোবৰ ঃ** মাজুলী জিলা কৃষি বিভাগৰ উদ্যোগত আজি ৰাৱনাপাৰ গাঁও পঞ্চায়তৰ অন্তৰ্গত নতুন কঢ়াল গাঁৱত পম্পৰতা ভাৱে পালন কৰি অহা 'কাতি বিহু' পালন কৰা হয়। নতুন কঢ়াল গাঁৱৰ খলিহামাৰী আঞ্চলিক কৃষ্টি সংঘৰ সমীপৰ মুকলি পথাৰত আজি বিয়লি দুই বজাৰ পৰা বহুকেইটা গুৰুত্বপূৰ্ণ কাৰ্যসূচীৰে বিহু উদযাপন কৰা হয়। অনুষ্ঠানৰ আৰম্ভণিতে অসমীয়াৰ প্ৰাণৰ শিল্পী জুবিন গাৰ্গলৈ শ্ৰদ্ধাঞ্জলি জনায় বন্তি প্ৰজ্বলন আৰু পুষ্পাঞ্জলি জ্ঞাপন কৰা হয়। বিভাগীয় বিষয়া আৰু কৃষকৰে আনুসাংগিক বিভাগৰ বিষয়াৰ মাজত এক মত-বিনিময় অনুষ্ঠান অনুষ্ঠিত হয়। জিলা কৃষি বিষয়া নাচেৰ ইকবাল ৰেজাই অনুষ্ঠানত আদৰনি ভাষণ প্ৰদান কৰে। স্থানীয় সমাজকৰ্মী অতুল হাজৰিকাই আঁত ধৰা উক্ত মত-বিনিময় অনুষ্ঠানটোত সমল ব্যক্তি হিচাপে উপস্থিত থাকে জিলা পশুপালন আৰু পশু চিকিৎসা বিষয়া ডাঃ থানেশ্বৰ মুদৈ, জিলা মীন উন্নয়ন বিষয়া ভদ্ৰেশ্বৰ মিলি। কৃষকসকলক উদ্দেশ্যি নিজা বিভাগীয় ক্ষেত্ৰৰ বিভিন্ন বিষয় সন্দৰ্ভত বক্তব্য আগবঢ়ায়। তদুপৰি, অনুষ্ঠানত জিলা পৰিষদৰ অধ্যক্ষা নৱনীতা দাসে কৃষক সকলক উদ্দেশ্য ভাষণ প্ৰদান কৰে। অনুষ্ঠানত কৃষি উন্নয়ন বিষয়া ক্ৰমে ড° দ্বীপজ্যোতি সৰকাৰ, ৰাজা ফুকন, পংকজ পূৰাণে অংশগ্ৰহণ কৰি কৃষকৰ লগত মত-বিনিময় কৰে। সভাত মাজুলী বিধান সমষ্টিৰ বিধায়ক ভুৱন গামে সভাত মুখ্য অতিথি, মাজুলীৰ জ্যেষ্ঠ আৰক্ষী অধীক্ষক বিবেকানন্দ দাস, মাণ্ডলিক বন প্ৰাধিকাৰী, সমাজকৰ্মী দীপক গোস্বামীয়ে বিশিষ্ট অতিথিৰ ভাষণ প্ৰদান কৰে। সন্ধিয়াৰ লগে লগে "বিহু উপলক্ষে" গায়ন-বায়নৰ মাংগলিক পৰিৱেশত পাঁচগছি আকাশ বন্তি প্ৰজ্বলন কৰাৰ লগতে নতুন কঢ়াল গাঁৱৰ পথাৰত কৃষকসকলে শতাধিক বন্তি প্ৰজ্বলন কৰে। অনুষ্ঠানত কৃষি বিভাগৰ বিষয়া-কৰ্মচাৰী, এছ বি আই জেনেৰেল ইঞ্চিউৰেঞ্চৰ বিষয় ববীয়া, ভালেকেইজন বিশিষ্ট ব্যক্তিৰ লগতে অঞ্চলটোৰ বৃহৎ সংখ্যক ৰাইজ উপস্থিত থাকে।

# সচেতন যুৱ উন্নয়ন মঞ্চ, কেন্দ্ৰীয় সমিতিৰ সভাপতি পৰমানন্দ গগৈক গ্ৰেপ্তাৰ

**অসম বাৰ্তা, বান্দৰদেৱা, ১৮ অক্টোবৰ ঃ** জুবিন গাৰ্গৰ ন্যায়ৰ সপক্ষে চৰকাৰৰ বিৰুদ্ধে মাত মতাৰ বাবেই লখিমপুৰ জিলাৰ বিহপুৰীয়া আৰক্ষীৰ এটা দলে যোৱা শুক্ৰবাৰে নিশা নিজ গৃহৰ পৰাই গ্ৰেপ্তাৰ কৰে সচেতন যুৱ মঞ্চৰ অসমৰ কেন্দ্ৰীয় সমিতিৰ সভাপতি পৰমানন্দ গগৈক। বিহপুৰীয়া আৰক্ষী থানাৰ অন্তৰ্গত শিমলুগুৰি বহুপথাৰত ঘৰ আছিল পৰমানন্দ গগৈৰ। সামাজিক মাধ্যমত চৰকাৰৰ বিৰুদ্ধে মাত মতাই কাল হ'ল সভাপতি গৰাকীৰ। শুক্ৰবাৰে নিশা বিহপুৰীয়া আৰক্ষী থানাত মাতি সোধা পোচা চলোৱাৰ অন্তত শনিবাৰে ন্যায়িক জিম্মালৈ প্ৰেৰণ কৰিছে নেতা জনক। নেতা গৰাকীক বিনাচৰ্তে মুকলি কৰি দিবলৈ সংগঠনটোৱে প্ৰশাসনক এতিয়া দাবী জনাইছে। উল্লেখ্য যে নেতা গৰাকীয়ে ন্যায়িক জিম্মালৈ যোৱাৰ মুহূৰ্ততো সংবাদ মাধ্যমৰ সন্মুখত জুবিনদাৰ ন্যায়িক তদন্তৰ দাবী উত্থাপন কৰা পৰিলক্ষিত হয়।

# 'আমছু'ৰ পশ্চিম কোকৰাঝাৰ জিলা সমিতিৰ মুখ্য কাৰ্যালয়ত শিল্পী জুবিন গাৰ্গক শ্ৰদ্ধাঞ্জলি, নাহৰ পুলি ৰোপণ



**অসম বাৰ্তা, গোসাঁইগাঁও, ২০ অক্টোবৰ ঃ** বিশিষ্ট সংগীত শিল্পী, অসমৰ সোঁৱৰণিৰ এক অবিচ্ছেদ্য অংশ তথা কোটি কোটি হৃদয়ৰ স্পন্দন জুবিন গাৰ্গৰ মৃত্যুত সমগ্ৰ ৰাজ্যতেই শোকৰ ছাঁ পৰিছে। তেনে এক গভীৰ ক্ষণত, সদৌ অসম সংখ্যালঘু ছাত্ৰ ইউনিয়ন (আমছু') পশ্চিম কোকৰাঝাৰ জিলা সমিতিৰ উদ্যোগত আজি ছেৰফাংগুৰীত সমিতিৰ মুখ্য কাৰ্যালয়ত জুবিন গাৰ্গৰ স্মৃতিত এক শ্ৰদ্ধাঞ্জলি অনুষ্ঠান অনুষ্ঠিত হয়। অনুষ্ঠানটোত আমছু'ৰ কেন্দ্ৰীয় সমিতিৰ সাংগঠনিক সম্পাদক জাকিৰ হুছেইন, মাজাৰুল ইছলাম, পশ্চিম কোকৰাঝাৰ জিলা সমিতিৰ সভাপতি ৰেজোৱান আলী, পশ্চিম কোকৰাঝাৰ জিলা সমিতিৰ অন্তৰ্গত বিভিন্ন আঞ্চলিক সমিতিৰ সভাপতি, সম্পাদক, আন আন পদবী সকলৰ লগতে স্থানীয় ৰাইজেও অংশ গ্ৰহণ কৰি শিল্পীগৰাকীৰ অবদানক গভীৰভাৱে স্মৰণ কৰে। জুবিন গাৰ্গৰ সংগীত আৰু সমাজসেৱাৰ প্ৰতি উৎসৰ্গা সমৰ্পণক আদৰ্শ ৰূপে লৈ সমিতিৰ সদস্যসকলে তেওঁৰ নামত নাহৰ পুলি ৰোপণ কৰে। এই অনুষ্ঠানৰ জৰিয়তে আমছুৱে এক বাৰ্তা প্ৰেৰণ কৰে— "সংস্কৃতিৰ ক্ষেত্ৰখনত অসমে হেৰুৱালে এটি উজ্বল নক্ষত্ৰ, কিন্তু তেওঁৰ স্মৃতি চিৰজীৱী। "অনুষ্ঠানটো শোকপূৰ্ণ পৰিৱেশৰ মাজতে সমাপ্ত হয়, য'ত শিল্পীগৰাকীৰ কালজয়ী গীতৰে সোঁৱৰণি উজলাই তোলা হয়।

### কেবা শতাধিক লোকৰ সদ্যপ্ৰয়াত শিল্পীজনলৈ শ্ৰদ্ধাঞ্জলি জ্ঞাপন

# জুবিন গাৰ্গৰ চিতাভস্ম আগমনত আমগুৰিত শোকাকুল পৰিৱেশ

**অসম বাৰ্তা, আমগুৰি, ১৮ অক্টোবৰ ঃ** অসমৰ প্ৰাণৰ শিল্পী জুবিন গাৰ্গৰ চিতাভস্ম আজি আমগুৰিলৈ অনাত এক শোকাকুল পৰিবেশৰ সৃষ্টি হৈছিল। স্থানীয় আউনীআটীয় হেমচন্দ্ৰ দেৱ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ সন্মুখত শিল্পীগৰাকীৰ চিতাভস্ম স্থাপন কৰা হয়। ইয়াতে বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠান আৰু কেইবা শতাধিক লোকে শিল্পী জনালৈ পুষ্পাঞ্জলি অৰ্পণ কৰি শেষৰ বাৰলৈ তেওঁলোকৰ প্ৰিয় শিল্পীজনক শ্ৰদ্ধা জ্ঞাপন কৰে। এই মুহূৰ্তত সমবেত ৰাইজ শোকত বিহ্বল হৈ পৰা পৰিলক্ষিত হয়। উল্লেখ্য যে, কালিলৈ ১৯ অক্টোবৰত আমগুৰি আউনীআটীয় হেমচন্দ্ৰ দেৱ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ প্ৰাঙ্গনত আমগুৰিৰ ৬০টাৰো অধিক অনুষ্ঠান-প্ৰতিষ্ঠানে যৌথভাৱে এক বিশেষ শ্ৰদ্ধাঞ্জলি সমাৰোহৰ আয়োজন কৰিছে।

# চেঙাত জুবিন গাৰ্গৰ মৃত্যুৰ মাহিকীয়া উপলক্ষে একাজলি শ্ৰদ্ধাঞ্জলি

**অসম বাৰ্তা, চেঙা, ২০ অক্টোবৰ ঃ** সংগীত জগতৰ অনন্য প্ৰতিভা, অসমবাসীৰ হৃদয়ৰ ৰাজা জুবিন গাৰ্গৰ মৃত্যুৰ মাহিলী উপলক্ষে বৰপেটা জিলাৰ চেঙা বামপাৰাত একাজলি শ্ৰদ্ধাঞ্জলি অনুষ্ঠান অনুষ্ঠিত হয়। অঞ্চলটোত দিনটোৰ পৰা সৃষ্টি হয় এক বিশেষ আৱেগ আৰু মৰমৰ পৰিৱেশ। ৰাতিপুৱাৰে পৰা আৰম্ভ হোৱা অনুষ্ঠানটোৱে চেঙা বামপাৰাক একেবাৰে সুৰৰ, বেদনা আৰু ভক্তিৰ আবেশত মেলি দিয়ে। ৰাতিপুৱা ৮ বজাত বন্তি প্ৰজ্বলন কৰি অনুষ্ঠান উদ্বোধন কৰে চেঙা বামপৰা পাৰা পঞ্চায়তৰ অৱসৰপ্ৰাপ্ত পাঠক নিৰণ দাসে। তাৰ পাছত ৰাতিপুৱা ১০ বজাত বৃক্ষ ৰোপণ কাৰ্যসূচী সম্পন্ন কৰে অগ্নি নিৰ্বাপক বাহিনীৰ অৱসৰপ্ৰাপ্ত উপ পৰিদৰ্শক তৰুণ তালুকদাৰে। ৰাতিপুৱা ১১ বজাত আয়তি আৰু ভকতবৃন্দৰ উপস্থিতিত অনুষ্ঠিত হয় ভক্তিময় নাম-প্ৰসংগ, য'ত অংশ লয় বহু স্থানীয় শিল্পী। দুপৰীয়া ১ বজাত প্ৰাসাদ বিতৰণৰ পাছত অনুষ্ঠানৰ দ্বিতীয় পৰ্ব আৰম্ভ হয় আবেলি ৩ বজাৰ পৰা, আমন্ত্ৰিত বীৰ নামৰ দলৰ নেতৃত্বত নাম পৰিৱেশন কৰে দৰ্শনা চৌধুৰী আৰু নিজুমানি দাস। পৰিসৰ ভক্তিৰ সুৰেৰে মুখৰিত হৈ উঠে। সন্ধিয়া ৮ বজাত নলবাৰীৰ পৰা আমন্ত্ৰিত নাগাৰা নাম দল উপস্থিত হয়। পাঠক বিনয় ৰাজ আৰু ধীৰেন বৈশ্যৰ নেতৃত্বত অনুষ্ঠিত নাম-প্ৰদৰ্শনে দিনটোৰ অন্তত পৰিসৰটোক এক ভক্তিময় ৰূপ প্ৰদান কৰে। দিনটোৰ আৰম্ভণিত নাহৰ গছ ৰোপণৰ মাজেৰে "জয় জুবিন দা"ৰ ধ্বনিৰে মুখৰিত হৈ উঠে চেঙা বামপাৰা। ডেকা-বুঢ়া, মহিলা-পুৰুষ, শিশু— সকলোৰে মুখত একে ধ্বনি, "জুবিন দা আমাৰ হৃদয়ত চিৰজীৱী।" অনুষ্ঠানৰ অন্যতম আকৰ্ষণ আছিল জুবিন গাৰ্গৰ অমৰ গীত "ময়াবিনী ৰাতিৰ বুকুত দেখা পালো তোমাৰ ছবি"। উপস্থিত লোকৰ বহুজনেই আবেগেৰে গীতটো গাই শিল্পীগৰাকীৰ প্ৰতিপ্ৰতি নিজৰ ভালপোৱা প্ৰকাশ কৰে। পৰিৱেশ আবেগময় হৈ পৰে; বহুজনৰ চকুত চকুলো, মুখত গভীৰ বেদনা। শ্ৰদ্ধাঞ্জলিৰ অংশস্বৰূপে এক মিনিটৰ মৌন প্ৰৰ্থনা পালন কৰি শিল্পীগৰাকীৰ আত্মাৰ সদগতিৰ বাবে প্ৰাৰ্থনা জনোৱা হয়। সন্ধিয়াৰ বিশেষ শ্ৰদ্ধাঞ্জলি সভাত অঞ্চলৰ বিশিষ্ট ব্যক্তি, সমাজসেৱী, সংগঠন আৰু স্থানীয় কণ্ঠশিল্পীসকলে অংশগ্ৰহণ কৰে। অনুষ্ঠানৰ অন্তত চেঙাবাসীয়ে একত্ৰিত আবেগৰে অসমৰ মুখ্যমন্ত্ৰী মহোদয়ক আহ্বান জনায় — "জুবিন গাৰ্গে যাতে ন্যায় পায়।"

### ৰাইজৰ ধনেৰে ঘাইপথৰ মাজত জুবিন গাৰ্গৰ প্ৰতিমূৰ্তিৰ নিৰ্মাণৰ প্ৰস্তুতি

# মৰিগাঁৱৰ বঙালধৰাত ৰাষ্ট্ৰীয় ঘাইপথত জুবিন চ'ক মুকলি

**ষ্টাফ ৰিপ'ৰ্টাৰ মৰিগাঁও, ২০ অক্টোবৰ ঃ** মৰিগাঁও জিলাৰ বঙালধৰাৰ ৰাষ্ট্ৰীয় ঘাইপথৰ দাঁতিত অৱস্থিত বঙালধৰা তিনিআলিটো আজি জুবিন চ'ক নামেৰে আনুষ্ঠানিক ভাৱে নামকৰণ কৰা হয়। আজি পুৱাৰ ভাগত ৰাষ্ট্ৰীয় ঘাইপথৰ সোমাজত জুবিন চ'কৰ নাম ফলকখন ফিতা কাটি মুকলি কৰে ধৰমতুল আৰক্ষী থানাৰ ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়া যুগান্ত মেধিয়ে। ইয়াৰ পূৰ্বে জুবিন গাৰ্গৰ প্ৰতিচ্ছবিত বন্তি প্ৰজ্বলন কৰি শ্ৰদ্ধাঞ্জলি তৰ্পণ কৰে অঞ্চলটোৰ বয়োজেষ্ঠ ব্যক্তি বলিন্দ্ৰনাথ ভূঞাই। অনুষ্ঠানটোৰ আঁত ধৰে প্ৰাক্তন ৰঞ্জিতট্ৰফী খেলুৱৈ ডাঃ পাৰ্থসাৰথি হাজৰিকা আৰু সমাজ কৰ্মী অৰূপ কুমাৰ ডেকাই। উল্লেখ্য যে বঙালধৰা অঞ্চলৰ বিশিষ্ট সমাজকৰ্মী ডাঃ পাৰ্থসাৰথি হাজৰিকা, প্ৰদীপ দেউৰী, ৰাজীৱ ডেকা, দিগন্ত ডেকা, মানসজ্যোতি ডেকা প্ৰমুখ্যে বৃহত্তৰ অঞ্চলটোৰ কেইজনমান লোকৰ নেতৃত্বত বঙালধৰা, পুৱ বঙালধৰা আৰু মিকিৰগাঁৱৰ ৰাইজৰ সৰ্বসন্মত সিদ্ধান্ত মৰ্মে এই গুৰুত্বপূৰ্ণ স্থান টুকুৰাৰ নাম জুবিন চ'ক ৰখা হয়। আনহাতে অঞ্চলটোৰ ৰাইজৰ দান বৰঙনিৰে এই স্থানত চাৰি লেন যুক্ত ৰাষ্ট্ৰীয় ঘাইপথৰ ওপৰত শীঘ্ৰে জুবিন গাৰ্গৰ এটা প্ৰতিমূৰ্তিৰ স্থাপনৰ সিদ্ধান্ত গ্ৰহণ কৰি প্ৰস্তুতি আৰম্ভ কৰা হৈছে। ইপিনে প্ৰাণৰ শিল্পী জুবিন গাৰ্গৰ মৃত্যুৰ ৩০ দিন অৰ্থাৎ এমাহ হোৱা উপলক্ষে বৃহত্তৰ বঙালধৰা অঞ্চলৰ ৰাইজে আজি পুৱাৰ ভাগত বঙালধৰাৰ জুবিন চ'কত ৰাজহুৱাকৈ নাম কীৰ্তন আদি এলানি মাংগলিক অনুষ্ঠান অনুষ্ঠিত কৰে। উল্লেখ্য যে মৰিগাঁও চহৰৰ পৰা চাৰিলেন যুক্ত ৰাষ্ট্ৰীয় ঘাইপথৰ সংযোগ স্থলী, আঁহতগুৰি আৰু ধৰমতুলৰ মাজত অৱস্থিত এই বঙালধৰা তিনিআলি তথা জুবিন চ'কটো।

# ডিব্ৰুগড়ৰ লেজাইত সাহিত্য সভাৰ পৰ্যালোচনা সভা

**ষ্টাফ ৰিপৰ্টাৰ, ডিব্ৰুগড়, ২০ অক্টোবৰ ঃ** ডিব্ৰুগড়ৰ ঐতিহ্যমণ্ডিত বৃহত্তৰ লেজাই কলাখোৱা অঞ্চলত অহা ১ নৱেম্বৰত শিশুসকলৰ বৌদ্ধিক, মানসিক প্ৰতিভা বিকাশৰ অনুষ্ঠান "কুঁহি"ৰ এটি বিশেষ অনুষ্ঠান অনুষ্ঠিত হ'ব। অসম সাহিত্য সভাৰ উদ্যোগত আৰু লেজাই, কলাখোৱা আৰু কোটোহা শাখা সাহিত্য সভাৰ আতিথ্যত হ'ব লগা অনুষ্ঠানটিৰ কাৰ্যসূচীসমূহ সৰ্বাঙ্গ-সুন্দৰভাৱে আগবঢ়াই নিবলৈ ইতিমধ্যে কে'বালানিও বৈঠকৰ অন্তত আজি লেজাই ৰাজহুৱা প্ৰেক্ষাগৃহত ডিব্ৰুগড় জিলা সাহিত্য সভাৰ লগতে তিনিওখনি গৃহস্থ শাখা সমিতি আৰু আদৰণী সমিতিৰ এখনি যৌথ বৈঠক অনুষ্ঠিত হয়। আদৰণী সমিতিৰ সভাপতি কৃষ্ণকান্ত বৰাৰ সভাপতিত্ব অনুষ্ঠিত হোৱা সভাখনিৰ উদ্দেশ্য ব্যাখ্যা আগবঢ়ায় আদৰণী সমিতিৰ সম্পাদক ভদ্ৰেশ্বৰ গগৈয়ে। প্ৰচাৰ সম্পাদক প্ৰশান্ত শইকীয়া আমন্ত্ৰিত অতিথি সকল চিনাকি কৰি দিয়া সভাত অসম সাহিত্য সভাৰ "কুঁহি" আহ্বায়ক প্ৰশান্ত শইকীয়া সভাত উপস্থিত থাকি "কুঁহি" অনুষ্ঠানটি জৰিয়তে সাহিত্য সভাই সমাজৰ প্ৰতি চামৰ লোক একটিত কৰি -সাহিত্য দিশত শিশু সকলকলৈ -"কুঁহি" যুৱ সমাজক লৈ ৰামধেনু আৰু -জ্যেষ্ঠ সকলক লৈ মূল সমিতি গঠন কৰি আগবঢ়োৱা অনুষ্ঠানৰ তাৎপৰ্যৰ ওপৰত বক্তব্য প্ৰদান কৰে। আজিৰ সভাত অসম সাহিত্য সভাৰ ডিব্ৰুগড় জিলা কেন্দ্ৰীয় প্ৰতিনিধি নোমল চন্দ্ৰ গগৈ, জিলা সভাপতি বদন গগৈ, তিনিখন শাখা সভাপতি সম্পাদক-তথা আদৰণী সমিতিৰ প্ৰতিটো শাখাৰ সভাপতি সম্পাদকৰ লগতে অন্যান্য সদস্য সকল উপস্থিত থকা সভাত বহুকেইটা গুৰুত্বপূৰ্ণ প্ৰস্তাৱ গ্ৰহণ কৰা হয়। প্ৰয়াত ডঃভূপেন হাজৰিকা আৰু জুবিন গাৰ্গলৈ ৰাজহুৱা শ্ৰদ্ধাঞ্জলি জনোৱাৰ লগতে প্ৰয়াত শিল্পী ৰাজীৱ শদিয়ালৈ শ্ৰদ্ধাজনাই গ্ৰন্থবিপণী মুকলি কৰা লগতে বহুকেইগৰাকী সাহিত্য অনুৰাগীক গ্ৰন্থৰ টোপোলাৰে সন্মানীত কৰিব। আনহাতে ডিব্ৰুগড় জিলাৰ পৰা অসম সাহিত্য সভাৰ বিভিন্ন শাখাৰ উপশমিতিত বিষয়ববলোৱা ২৩জন সদস্যক মুকলি সভালৈ নিমন্ত্ৰণ কৰিবলৈ প্ৰস্তাৱ গ্ৰহণ কৰে। উল্লেখযোগ্যযে-ডিব্ৰুগড় জিলাৰ পৰা ক্ৰমে-অসম সাহিত্য সভা লৈ ডিব্ৰুগড় জিলাৰ পৰা মনোনীত সদস্যবৃন্দ ক্ৰমে-প্ৰতিনিধি তথা কাৰ্যনিৰ্বাহক সদস্য, নোমল চন্দ্ৰ গগৈ, মনোনীত সদস্য, কৰ্ণধাৰ সমিতি, আদিত্য গোস্বামী, ডাঃ শান্তনু লহকৰ, সম্পাদক, ডিব্ৰুগড় আঞ্চলিক কাৰ্যালয় তথা কাৰ্যনিৰ্বাহক সদস্য, অসম সাহিত্য সভা, প্ৰশান্ত শইকীয়া, আহ্বায়ক, কুঁহি উপশমিতি তথা কাৰ্যনিৰ্বাহক সদস্য, অসম সাহিত্য সভা, ড° শশীকান্ত শইকীয়া, আহ্বায়ক, আন্তঃৰাজ্য-বিদেশ মৈত্ৰীবন্ধন উপশমিতিৰ আহ্বায়ক, শৈক্ষিক সমিতিৰ আহ্বায়ক তথা কাৰ্যনিৰ্বাহক সদস্য, অসমসাহিত্য সভাৰ গৌতম গগৈ, আহ্বায়ক, যুৱ সংসদৰ আহ্বায়ক তথা কাৰ্যনিৰ্বাহক সদস্য, অসম সাহিত্য সভা, ড° সুৰজিত বৰকটকী, কাৰ্যকৰী সভাপতি, আন্তঃৰাজ্য-বিদেশ মৈত্ৰীবন্ধন উপ-সমিতি, অসম সাহিত্য সভা, অনীতা গগৈ, উপসভাপতি, যুৱ সংসদ, অসম সহিত্য সভা (নামৰূপ) সুৰজ দত্ত, উপসভাপতি, যুৱ সংসদ, অসম সাহিত্য সভা, অৰুণ বৰুৱা, উপসভাপতি, বিত্ত উপশমিতি, অসম সাহিত্য সভা, (টেঙাখাত) ড° ছবি গগৈ, উপসভাপতি, সাংস্কৃতিক উপশমিতি, অসম সাহিত্য সভা(দুলিয়াজান), মুন কৈৰী, উপসভাপতি, চাহ বাগিছা ভাষা-সাহিত্য-সংস্কৃতি বিকাশ উপশমিতি, অসম সাহিত্য সভা, ৰুণুমী মহন্ত, সদস্য, কুঁহি উপশমিতি, অসম সাহিত্য সভা, (নাহৰকটীয়া)মাইনু খনিকৰ, সদস্য, আকাশ উপশমিতি, অসম সাহিত্য সভা (দুলিয়াজান) অনিল সিংহ, সদস্য, জনগোষ্ঠী ইতিহাস প্ৰকল্প উপশমিতি, অসম সাহিত্য সভা, জ্যোতিপ্ৰসাদ কানৈ, সদস্য, শৈক্ষিক সমিতি, অসম সাহিত্য সভা, মনজিৎ বৰা, সদস্য, শৈক্ষিক সমিতি, অসম সাহিত্য সভা, ভুবনমোহন গোস্বামী, আমন্ত্ৰিত সদস্য, অসম সাহিত্য সভা, প্ৰাতসলতা বুঢ়াগোহাঁই, আমন্ত্ৰিত সদস্য, অসম সাহিত্য সভা, অজয় সিংহ, আমন্ত্ৰিত সদস্য, অসম সাহিত্য সভা, (নাহৰকটীয়া) ইন্দ্ৰ গগৈ, আমন্ত্ৰিত সদস্য, অসম সাহিত্য সভা, আমন্ত্ৰিত সদস্য, অসম সাহিত্য সভা (মৰাণ) প্ৰশান্ত দত্তই সেৱা আগবঢ়ায় আছে।

### দৰ্শনি পত্ৰবিহীনভাৱে প্ৰদৰ্শিত হ'ব তিনিদিনীয়া ৰাসলীলা

# জুবিন গাৰ্গৰ নামত উচৰ্গিত হ'ব মাজুলী যুৱ সমন্বয় কৃষ্টি সংঘৰ ৰাসলীলা

**অসম বাৰ্তা, উজনী মাজুলী, ২০ অক্টোবৰ ঃ** অসমীয়াৰ স্বাভিমান স্বৰূপ কণ্ঠৰে বিশ্বত পৰিচয় দিবলৈ সক্ষম হোৱা হিয়াৰ আমঠু সদ্যপ্ৰয়াত শিল্পী জুবিন গাৰ্গৰ সোঁৱৰণত উচৰ্গিত হ'ব যুৱ সমন্বয় কৃষ্টিসংঘৰ ৰাসলীলা। অসমীয়াৰ প্ৰাণৰ শিল্পী জুবিনগাৰ্গে ২০০২ চনত দৰিয়া পাৰত মাজুলীত প্ৰথম বাৰৰবাবে অনুষ্ঠানত গীত পৰিবেশন কৰিছিল। উক্ত স্থানতে যোৱা চটা বছৰত যুৱ সমন্বয় কৃষ্টি সংঘই অস্থায়ী মঞ্চত ৰাসলীলা উদযাপন কৰি আহিছিল। দৰিয়া ডুবিকলৈ এটিগীত সৃষ্টি কৰি কল্পনাৰ গীতটি জীৱন্ত ৰূপ দিয়া জুবিন গাৰ্গৰ অকালবিয়োগে কোটি কোটি জনতাৰ বুকু উদংকৰাৰ দৰে বিৰাজ কৰা পৰিবেশ আৰু শিল্পীজনাৰ অবদানৰ প্ৰতি সন্মান জনাই যুৱ সমন্বয় কৃষ্টিসংঘই এইবাৰৰ তিনিদিনীয়া ৰাসলীলা দৰ্শনি পত্ৰৰ অবিহনে দৰ্শক ৰাইজক প্ৰদৰ্শন কৰোৱাৰ সিদ্ধান্ত কৰিছে। আজি অনুষ্ঠানটিৰ সভাপতি দীপু বৰাৰ পৌৰোহিত্যত এখনি ৰাজহুৱা সভাত এইবিষয়টি জ্ঞাত কৰে। সম্পাদক অমৰজ্যোতি ভূঞাই উদ্দেশ্য ব্যাখা কৰাৰ পিচতে সমজুৱাৰ ফালৰ পৰা জুবিন গাৰ্গৰ নামত উচৰ্গিত কৰিবলৈ বিচৰা মহান উদ্দেশ্যক আদৰণি জনাই সংগীত নাটক একাদেমী বটা বিজেতা শিক্ষাবিদ কৰুণা বৰা মাজুলী জিলা সাংবাদিক সন্থাৰ সম্পাদক ডিম্বেশ্বৰ দত্ত অবসৰি শিক্ষক তথা প্ৰকৃতি প্ৰেমী অতুল হাজৰিকা মাজুলী জিলা মইনা পাৰিজাতৰ প্ৰক্তন সভাপতি লোহিত বৰা প্ৰমুখ্যে ব্যক্তি সকলে আদৰণি জনায় আৰু এখনি মানবিশিষ্ট ৰাসলীলা দৰ্শক ৰাইজৰ সন্মুখত তুলি দিব পাৰিলেহে প্ৰাণৰ শিল্পীজনাৰ নামত উচৰ্গিতকৰাৰ সাফল্য লাভ কৰিব পৰা যাব বুলি ব্যক্ত কৰে। ইয়াৰ পিচতে অহা ৪, ৫ আৰু ৬ নবেম্বৰত ৰাসলীলা উদযাপনৰ সমগ্ৰ বিষয়টি এখনি সংবাদ মেল সম্বোধন কৰি অনুষ্ঠানটিৰ সভাপতি দীপু বৰাই প্ৰকাশ কৰে। প্ৰতিবছৰে গাঠিৰ ধন এচাম যুৱ সংস্কৃতি প্ৰেমীয়ে অস্থায়ী মঞ্চত পৰিবেশন কৰা ৰাসলীলাৰ ব্যয় সদস্য সকলে নিজেব্যয় কৰিব। অৱশ্যে কোনো সদাশয় ব্যক্তিয়ে স্বেচ্ছাই ব্যয় পৰিপূৰণৰ বাবে আগবাঢ়ি আহিলে সংগঠনটিয়ে সাদৰেৰে গ্ৰহণ কৰিব বুলিও সংবাদ মেলত ব্যক্ত কৰে। অনুষ্ঠানটিয়ে বিগত দিনত মাদগু বিশিষ্ট ৰাসলীলা পৰিবেশন কৰি অহা বিষয়টি প্ৰতি লক্ষ্যকৰি এইবাৰ অধিক গুৰুত্ব দিব বুলিও সংবাদমেলত প্ৰকাশ কৰে। উল্লেখ্য যে মাজুলীত ৬৫ টি মঞ্চত ৰাসলীলা উদযাপন কৰিব আৰু এইবাৰ প্ৰতিটো মঞ্চই ড° ভূপেন হাজৰিকাৰ নামত উচৰ্গিত কৰিছে আৰু প্ৰতিটো মঞ্চতে প্ৰণৰ শিল্পী জুবিন গাৰ্গক শ্ৰধাঞ্জলি জনোৱাৰ ব্যৱস্থা কৰিছে। উল্লেখ্যযে যুৱ সমন্বয় সাংস্কৃতিক সংঘই তিনিদিনীয়া ৰাসলীলা তৃতীয় দিনা মহিলাৰ দ্বাৰা অভিনিত কৰি অহাৰ দৰে এইবাৰো তাৰব্যতিক্ৰম নহয় বুলি প্ৰকাশ কৰে।

# কাকৈ ৰাজগড়ত জুবিনবিহীন কাতি বিহু পালন

**অসম বাৰ্তা, লীলাবাৰী, ২০ অক্টোবৰ ঃ** প্ৰাণৰ শিল্পী জুবিন গাৰ্গলৈ শ্ৰদ্ধাঞ্জলি জনাই লখিমপুৰ জিলাৰ অসম-অৰুণাচল সীমান্তবৰ্তী কাকৈ ৰাজগড়ত অসমীয়া বাপতিসাহোন কাতি বিহু পালন কৰে। হাৰ্টথ্ৰ'ৱ জুবিন বিহীন কাতি বিহু পালন কৰি শোকাৰ্ত হৈ পৰে কাকৈ ৰাজগড়বাসী ৰাইজে। কাকৈ ৰাজগড় যুৱ মঞ্চৰ সৌজন্যত প্ৰতিবছৰে মাটি চাকি, আকাশ বন্তি জ্বলোৱা কাকৈ ৰাজগড়বাসীয়ে এইবাৰ ৫ হাজাৰ মাটি চাকি জ্বলাই ধাননি পথাৰৰ লখিমী আদৰে, তুলসী তলত চাকি জ্বলায়। ত্ৰয়োদশ বাৰ্ষিক কাতি বিহু পালন অনুষ্ঠানটি কাকৈ ৰাজগড় যুৱ মঞ্চৰ বিষয়ববীয়া তথা লীলাবাৰী শাখা সাহিত্য সভাৰ সম্পাদক বিতোপন শৰ্মাই আঁত ধৰে। প্ৰাগ নিউজৰ লখিমপুৰৰ জ্যেষ্ঠ সাংবাদিক কুশল শইকীয়া, কাকৈ ৰাজগড় যুৱ মঞ্চৰ উপদেষ্টাদ্বয় দ্বীপেন গোহাঁই আৰু আমান অনচাৰীৰ লগতে সমূহ ৰাইজে প্ৰাণৰ শিল্পী জুবিন গাৰ্গৰ প্ৰতিচ্ছবিত পুষ্প অৰ্পন কৰে। কণ কণ আয়তী আৰু ভকতগণে তুলসীনামৰ লগতে দিহানাম অতি সুন্দৰভাৱে পৰিৱেশন কৰে। উল্লেখ্য যে, হাৰ্টথ্ৰ'ৱ জুবিন গাৰ্গ বিহীন কাতি বিহু অনুষ্ঠানটিত ৫ হাজাৰ চাকি জ্বলোৱাৰ উপৰিও শিল্পীগৰাকীৰ বহুকেইটা গুৰুত্বপূৰ্ণ বক্তব্যৰ ফলক আঁৰিৰি ৰখা পৰিৱেশটোৱে বেচ মনোমোহা কৰি তুলিছিল।

# ডুমডুমাৰ দৈমুখীয়া ৰ'জবেৰী চাহ বাগিচা চিকিৎসালয়ৰ প্ৰাচীৰ ফটো এলবাম উন্মোচন

**ষ্টাফ ৰিপৰ্টাৰ, তিনিচুকীয়া, ২০ অক্টোবৰ ঃ** ডুমডুমাৰ সমীপৰ দৈমুখীয়া ৰ'জবেৰী চাহ বাগিচাত বিগত কালছোৱাত অনুষ্ঠিত হৈ যোৱা স্বাস্থ্য সজাগতা সভা, স্বাস্থ্য শিবিৰ, বাগিচা বিদ্যালয়ৰ স্বাস্থ্য পৰীক্ষা ইত্যাদি কাৰ্যসূচীসমূহৰ স্মৃতি যাতে অনাগত দিনবোৰত সজীৱ কৰি ৰাখিব পৰা যায় সেই উদেশ্যে বাগিচা চিকিৎসালয়ৰ জ্যেষ্ঠ ফাৰ্মাচিষ্ট হেমন্ত কুমাৰ শ্যামে ব্যক্তিগত প্ৰচেষ্টাত এখনি প্ৰাচীৰ ফটো এলবাম প্ৰস্তুত কৰি উলিয়ায় আৰু যোৱা ১৬ অক্টোবৰ তাৰিখে সন্ধিয়া প্ৰায় অৰ্ধশতাধিক লোকৰ উপস্থিতিত এই এলবামটি উন্মোচন কৰে এবিটাৰ প্ৰাক্তন মেডিকেল মাণ্ডলিক সমন্বয়ক, ডুমডুমাৰ ডাঃ ৰজনী ভৰালীয়ে। এই উন্মোচনী অনুষ্ঠানটিৰ আৰম্ভণিতে সদ্যপ্ৰয়াত হাৰ্টথ্ৰৱ জুবিন গাৰ্গলৈ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে বাগিচাৰ চিকিৎসক ডাঃ জিতেন বৰগোহাঁইয়ে। লগতে বিছাকুপি চাহ বাগিচাৰ ফাৰ্মাচিষ্ট তথা সংগীত শিল্পী বিদ্যুৎ বিকাশ সোণোৱালে জুবিন গাৰ্গৰ এটি গীত পৰিৱেশনেৰে শিল্পীগৰাকীলৈ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। আনহাতে সুধাকণ্ঠ ড° ভূপেন হাজৰিকাৰ শতবাৰ্ষিক জন্মজয়ন্তী উপলক্ষে অনুষ্ঠানটিত সুধাকণ্ঠক শ্ৰদ্ধাৰে সুঁৱৰি এগছি বন্তি প্ৰজ্বলনেৰে শ্ৰদ্ধাঞ্জলি জনায়। অনুষ্ঠানটিত উন্মোচক ডাঃ ভৰালীয়ে হেমন্ত কুমাৰ শ্যামক এই ব্যতিক্ৰমী কাৰ্যক ভূয়সী প্ৰশংসা কৰি অনাগত দিনবোৰত স্বাস্থ্য সেৱাৰ সমান্তৰালকৈ সজাগতা অনুষ্ঠানৰ মাজেদি সেৱা আগবঢ়াই যাবলৈ স্বাস্থ্য কৰ্মীসকলক আহ্বান জনায়। স্বাস্থ্য কৰ্মীসকলে নিঃস্বাৰ্থভাৱে চাহ বাগিচাত সেৱা আগবঢ়াই অহা সন্দৰ্ভত আমন্ত্ৰিত অতিথি অসম চাহ কৰ্মচাৰী সংঘৰ সহকাৰী সম্পাদক তথা জ্যেষ্ঠ ফাৰ্মাচিষ্ট হিতেন্দ্ৰ কুমাৰ বৰুৱাই সুন্দৰ বক্তব্য আগবঢ়াই। লগতে অনুষ্ঠানটিত উপস্থিত থাকি অত্যন্ত সুখ অনুভৱ কৰাৰ কথাও তেখেতে ব্যক্ত কৰে। উন্মোচিত হোৱা ফটো এলবামটিত স্মৃতিৰ স্বাক্ষৰ বহন কৰি থকা আজিৰ ফটোগ্ৰাফসমূহে ভৱিষ্যত দিনত সুখ প্ৰদান কৰিব বুলি বাগিচাৰ চিকিৎসকগৰাকীয়ে ভাষণত প্ৰকাশ কৰি স্বাস্থ্যকৰ্মী শ্যামক ধন্যবাদ জ্ঞাপন কৰে। বাগিচা চিকিৎসালয় তৰফৰ পৰা সদায়ে লাভ কৰি অহা সহায় সহযোগিতাৰ বাবে হাপজান স্বাস্থ্য খণ্ডৰ ফাইলেৰিয়া/মেলেৰিয়া বিভাগৰ বিষয়া(Survilence Inspector)দুৰ্গেশ্বৰ কলিতাই বাগিচা কৰ্তৃপক্ষক কৃতজ্ঞতা জ্ঞাপন কৰাৰ উপৰি নিজকে সুন্দৰ অনুষ্ঠানটিত উপস্থিত থাকিবলৈ পাই সুখী হোৱাৰ অনুভৱ ব্যক্ত কৰে। ভাষণত বাগিচাৰ জ্যেষ্ঠ সহকাৰী পৰিচালক জিন্টু বণিয়াই চিকিৎসালয় কৰ্তৃপক্ষৰ লগতে ফাৰ্মাচিষ্টগৰাকীৰ শলাগ লয়। অনুষ্ঠানটিত বাগিচাৰ বিষয়া লালসিং সন্ন্যাসী আৰু দিপাংকৰ ভট্টাচাৰ্যৰ লগতে চামডাং চাহ বাগিচাৰ জ্যেষ্ঠ ফাৰ্মাচিষ্ট দেৱজিতৎ মহন্তও উপস্থিত থাকে। শেষত ড° ভূপেন হাজৰিকাৰ "মানুহে মানুহৰ বাবে" শীৰ্ষক গীতটি পৰিৱেশনেৰে অনুষ্ঠানটি সামৰণি মাৰে।

# 'আটছা'ৰ শীৰ্ষ পদত জয়ী লখিমপুৰৰ সুনীল তিৰ্কী

## উৎফুল্ল লখিমপুৰবাসী; দল-সংগঠনৰ শুভেচ্ছা

**অসম বাৰ্তা, লীলাবাৰী, ২০ অক্টোবৰ ঃ** স্বাধীনতাৰ চাৰি মাহৰ পাছতেই চাইমন সিং হ'ৰ', সন্তোষ কুমাৰ টপ্প, ৰাখাল নাগ, খ্ৰীষ্ট প্ৰসাদ চাংগা, নাথানিয়েল হ'ৰ', আনন্দ মাছি বাৰ্লা, ভেলেণ্টাইন কেৰকেট্টা, বিমল নাগ, এবেঞ্জাৰ হেৰেঞ্জ, স্নেহমাছি বাৰ্লা, আৰদান নাগ আদি মহাবিদ্যালয়ত অধ্যয়নৰত বিদ্যা-উৎসাহী, সমাজ সচেতকৰ প্ৰচেষ্টাত 'অসম ছোটনাগপুৰী ছাত্ৰ সন্মিলন'য়ে আত্মপ্ৰকাশ কৰিছিল। ছোটনাগপুৰী ছাত্ৰ সন্মিলনে ১৯৫৩ বৰ্ষত 'সদৌ অসম চাহ বাগিচা সম্প্ৰদায় ছাত্ৰ সন্থা', ১৯৬৮ বৰ্ষত 'অসম চাহ মজদুৰ ছাত্ৰ সন্থা', ১৯৭০ বৰ্ষত 'অসম চাহ মজদুৰ জনজাতি ছাত্ৰ সন্থা' ৰূপে কাৰ্যনিৰ্বাহ কৰা সংগঠনটোৱে ১৯৭৬ বৰ্ষত 'অসম চাহ জনজাতি ছাত্ৰ সন্থা' চমুকৈ 'আটছা' নাম লৈ অসমৰ চাহ বাগিচা অঞ্চল তথা গাঁৱত বসবাস কৰা লোকসকলক সামাজিক, অৰ্থনৈতিক আৰু সাংস্কৃতিকভাৱে সচেতন কৰাৰ লগতে জাতিগত অধিকাৰ সন্দৰ্ভত সজোৰে মাত মাতি আহিছে। 'আটছা' সাম্প্ৰতিক অসমৰ চাহ জনগোষ্ঠী তথা আদিবাসী লোকসকলৰ এক শক্তিশালী আৱাজ। অসম চাহ জনজাতি ছাত্ৰ সন্থা চমুকৈ 'আটছা'ৰ উনবিংশতম মৰিয়নী অধিৱেশনত সংগঠনটোৰ সাধাৰণ সম্পাদক পদত লখিমপুৰৰ কয়লামাৰী চাহ বাগিচাৰ সু-সন্তান সুনীল তিৰ্কীয়ে জয়ী হোৱাৰ খবৰ পাই লখিমপুৰৰ চাহ বাগিচা অঞ্চলৰ লোকসকল উৎফুল্ল হৈছে। প্ৰণিধানযোগ্য যে, সুনীল তিৰ্কী 'আটছা' সংগঠনটোৰ মুখ্যতম শীৰ্ষ পদত অধিষ্ঠিত হোৱা দ্বিতীয়জন লখিমপুৰৰ ছাত্ৰনেতা। লখিমপুৰৰ প্ৰথমজন 'আটছা' নেতা প্ৰয়াত নন্দেশ কুমাৰ পৰজাই সত্তৰ-আশী দশকত উত্তৰ অসমৰ মুখ্যতম শীৰ্ষ পদত অধিষ্ঠিত হৈছিল। বিগত সময়চোৱাত তিৰ্কীয়ে জিলাখনৰ চাহ জনগোষ্ঠী-আদিবাসী ৰাইজৰ পক্ষে সেৱা আগবঢ়াই আহিছে। তেখেতে 'আটছা'ৰ লখিমপুৰ শাখা সমিতিৰ শীৰ্ষ পদত কাৰ্যনিৰ্বাহ কৰাৰ উপৰিও দুটা কাৰ্যকাল লখিমপুৰ জিলা সমিতিৰ সম্পাদক ৰূপে কাৰ্যনিৰ্বাহ কৰিছিল। ২০২০ বৰ্ষত 'আটছা'ৰ ডিব্ৰুগড় চাউলখোৱা অধিৱেশনত তিৰ্কীয়ে সভাপতি ধীৰাজ গোৱালাৰ নেতৃত্বত সহকাৰী সম্পাদক হিচাপে কেন্দ্ৰীয় সমিতিত কাৰ্যনিৰ্বাহ কৰিছিল। তেখেতে ২০২৫ বৰ্ষৰ উনবিংশতম মৰিয়নী অধিৱেশনত সাধাৰণ সম্পাদক ৰূপে প্ৰতিদ্বন্দ্বিতা কৰি জয়ী হ'বলৈ সক্ষম হয়। উল্লেখ্য যে, সংগঠনটোৰ সভাপতি ধীৰাজ গোৱালাৰ নেতৃত্বত যোৰহাটৰ মৰিয়নী মহাবিদ্যালয় প্ৰাংগণত অনুষ্ঠিত উনবিংশতম সাধাৰণ অধিৱেশনত পৰৱৰ্তী সভাপতি হিচাপে গোলাঘাটৰ ছাত্ৰনেতা জগদীশ বড়াইক আৰু সাধাৰণ সম্পাদক হিচাপে লখিমপুৰৰ সুনীল তিৰ্কীক গোপন ভোটেৰে নিৰ্বাচিত কৰে। সুনীল তিৰ্কীয়ে সাধাৰণ সম্পাদক হিচাপে জয়ী হৈ সংগঠনটোৰ শীৰ্ষ দায়িত্ব পোৱাত লখিমপুৰৰ বিভিন্ন দল-সংগঠনে তেখেতলৈ শুভেচ্ছা জনাইছে। সদৌ অসম আদিবাসী ছাত্ৰ সন্থা চমুকৈ 'আছা'ৰ সভাপতি গডউইন হেমৰমে চাহ জনগোষ্ঠী তথা আদিবাসী জনগোষ্ঠীৰ হকে, অধিকাৰৰ ক্ষেত্ৰত অধিক সক্ৰিয় হোৱাৰ আহ্বান জনায়। লখিমপুৰ জিলাৰ আদিবাসী ছাত্ৰ সন্থা, আছু, বীৰ লাচিত সেনা, অসমীয়া যুৱ মঞ্চ, জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদ, চাহ মজদুৰ সংঘই 'আটছা'ৰ নৱ-নিৰ্বাচিত সাধাৰণ সম্পাদক সুনীল তিৰ্কীক শুভেচ্ছা আৰু অভিনন্দন জনাইছে।

# টংলাৰ দাপোন দ্য মিৰৰত প্ৰাণৰ শিল্পী জুবিন গাৰ্গৰ এমহীয়া মৃত্যু তিথি পালন

## কৌশিকী গঙ্গাত চিতাভস্মা বিসৰ্জন, স্মৃতিসৌধ উন্মোচন

**ষ্টাফ ৰিপৰ্টাৰ, টংলা, ২০ অক্টোবৰ ঃ** জুবিনে ন্যায় পাবই। জুবিনক অন্যায় কৰাসকল শাস্তি পাবই। জুবিনে মানুহৰ মাজত জীয়াই আছে। সদায় জীয়াই থাকিব। জুবিনৰ ন্যায়ৰ বাবে আমি ধৈৰ্যৰে অপেক্ষা কৰিছো বুলি ঈশ্বৰ পুত্ৰ জুবিন গাৰ্গৰ এমহীয়া শ্ৰদ্ধাঞ্জলি অনুষ্ঠান আৰু স্মৃতিসৌধ উন্মোচন উপলক্ষে আয়োজিত অনুষ্ঠানত দাপোন দ্য মিৰৰ নামৰ অপেছাদাৰী নাট্যগোষ্ঠীৰ সঞ্চালক পবিত্ৰ ৰাভাই এইদৰে কয়। আজি ওদালগুৰি জিলাৰ টংলা থানাৰ অন্তৰ্গত জলাহস্থিত দাপোন দ্য মিৰৰ আৰু জুবিন গাৰ্গ ফেন ক্লাব, টংলাৰ উদ্যোগত আয়োজিত অনুষ্ঠানত হিমাংগী ৰাভা আৰু লহৰ ৰাভাই আটক ধুনীয়াকৈ সজোৱা প্ৰাণৰ শিল্পী জুবিন গাৰ্গৰ প্ৰতীকী স্মৃতিসৌধ উন্মোচন কৰে। স্মৃতিসৌধ উন্মোচনী আৰু এমহীয়া শ্ৰদ্ধাঞ্জলি অনুষ্ঠানত অংশগ্ৰহণ কৰি অৰুণাচল প্ৰদেশৰ আৰ্টিষ্ট ফৰাম এণ্ড চেকেটাৰী চিএম ফাউণ্ডেছনৰ উপদেষ্টা তথা জনপ্ৰিয় কণ্ঠশিল্পী অশোক চনাম, নৰ্থ ইষ্ট আইডলৰ চেয়াৰ পাৰচন নাবাম আমজি তাজৌ, , সদস্য ইতাক লামৰাৰ, স্থানীয় এমচিএলএ অৰ্জুন দৈমাৰীৰ লগতে বৃহত্তৰ টংলা অঞ্চলৰ বিশিষ্ট সাহিত্যিক, নাগৰিক, আইমাতৃ, শিশু, যুৱক - যুৱতী আৰু বিভিন্ন ৰাজনৈতিক - অৰাজনৈতিক দল সংগঠনৰ প্ৰতিনিধিয়ে পুষ্পাঞ্জলি অৰ্পণ কৰে। অৰুণোদয় একাডেমীৰ ছাত্ৰই গীত পৰিৱেশন কৰা লগতে জলাহ নভঙা শ্ৰীমন্ত শঙ্কৰদেৱ সত্ৰৰ বাপ আৰু আইমাতৃয়ে দিহা নাম পৰিৱেশন কৰে। চিত্ৰশিল্পীসকলৰ দ্বাৰা মহানায়াক জুবিন গাৰ্গৰ চিত্ৰ অংকন আৰু চিত্ৰৰ জৰিয়তে জুবিনৰ ন্যায়ৰ বাবে প্ৰতিবাদ সাব্যস্ত কৰা কাৰ্যসূচীত বিশিষ্ট চিত্ৰশিল্পী ৰবিৰাম ব্ৰহ্মই জুবিন গাৰ্গৰ বিমূৰ্ত ছবি অংকনেৰে শুভাৰম্ভ কৰে। জুবিন গাৰ্গ ফেন ক্লাবৰ উপদেষ্টা কনক সেন ডেকাই আঁত ধৰা আৰু দৰং জিলাৰ নাগাৰা নামৰ বিশিষ্ট পাঠক মুকুট হাজৰিকাই নাগাৰা নাম পৰিৱেশনেৰে অনুষ্ঠানটো সৌষ্ঠভ বৃদ্ধি কৰা লগতে নাগাৰা নামৰ জৰিয়তে জুবিন গাৰ্গৰ বিৰল জীৱন কৰ্ম, আদৰ্শ গুণানুকীৰ্তন কৰে। দাপোন দ্যা মিৰৰত এমাহ ধৰি ৰখা জুবিন গাৰ্গৰ চিতাভস্ম আজি পুৱা এমহীয়া মৃত্যু তিথি উপলক্ষে দাপোন দ্য মিৰৰ, জুবিন গাৰ্গ ফেন ক্লাবৰ পৰিয়াল আৰু স্থানীয় ৰাইজে কৌশিকী গঙ্গাত বিসৰ্জন দিয়ে। সন্ধিয়া স্থানীয় গায়ক -গায়িকাই গণশিল্পী জুবিন গাৰ্গৰ গীত গাই স্মৰণ কৰে। দাপোন দ্য মিৰৰ সঞ্চালক তথা বিশিষ্ট নাট্য যোদ্ধা পবিত্ৰ ৰাভা, সদৌ অসম জুবিন গাৰ্গ ফেন ক্লাবৰ সহকাৰী সম্পাদক তথা জুবিন গাৰ্গ ফেন ক্লাবৰ টংলাৰ সভাপতি ৰিপুল বড়ো আৰু সম্পাদক সীমাংসা বড়োচাই জুবিন গাৰ্গৰ এমহীয়া মৃত্যু তিথি উপলক্ষে আয়োজিত অনুষ্ঠানত সহায় - সহযোগ কৰাবাবে সকলোকে আন্তৰিক ধন্যবাদ আৰু কৃতজ্ঞতা জ্ঞাপন কৰে।

# ধমধমাৰ নাহেৰবাৰীত বড়ো জনগোষ্ঠীৰ লখিমী

**অসম বাৰ্তা, ধমধমা, ২০ অক্টোবৰ ঃ** ধমধমা নিকটৱৰ্তী নাহেৰবাৰীত নলবাৰী জিলা বাথৌ মহাসভা উদ্যোগত পঞ্চম সংখ্যক মাইনাও খেৰাই উৎসৱ নাহেৰবাৰী বাথৌ মন্দিৰ প্ৰাংগনত দুদিনীয়া বৰ্ণাঢ্য কাৰ্যসূচীৰে পালন কৰা হৈছে। দ্বিতীয় দিনাৰবিভিন্ন কাৰ্যসূচী ৰূপায়ণ কৰে। নলবাৰী জিলা বড়ো জনগোষ্ঠী অধ্যুষিত গাওঁ সমূহৰ পৰা এই অনুষ্ঠানত অংশ গ্ৰহণ কৰা কৰে। অনুষ্ঠানটোত ধৰ্মীয় আলোচনা চক্ৰৰ উপৰিও বড়ো জনগোষ্ঠীয় বিষয়ে আলোচা কৰা হয়। অনুষ্ঠানটিত বড়ো সমাজৰ বহু কেইগৰাকীমান গণ্যমান্য ব্যক্তি সকলে অংশগ্ৰহণ কৰে। বাথৌ ধৰ্ম তত্বাৰ বিষয়ে গভীৰভাৱে আলোকপাত কৰাৰ লগতে বড়ো জনগোষ্ঠীৰ সমূহীয়া আৰোজ অনুষ্ঠিত কৰা হয়। সন্ধিয়া লখিমী আদৰণি, যাক মাইনাও খেৰাই উৎসৱ বুলি কোৱা হয়। য'ত সকলোৱে বড়ো জনগোষ্ঠীৰ বাদ্যযন্ত্ৰৰ তালে তালে আই লখিমীক সম্ভাষণ জনাই। খেতিপথাৰ শস্য নদনবদন হ'বলৈ আৰু পোক-পৰুৱাই খেতি বাতি অনিষ্ট নকৰিবলৈ এই উৎসৱটি বড়ো সকলে আদিম যুগৰ পৰা কৰি আহিছে। আনুষ্ঠানিকভাৱে পাঁচটা বছৰ ধৰি সমূহীয়া ভাৱে নাহেৰবাৰী বাথৌ মন্দিৰ প্ৰাংগনত অনুষ্ঠিত কৰি আহিছে এই উৎসৱ। পূৰ্বে এই উৎসৱ ঘৰে ঘৰে অনুষ্ঠিত কৰা হৈছিল। কিন্তু যোৱা পাঁচ বছৰ ধৰি নলবাৰী জিলা বড়ো ৰাইজে মিলি এই অনুষ্ঠান অনুষ্ঠিত কৰি আহিছে।

# বাহনা মহাবিদ্যালয়ত ড্ৰাগছ বিৰোধী সজাগতা সভা

**অসম বাৰ্তা, নিমাতীঘাট, ২০ অক্টোবৰ ঃ** বাহনা মহাবিদ্যালয়ৰ ৰেড ৰিবন ক্লাব আৰু সমাজসেৱা গোটৰ উদ্যোগত আৰু প্ৰকৃতি গোটৰ সহযোগত ১৭ অক্টোবৰত নিচা জাতীয় দ্ৰব্য বিৰোধী সজাগতা সভা অনুষ্ঠিত হয়। মহাবিদ্যালয়ৰ অধ্যক্ষ ড° চুম্বিত চলিহাৰ সভাপতিত্বত অনুষ্ঠিত সভাত প্ৰকৃতি গোটৰ সদস্য তথা ড্ৰাগছ বিৰোধী অভিযানৰ অন্যতম বাটকটীয়া তুষাৰ পাল আৰু প্ৰশান্ত কলিতাই ড্ৰাগছৰ অপকাৰীতা আৰু ইয়াৰ ব্যৱহাৰৰ ফলত নিজৰ লগতে কেনেদৰে সমাজ এখনক ধংসৰ দিশলৈ আগবঢ়ায় নিয়ে সেই বিষয়ে ব্যাখ্যা কৰে। ছাত্ৰ-ছাত্ৰীসকলক এনে ৰৱবিহৰ পৰা আঁতৰি থকাৰ লগতে বন্ধু-বান্ধৱসকলকো আঁতৰাই ৰাখিবৰ বাবে তেওঁলোকে আহবান জনায়। সভাত যোৰহাট জিলাৰ উপ আৰক্ষী অধীক্ষক প্ৰণৱ পাটোৱাৰী, টীয়ক সমজিলাৰ সহ উপ আৰক্ষী অধীক্ষক দেৱলীনা ভট্টাচাৰ্য আৰু যোৰহাট জিলা কৃষি বিষয়া দেৱজিত দত্তই বক্তব্য আগবঢ়ায়। মহাবিদ্যালয়ৰ ৰেড ৰিবন ক্লাবৰ আহবায়ক দিলীপ তামাঙে আঁত ধৰা সভাত যুৱসমাজকৰ্মী দীপক হাজৰিকা আৰু মহাবিদ্যালয়ৰ সমাজসেৱা গোটৰ আহবায়ক ভাস্কৰ দুৱৰাই অংশ গ্ৰহণ কৰে।

## বানে গৰকা কামপুৰ কঠীয়াতলি পথাৰত জ্বলিল হাজাৰ হাজাৰ বন্তি

# কৃষকৰ মুখত আশাৰ সঞ্চাৰ

**অসম বাৰ্তা, কামপুৰ, ২০ অক্টোবৰ ঃ** অমৰ শিল্পী জুবিন গাৰ্গ বিহীন প্ৰথমটো বিহু উদ্‌যাপন কৰিলে অসমীয়াই। এইখিনি সময়ত শিল্পীজনৰ মৃত্যুৰ খবৰত ম্ৰিয়মাণ হৈ থকাৰ অৱস্থাত পৰম্পৰা অনুসৰি উদযাপন কৰিলে কাতি বিহু। সমগ্ৰ অসমৰ লগতে নগাঁও জিলাৰ কামপুৰ -কঠীয়াতলিটো পৰম্পৰা অনুসৰি উদযাপন কৰিলে কাতি প্ৰতিবছৰে বানত হাবু ডুবু খোৱা কামপুৰ -কঠীয়াতলিৰ কৃষক এইবাৰ উৎসাহিত। আজি কাতি বিহুৰ দিনা কামপুৰ আৰু কঠীয়াতলি অঞ্চলৰ পথাৰত জ্বলিল অজস্ৰ বন্তি। উল্লেখ্য যে চলিত বৰ্ষৰ দুটা কৈ বানপানীৰ হে যোৱাৰ পাছত চিন্তিত হৈছিল কৃষক। কিন্তু এতিয়া প্ৰকৃতি কৃষকৰ পক্ষত। আঘোনত কৃষিভূমি সমূহ সোণোৱালী হোৱাৰ আশাৰ সঞ্চাৰ হৈছে দুয়োটা অঞ্চলৰ কৃষকৰ মনত। লাহে লাহে শস্যৰে সোণোৱালী হৈছে পথাৰ। পৰম্পৰাক সাক্ষী কৰি আজি সন্ধ্যাৰ ভাগত কৃষক সকলে ওলাই আহি নিজ নিজ সোণোৱালী পথাৰত এগছি বন্তি প্ৰজ্বলন কৰি সেৱা আগবঢ়ায়। বছৰটোৰ বাবে অতি কষ্টেৰে কৰা খেতি ডৰাত যাতে শস্য উৎপাদন ভাল হয় তাৰ কামনা কৰি সোণোৱালী পথাৰত এগছি বন্তি প্ৰজ্বলন কৰি নেদেখাজনৰ ওচৰত প্ৰাৰ্থনা জনায় সকলোৱে। আহিনৰ সংক্ৰান্তিত পালন কৰা হয় এই উৎসৱৰ এই সময়ছোৱাত ভঁৰালত ধান প্ৰায় উদং হয় আৰু শালি ধান চপোৱাৰ বাবে বহু সময় বাকী থাকে। তথাপিও অভাৱ অনাটনৰে ভৰা এই সময়ছোৱাত কৃষকে উদযাপন কৰিছে কাতি বিহু। কামপুৰ -কঠীয়াতলিত ঘৰে ঘৰে তুলসীৰ পুলি ৰুই গধূলি তাৰ গুৰিত চাকি জ্বলাই নাম গায় সেৱা আগবঢ়ায়।

# বিটিচি পাৰিষদ শুকুৰসিং মুছাহাৰী সম্বৰ্ধনা অনুষ্ঠান

**অসম বাৰ্তা, বাসুগাঁও, ২০ অক্টোবৰ ঃ** বিটিচি'ৰ চিৰাং জিলাৰ অন্তৰ্গত বিজয়গাঁও আঞ্চলিক ৰত্নপীঠ সংঘ আৰু পুথিভঁৰালৰ উদ্যোগত আৰু বিজয়গাওঁবাসী ৰাইজৰ সহযোগত আজি ১৩ নং চিৰাং পৰিষদীয় সমষ্টিৰ পৰা নৱ-নিৰ্বাচিত পাৰিষদ শুকুৰসিং মুছাহাৰী দেৱৰ সম্বৰ্ধনা অনুষ্টান বিজয়গাঁও হাইস্কুল প্ৰাঙ্গণত অনুষ্ঠিত হয়। উল্লেখযোগ্য যে ১৩ নং চিৰাং পৰষদীয় সমষ্টিৰ পৰা মুছাহাৰী দেৱে বিপুল ভোটত জয়ী হোৱাৰ বাবে সমষ্টিবাসীৰ লগতে বিজয়গাঁওবাসীও গৌৰৱান্বিত হৈছে। সেয়ে আজি আনুষ্ঠানিকভাৱে পাৰিষদ গৰাকীলৈ ৰাজহুৱা সম্বৰ্ধনা জ্ঞাপন কৰে। উক্ত সম্বৰ্ধনা অনুষ্ঠানত বিজয়গাঁও আঞ্চলিক ৰত্নপীঠ সংঘ আৰু পুথিভঁৰালৰ হৈ সভাপতি আনন্দ সৰকাৰ আৰু ৰাজু কুমাৰ ৰায়ে, শ্ৰীমন্ত শঙ্কৰদেৱ সঙঘৰ বিজয়গাঁও প্ৰাথমিক শাখাৰহৈ নাৰায়ণ ৰায় আৰু বানেশ্বৰ ৰায়ে, বিজয়গাঁও হাইস্কুলৰহৈ প্ৰধানশিক্ষক সুসান্ত গুপ্তাই, আক্ৰাছুৰ বাসুগাঁও আঞ্চলিকৰ পৰা সভাপতি স্বপন কুমাৰ ৰায়ৰ লগতে স্থানীয় ৰাইজে নৱনিৰ্বাচিত পাৰিষদ শুকুৰসিং মুছাহাৰী দেৱলৈ সম্বৰ্দ্ধনা জনায়। উক্ত অনুষ্ঠানত পাৰিষদ গৰাকীয়ে বিটিচি প্ৰধান হাগ্ৰামা মহিলাৰী দেৱে নিৰ্বাচনত ৰাইজৰ প্ৰতি দিয়া প্ৰতিশ্ৰুতিসমূহ পূৰন কৰাৰ উদ্দেশ্যৰে ৰাইজৰ কাম কৰিব বুলি বক্তব্য আগবঢ়ায়। বিজয়গাওঁবাসী ৰাইজৰ পৰা বানেশ্বৰ ৰায়, উত্তম চক্ৰবৰ্তী, পিযুঁজ বৰ্মনৰ লগতে ৰত্নপীঠ সংঘৰ সম্পাদক ৰূপম চন্দ্ৰ ৰায়ে ৰাজহুৱা সমস্যাসমূহ আজিৰ অনুষ্ঠানত দাঙি ধৰে।

# বড়োলেণ্ড বিশ্ববিদ্যায়ত আন্তঃৰাষ্ট্ৰীয় আলোচনা চক্ৰ সম্পন্ন

**ষ্টাফ ৰিপৰ্টাৰ, গোলাঘাট, ২০ অক্টোবৰ ঃ** বড়োলেণ্ড বিশ্ববিদ্যালয়ৰ ইতিহাস বিভাগ আৰু ইংৰাজী বিভাগৰ উদ্যোগত তথা বীৰাংগনা সতী সাধনী বিশ্ববিদ্যালয় আৰু ভট্টদেৱ বিশ্ববিদ্যালয়ৰ সহযোগত ১৬-১৭ অক্টোবৰ পৰ্যন্ত অনুষ্ঠিত হয় আন্তঃৰাষ্ট্ৰীয় আলোচনা চক্ৰ। আলোচনাৰ বিষয় আছিল 'Reclaiming IKS: Global South in Focus'। বিশ্ববিদ্যালয়কেইখনৰ মাজত হোৱা বুজা পৰা চুক্তি (MoU) অনুযায়ী যুটীয়াভাৱে এই আলোচনা সত্ৰত পৃথিৱীৰ বিভিন্ন দেশৰ ১৫০জন গৱেষকে অংশ লৈছিল আৰু Global southৰ বিভিন্ন জাতি-জনগোষ্ঠীৰ বিষয়গত দিশক ইয়াত উপস্থাপন কৰা হৈছিল। অনুষ্ঠানত বড়োলেণ্ড বিশ্ববিদ্যালয় আৰু সতী সাধনী বিশ্ববিদ্যালয়ৰ উপাচাৰ্য, ভট্টদেৱ বিশ্ববিদ্যালয়ৰ শৈক্ষিক পঞ্জীয়ক, বড়োলেণ্ড বিশ্ববিদ্যালয়ৰ পঞ্জীয়ক, শৈক্ষিক পঞ্জীয়ক উপস্থিত থাকি সৌষ্ঠৱ বৃদ্ধি কৰে। সতী সাধনী বিশ্ববিদ্যালয়ৰ ইংৰাজী বিভাগৰ অধ্যাপক ড° মানস প্ৰতীম বড়া, ড° দেৱভূষণ বৰা তথা ড° প্ৰত্যুষ ভৌমিক আৰু সুদেৱ বসুমতাৰীয়ে অনুষ্ঠানৰ সমন্বয়ক হিচাপে দায়িত্ব পালন কৰে। এই ক্ষেত্ৰত আন্তঃৰাষ্ট্ৰীয় বক্তা হিচাপে Central Connecticut State Universityৰ প্ৰবক্তা অনলাইনৰ জৰিয়তে উপস্থিত থাকে। অনুষ্ঠানত নিমন্ত্ৰিত বক্তা হিচাপে থাকে প্ৰাধ্যাপক নিৰ্মল সিলভামনি, ড° জন চাৰ্লচ ৰিয়ান, প্ৰাধ্যাপক মৰগেন নিকিউলিকো নিদলভ', প্ৰাধ্যাপক ওম প্ৰকাশ দ্বিবেদী, ড° সুভদ্বীপ পল, ড° প্ৰতীক, ড° বিমান দেৱবৰ্মা আৰু গায়েত্ৰী ৰানা। থলুৱা জ্ঞান পৰম্পৰা(indigenous knowledge system)ক কেন্দ্ৰত ৰাখি প্ৰণয়ন কৰা নিৰ্বাচিত আলোচনা পত্ৰ পৃথিৱীৰ আন্তঃৰাষ্ট্ৰীয় প্ৰকাশন গোষ্ঠীৰ বিদ্যায়তনিক জাৰ্ণালত প্ৰকাশৰ পৰিকল্পনা কৰা হৈছে বুলি সমন্বয়কৰ দ্বাৰা জানিব পৰা গৈছে।

# মাজুলীত কংগ্ৰেছ-বিজেপিৰ পৃথকে পৃথকে জুবিন গাৰ্গৰ মাহেকীয়া আদ্যশ্ৰাদ্ধ-শ্ৰদ্ধাঞ্জলি অনুষ্ঠান

**অসম বাৰ্তা, মাজুলী, ২০ অক্টোবৰ ঃ** ৰাজনৈতিক ভাৱে দুই মেৰুত অৱস্থান কৰা ভাৰতৰ প্ৰধান ৰাজনৈতিক দল কংগ্ৰেছ আৰু বিজেপি দলক মাজুলীত একে উদ্দেশ্যত উপনীত কৰালে অসমৰ হিয়াৰ আমঠু জুবিন গাৰ্গৰ অকাল মৃত্যুৱে। অসম আৰু অসমীয়াৰ প্ৰাণৰ শিল্পী জুবিন গাৰ্গৰ মহাপ্ৰয়াণৰ এমাহ সম্পূৰ্ণ হোৱা উপলক্ষে আজি মাজুলী জিলা কংগ্ৰেছ আৰু বিজেপি দুই ৰাজনৈতিক দলে পৃথকে পৃথকে পালন কৰে মাহেকীয়া আদ্য শ্ৰাদ্ধ আৰু শ্ৰদ্ধাঞ্জলি অনুষ্ঠান। সেই উপলক্ষে মাজুলী জিলা কংগ্ৰেছৰ উদ্যোগত গড়মূৰস্থিত ৰাজীৱ ভৱনত জিলা কাৰ্যালয়ৰ প্ৰাঙ্গণত প্ৰথম কায্যসূচী হিচাপে নাহৰ পুলি ৰোপণ কৰে অসম প্ৰদেশ কংগ্ৰেছ কমিটিৰ উপ সভাপতি ৰাজীৱ লোচন পেগু আৰু মাজুলী ব্লক কংগ্ৰেছৰ সভাপতি লক্ষ্য গায়নে। তাৰ পাছতে জুবিন গাৰ্গৰ আলোকচিত্ৰৰ সন্মুখত বন্তি প্ৰজ্বলন কৰি পুষ্পাঞ্জলী অৰ্পণ কৰি শ্ৰদ্ধা নিবেদন কৰি গভীৰ ভাৱে শ্ৰদ্ধাঞ্জলি নিবেদন কৰে জিলা কংগ্ৰেছৰ সভাপতি অমল পূজাৰীয়ে। তাৰ পাছত ভাগৱত পাঠ আৰু আইসকলৰ দিহানাম পৰিৱেশনেৰে এক স্মৃতিচাৰণ অনুষ্ঠানৰ এক আধ্যাত্মিক অনুষ্ঠান সম্পন্ন কৰা হয়। জিলা কংগ্ৰেছৰ প্ৰশাসনিক সাধাৰণ সম্পাদক দিনমণি দত্তই আঁত ধৰা অনুষ্ঠানত ভাগৱত পাঠ কৰে মৃদুল দাস, প্ৰণৱ দাস, বিমান ভড়াঁলী, আকাশ মুক্তিয়াৰে আৰু দিহানাম পৰিৱেশন কৰে তামোলঘুলী গাৱঁৰ যুৱক-যুৱতীৰ দিহানাম দলে। আনহাতে ভাৰতীয় জনতা পাৰ্টি মাজুলী জিলাৰ অন্তৰ্গত চাৰিটা মণ্ডলত সমিতিৰ সৌজন্যত পৃথক চাৰিটা স্থানত পালন কৰে মহান শিল্পী গৰাকীৰ মাহেকীয়া শ্ৰদ্ধাঞ্জলি অনুষ্ঠান। সেই অনুসৰি নামনি মাজুলী মণ্ডল বিজেপিৰ উদ্যোগত চিলাকলা গাওঁ পঞ্চায়তৰে সামূহিক ভৱনত, মধ্য মণ্ডল বিজেপিৰ সমিতিৰ উদ্যোগত জিলা মুখ্য কাৰ্যলয় গড়মূৰৰে বাজপেয়ী ভৱনত, উজনি মণ্ডল সমিতিয়ে জেংৰাই মুখত, আৰু দক্ষিণ পূব মণ্ডলত ৰূপালী ৰংগমঞ্চত হিয়াৰ আমঠু জুবিন গাৰ্গক গভীৰ ভাৱে শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে আত্মাৰ শান্তি আৰু সাদগতিৰ বাবে প্ৰাৰ্থনা জনায়। মধ্য মণ্ডলৰ শ্ৰদ্ধাঞ্জলি অনুষ্ঠানত বিধায়ক ভুবন গামে, নামনি মণ্ডলত প্ৰাক্তন সভাপতি বীৰেন শইকীয়াই, উজনি মণ্ডলত জিলা বিজেপিৰ সভাপতি দীপক গোস্বামীয়ে, আৰু দক্ষিণ পূব মণ্ডলৰ অনুষ্ঠানত প্ৰাক্তন সভাপতি প্ৰমোদ বৰাই সমল ব্যক্তি হিচাপে উপস্থিত থাকি ভাষণ প্ৰদান কৰে। অনুষ্ঠান মণ্ডল সমূহৰ সভাপতি সকলৰ প্ৰমুখ্যে কাৰ্যকৰ্তা সকলে অংশগ্ৰহণ কৰে।

# জুবিন গাৰ্গৰ ন্যায়ৰ দাবীত ডবকাত অনশন কাৰ্যসূচী

**অসম বাৰ্তা, মোৰাঝাৰ, ২০ অক্টোবৰ ঃ** আজি পুৱাৰ ভাগৰে পৰা সন্ধিয়ালৈকে সমগ্ৰ ৰাজ্যজুৰি অসম জাতীয়তাবাদী যুৱ ছাত্ৰ পৰিষদে অসমৰ হিয়াৰ আমঠু কণ্ঠশিল্পী জুবিন গাৰ্গৰ মৃত্যুৰ ন্যায়ৰ দাবীত অনশন কাৰ্যসূচী ৰূপায়ণ কৰিছে। তাৰে সমান্তৰালকৈ এ জে ওৱাই চি পি হোজাই জিলা সমিতিৰ সভাপতি জাইদুল লস্কৰ আৰু সাধাৰণ সম্পাদক পাৰভেজ লস্কৰৰ নেতৃত্বত প্ৰায় অৰ্ধশতাধিক এ জে ওৱাই চি পি কৰ্মীয়ে ডবকাৰ কানাড়া বেংকৰ সন্মুখত দিনযোৱা কাৰ্যসূচীৰে প্ৰতিবাদ সাব্যস্ত কৰে। উল্লেখ্য যে জুবিন গাৰ্গৰ মৃত্যুৰ আজি এমাহ সময় ওকলি যোৱাৰ পিছতো অসম চৰকাৰে ন্যায় প্ৰদান নকৰাৰ বাবে এই অনশনৰ জৰিয়তে অসম চৰকাৰক কঠোৰভাৱে সমালোচনা কৰে জাইদুল লস্কৰ আৰু পাৰভেজ লস্কৰে। অনশন কাৰ্যসূচীৰ অন্তত সংবাদ মাধ্যমৰ জৰিয়তে অসমৰ হিয়াৰ আমঠু জুবিন গাৰ্গৰ মৃত্যুৰ ন্যায় প্ৰদান কৰিবলৈ অসম চৰকাৰক দাবী জনায়। অসম চৰকাৰে শীঘ্ৰেই জুবিন গাৰ্গৰ মৃত্যুৰ ন্যায় দিব নোৱাৰিলে অনাগত দিনত আৰু ভয়াৱহভাৱে আন্দোলনৰ কাৰ্যসূচী ৰূপায়ণ কৰিবলৈ বাধ্য হ'ব বুলি অসম চৰকাৰক হুংকাৰ প্ৰদান কৰে এ জে ওৱাই চি পি হোজাই জিলা সমিতিয়ে।

# কবি-সাহিত্যিক মিহিৰ মৌচুম ৰয়ৰ বিয়োগত বঙাইগাঁও জিলাত শোকৰ ছাঁ

**ষ্টাফ ৰিপ'টাৰ, বঙাইগাঁও, ২১ অক্টোবৰ ঃ** অসমৰ এগৰাকী বিশিষ্ট কবি-সাহিত্যিক তথা বঙাইগাঁও জিলাৰ অভয়াপুৰী নিৱাসী মিহিৰ মৌচুম ৰয়ৰ যোৱা নিশা প্ৰায় ১২ মান বজাত চিকিৎসাধীন অৱস্থাতে মৃত্যুবৰণ কৰাত শোকৰ ছাঁ পৰে বিভিন্ন মহলত। জানিব পৰা মতে কিছুদিন ধৰি শাৰীৰিক ভাৱে অসুস্থ হোৱাৰ পৰিপ্ৰেক্ষিতত গুৱাহাটীৰ ব্যক্তিগত চিকিৎসালয়ত চিকিৎসাধীন অৱস্থাত থকা অৱস্থাতে যোৱা নিশা ১২ মান বজাত দেহাৱসান হয় মৃত্যুৰ সময়ত সহধৰ্মিণী ৰঞ্জিতা ৰায়, দুই সাংবাদিক পুত্ৰ বিক্ৰম ৰঞ্জন ৰয়, ধৰমৰঞ্জন ৰয় আৰু প্ৰান্তিক ৰঞ্জন ৰয়কে ধৰি বহু আত্মীয় স্বজন এৰি থৈ যায়। ৰয়ৰ মৃত্যুৰ খবৰ পাইয়ে বহু গুনমুগ্ধই বাসগৃহত উপস্থিত হৈ নশ্বৰ দেহত শেষ শ্ৰদ্ধা জনায়। দুপৰীয়া স্থানীয় শ্মশানত শেষকৃত সম্পন্ন কৰে। কবি মিহিৰ মৌচুম ৰয়ৰ জন্ম হয় ১৯৬৬ চনৰ ৬ মাৰ্চত জিলাখনৰ অভয়াপুৰীৰ ভোমাপাৰা গাঁৱত। পিতৃ মৃগেন্দ্ৰ চন্দ্ৰ ৰায় আৰু মাতৃ মায়াৱতী ৰায়। সৃজনগ্ৰাম ৰাজহ চক্ৰ বিষয়াৰ কাৰ্যালয়ৰ সহায়ক হিচাপে কাম কৰা ৰয়ে সম্প্ৰতি কমতাপুৰ স্বায়ত্ত্ব শাসিত পৰিষদৰ মুখ্য কাৰ্যালয়ত জ্যেষ্ঠ সহায়ক হিচাপে কৰ্মৰত আছিল। ১৯৮৩ চনত "অসম বাণী" কাকতত 'পুহৰ কবিতা' নামেৰে কবিতা প্ৰকাশেৰে আত্ম প্ৰকাশ কৰি অসমৰ কাব্য ৰসিক সমাজত সমাদৃত হৈছিল। "এপৃথিৱী মানুহৰ হৃদয়ৰ উত্তাপ", "এই বাটেৰে এজন মন্ত্ৰী আহিব" শীৰ্ষক কবিতা পুথি, পিণ্টুৰ পৃথিৱী" আৰু "অশ্ৰুবিদ্ধ" গল্প পুথি ৰচনা কৰি সাহিত্য জগতলৈ অৰিহণা যোগাই ছিল। ১৯৯১ চনত অভয়াপুৰীৰ পৰা ৰয়ৰ সম্পাদনাতে "পুৱতি" নামেৰে এখন কাব্যালোচনী প্ৰকাশ কৰিচিল। অসম সাহিত্য সভাৰ আজীৱন সভ্য ৰয়ে অভয়াপুৰী শাখা সাহিত্য সভাৰ পত্ৰিকা সম্পাদক হিচাপে "সম্প্ৰীতি" মুখপত্ৰখনৰ দুটা সংখ্যা প্ৰকাশ কৰিছিল। বহু কেইটা বঁটা আদিৰে সন্মানিত হোৱা ৰয়ে সাহিত্য অকাডেমীয়ে অনুষ্ঠিত কৰা কবি সন্মিলনৰ আহমেদাবাদত একমাত্ৰ অসমীয়া কবি হিচাপে আৰু কোচিত ৬ গৰাকী অসমীয়া কবিৰ এগৰাকী হিচাপে অংশগ্ৰহণ কৰি অসমলৈ সন্মান কঢ়িয়াই আনিছিল। তদুপৰি ৰয় আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ নিয়মীয়া সাহিত্য চ'ৰাৰ এগৰাকী কবি হিচাপে স্বীকৃত কবি। মিহিৰ মৌচুম ৰয়ৰ মৃতদেহত অন্তিম শ্ৰদ্ধা জনোৱা দল-সংগঠন অসম সাহিত্য সভা, বঙাইগাঁও জিলা সাহিত্য সভা, বঙাইগাঁও শতদল সাহিত্য সভা, অভয়াপুৰী শতদল শাখা সাহিত্য সভা, গ্ৰেটাৰ বঙাইগাঁও প্ৰেছ ক্লাৱ, সদৌ বঙাইগাঁও জিলা ছাত্ৰ সন্থা, কমতাপুৰ স্বায়ত্ত্বশাসন পৰিষদৰ হৈ উপাধ্যক্ষ সুকেন ৰায়, পাৰিষদ ক্ৰমে অতুল ৰায়, পূৰবী সৰকাৰ, অভয়াপুৰী জ্যেষ্ঠ নাগৰিক সন্থা, কেৰখাবাৰী শ্ৰীশ্ৰী লক্ষ্মী পূজা সমিতি, তুলুঙীয়া শ্ৰীশ্ৰীমা কালী পূজা সমিতি, তুলুঙীয়া আৱাহন থিয়েটাৰ পৰিচালনা সমিতি, প্ৰাক্তন বিধায়ক ভূপেন ৰায়, জমচেৰ আলি, কচমচ ক্লাৱ, অভয়াপুৰী, বঙাইগাঁও জিলা কংগ্ৰেছ, ভাৰতীয় জনতা পাৰ্টী, অসম গণ পৰিষদ, চিপিআই (এম), জুবিন গাৰ্গ সাংস্কৃতিক মঞ্চ, অভয়াপুৰী যৌথ গণমঞ্চ, অভয়াপুৰী মহাবিদ্যালয়, অভয়াপুৰী মহাবিদ্যালয়ৰ এনএচএচ আৰু এনচিচি, অসম সেনা, অসম উন্নতি সভা, আজুৰ বঙাইগাঁও জিলা সাংবাদিক সন্থা, যোগীঘোপা প্ৰেছ ক্লাৱ, লালমাটি-দুৰামাৰী শ্ৰীশ্ৰী গণেশ মন্দিৰ পৰিচালনা সমিতি, চিলাৰায় জাতীয় বিদ্যালয়, উত্তৰ শালমাৰা, অসম জাতীয়তাবাদী যুৱ ছাত্ৰ পৰিষদ আদি উপস্থিত থাকে।

## কথমপি ৰক্ষা পৰিল কেইবাটাও পৰিয়াল

# ওপৰ চুমৈমাৰীত অগ্নিকাণ্ড ৰজনী দলেৰ ধানৰ ভৰাল ভস্মীভূত

**অসম বাৰ্তা, বনগাঁও, ২১ অক্টোবৰ ঃ** ১৮ অক্টোবৰৰ নিশা প্ৰায় ৯-০০ বজাত সংঘটিত এক অগ্নিকাণ্ডত মাজুলী জিলাৰ কমলাবাৰী থানাৰ অন্তৰ্গত ওপৰ চুমৈমাৰীৰ ৰজনী দলে নামৰ লোক জনৰ এটি ধানৰ ভৰালঁ জ্বলি সম্পূৰ্ণৰূপে ভস্মীভূত হয়। প্ৰাপ্ত বাতৰি অনুসৰি — গাঁওখনৰ আন আন পৰিয়ালৰ দৰে ৰজনী দ'লে নামৰ লোক জনৰ ঘৰটো বিহুৰ পৰম্পৰা পালন কৰি ঘৰৰ ভিতৰে-বাহিৰে যথা যথা স্থানত বন্তি জ্বলাই। সেই দৰে ধান ৰখা লক্ষিমী ভৰালঁৰ দুৱাৰ মুখত চাকি বন্তি জ্বলাই বিহু পালন কৰে। সন্ধিয়া আনন্দ উল্লাসৰে চাকি জ্বলোৱা পৰ্ব্ব সামৰি সকলো শুই পৰে। নিশা প্ৰায় ৯-০০ মান বজাত জুইৰ পোহৰ আৰু ধোৱা কাষতে শুই থকা গৃহস্থ পৰিয়ালৰ ঘৰত সোমোৱাত পৰিয়ালে সাৰ পাই আৰু চিএওৰ বাখৰ কৰাত সমীপৱৰ্তী লোক আহি অশেষ কষ্টৰে জুই নোমোৱাবলৈ সক্ষম হয় যদিও ভৰালত থকা ধান আৰু খেৰৰ ভৰালটি সম্পূৰ্ণৰূপে ভস্মীভূত হয়। কপালৰ ঘাম মাটিত পেলাই বছৰৰ বাবে ৰখা প্ৰায় পঞ্চাশ হাজাৰ টকাৰ মূল্যৰ ধান নিমিষতে জুইত জাহ যোৱাত পৰিয়ালটিয়ে মূৰে কপালে হাত দিব লগা হৈছে। ৰাইজ তথা পৰিয়ালে সন্দেহ কৰা মতে কাতি বিহুৰ লক্ষিমী ভৰালঁত দিয়া বন্তিৰ জুই নিৰ্ব্বাপিত হৈ ভৰালতঁ জুই লাগে। উল্লেখ থাকিল যে নিৰ্বাপিত অগ্নিয়ে সমীপৱৰ্তী কেইবাটিও পৰিয়ালৰ খেৰৰ ঘৰলৈ ভাবুকি আনিছিল। সমবেত ৰাইজৰ অপ্ৰান চেষ্টাৰ বাবে সেই পৰিয়াল কেইটা অভাৱনীয় বিপদৰ পৰা দৈৱক্ৰমে ৰক্ষা পৰে। অগ্নি সেৱা বাহিনীক খবৰ দিয়াৰ লগে লগে অগ্নি সেৱা যান আহি গাঁওখনত উপস্থিত হৈছিল যদিও নদীৰ কাষৰ যাতায়তী সুচল পথ নোহোৱাত যানখন আগবাটতে থাকিব লগা হ''ল। কৃষিজীৱি পৰিয়ালটিয়ে সম্প্ৰতি এমুঠি অন্নৰ বাবে চিন্তিত হ'ব লগা হৈছে। কৃষক পৰিয়ালটিক কিছু সকাহ দিয়াৰ বাবে এটি আৰ্থিক ক্ষতিপূৰণ দিবলৈ জিলা প্ৰশাসন তথা স্থানীয় বিধায়কৰ প্ৰমুখ্য ৰাজ্য চৰকাৰক ৰাইজে ইয়াৰে দৃষ্টি গোচৰ কৰে।

# ৰূপহী আঞ্চলিক ছাত্ৰ সন্থাৰ উদ্যোগত জুবিন গাৰ্গৰ শ্ৰদ্ধাঞ্জলি অনুষ্ঠান

**অসম বাৰ্তা, ৰূপহীহাট, ২১ অক্টোবৰ ঃ** প্ৰাণৰ শিল্পী জুবিন গাৰ্গৰ মৃত্যুৰ আজি এমাহ সম্পূৰ্ণ হোৱা দিনটোত ৰূপহীহাটতো ছাত্ৰ সন্থাৰ উদ্যোগত শ্ৰদ্ধাঞ্জলি অনুষ্ঠানৰ আয়োজন কৰা হয়। প্ৰাণৰ শিল্পী জুবিন গাৰ্গ বিহীন এটা মাহত ৰূপহী আঞ্চলিক ছাত্ৰ সন্থাৰ এক মহীয়া শ্ৰদ্ধাঞ্জলি অনুষ্ঠানত শিল্পীগৰাকীক সোঁৱৰণ কৰে। অনুষ্ঠানত জুবিন গাৰ্গ বিহীন এটা মাহ অতিক্ৰম হৈ গল আজিলৈকে ন্যায় নাপালে, অসমবাসীৰ বাবে ইয়াতকৈ লাজৰ বিষয় আৰু হব নোৱাৰে। বিজেপিৰ চৰকাৰ থকাৰ পিছতো ন্যায় বিচাৰি কোৱা কথাটো গ্ৰহণযোগ্য নহয় কেইদিনমান পিছত আকৌ SIT CID য়ে ন্যায় বিচাৰিব এয়া কেনে ধৰণৰ কথা বুলি আছুৰ নেতাই প্ৰশ্ন উত্থাপন কৰে। লগতে অসমত কেন্দ্ৰত বিজেপি চৰকাৰ থকাৰ পিছতো শাসকীয় বিজেপি দলে ন্যায় বিচাৰি সমদল উলিয়াব বুলি কৰা মুখ্যমন্ত্ৰীৰ মন্তব্যক টুলুঙা মন্তব্য আখ্যা দিয়ে ৰূপহী আঞ্চলিক ছাত্ৰ সন্থাই। গোটেই অসমে ন্যায়ৰ দাবী জনায় অহাৰ পিছতো আজিলৈকে একো উত্তৰ দিব পৰা নাই CID, SIT আৰু মুখ্যমন্ত্ৰীয়ে। পানী নসৰাকে তদন্ত হ'ব লাগে অতি শীঘ্ৰে ন্যায় দিব লাগে অন্যথা গতন্ত্ৰানিক ভাৱে আন্দোলন গঢ়ি তুলিব বুলি ৰূপহী আঞ্চলিক ছাত্ৰ সন্থাই হুংকাৰ প্ৰদান কৰে।

## পূব-তেলাহী গাঁও পঞ্চায়তক মাজুলী জিলাত পুনৰ অন্তৰ্ভূক্তিৰ দাবী

# বিশাল গণ সমাৱেশ তথা প্ৰতিবাদী কাৰ্যসূচীত পূৱ-তেলাহী গাঁও পঞ্চায়ত সমন্বয়ৰক্ষী সমিতিৰ আহ্বান

**অসম বাৰ্তা, উজনী মাজুলী, ২১ অক্টোবৰ ঃ** লখিমপুৰ জিলাৰ পূৱ-তেলাহী গাঁও পঞ্চায়তক মাজুলী জিলাত অন্তৰ্ভূক্তিৰ দাবীত আজি বিশাল গণ সমাৱেশ তথা প্ৰতিবাদী কাৰ্যসূচী অনুষ্ঠিত হয়। লখিমপুৰ জিলাৰ আটাইতকৈ পিছপৰা, সৰ্ব দিশতে উপেক্ষিত, স্বাধীনতাৰ ৭৭ বছৰলৈ উন্নয়নৰ মুখ নেদেখা লখিমপুৰ সদৰৰ পৰা বিছিন্ন পূৱ-তেলাহী গাঁও পঞ্চায়তক মাজুলী জিলাত অন্তৰ্ভূক্তিৰ দাবীত আজি পূৱ তেলাহী গাঁও পঞ্চায়ত কাৰ্যালয়ৰ সমীপত অনুষ্ঠিত প্ৰতিবাদী কাৰ্যসূচীত হাজাৰ হাজাৰ লোকে অংশগ্ৰহণ কৰি পূৱ তেলাহীক মাজুলীৰ লগত অন্তৰ্ভূক্ত কৰক, মাজুলীক আমাক লাগিবই, লখিমপুৰৰ পৰা আমাক উলিয়াই দিয়ক, আমাৰ দাবী মানিবই লাগিব, স্বাগতম মাজুলী, আমাৰ দাবী ন্যাৰ্য দাবী, মুখ্যমন্ত্ৰী মহোদয় আমাক মানৱীয় দৃষ্টিৰে বিবেচনা কৰক আদি বিভিন্ন শ্ল'গানেৰে উত্তাল প্ৰতিবাদ সাব্যস্ত কৰে। পূৱ-তেলাহী গাঁও পঞ্চায়ত সমন্বয়ৰক্ষী সমিতিৰ আহ্বানত ৰাইজৰ সহযোগত দিনৰ এঘাৰ বজাৰ পৰা আৰম্ভ এই প্ৰতিবাদী কাৰ্যসূচীত অংশগ্ৰহণ কৰি পূৱ -তেলাহী গাঁও পঞ্চায়ত সমন্বয়ৰক্ষী সমিতিৰ সমন্বয়ক কেনেডী দলেই কয়-পূৱ -তেলাহী পঞ্চায়তবাসী ৰাইজে ২০১৬ বৰ্ষৰ পৰা এক দীঘলীয়া সংগ্ৰাম অব্যাহত ৰাখিছে। ৰাইজৰ দাবীক সন্মান জনাই বিভাগীয় উৰ্ধতন কৰ্তৃপক্ষই পঞ্চায়ত গাঁও সভাৰ জৰিয়তে পূৱ তেলাহী গাঁও পঞ্চায়তক মাজুলী জিলাত অন্তৰ্ভূক্তিৰ ক্ষেত্ৰত ৰাইজৰ মতামত গ্ৰহণৰ বাবে দুবাৰকৈ গাঁও সভা অনুষ্ঠিত কৰিবলৈ নিৰ্দেশনা জাৰি কৰে। সেই অনুসৰি ০৭-০২-২০২২ আৰু ১১-০২-২০২৩ তাৰিখে অনুষ্ঠিত হোৱা পঞ্চায়ত গাঁও সভাই সৰ্বসন্মতি ক্ৰমে পূৱ-তেলাহী গাঁও পঞ্চায়তক মাজুলী জিলাত অন্তৰ্ভুক্তিৰ সমৰ্থনত সিদ্ধান্তগ্ৰহণ কৰে। তেওঁ জানিবলৈ দি কয় যে পঞ্চায়ত গাঁও সভাৰ সৰ্বসন্মত সিদ্ধান্তৰ ভিত্তিত তেলাহী উন্নয়ন খণ্ডৰ খণ্ড উন্নয়ন বিষয়া, লখিমপুৰ জিলা পৰিষদৰ মুখ্য কাৰ্যবাহী বিষয়া আৰু ৰাজহ চক্ৰ বিষয়া উত্তৰ লখিমপুৰে পূৱ-তেলাহী গাঁও পঞ্চায়তক মাজুলী জিলাত অন্তৰ্ভূক্ত কৰিলে ইয়াৰ জনগণ সকলো দিশৰ পৰা উপকৃত হ'ব বুলি লখিমপুৰ জিলাৰ আয়ুক্তলৈ প্ৰতিবেদন প্ৰেৰণ কৰে। সেই মতে জিলা আয়ুক্ত লখিমপুৰে আয়ুক্ত সচিব সাধাৰণ প্ৰশাসন বিভাগ (GAD), দিশপুৰ গুৱাহাটীলৈ পূৱ তেলাহী গাঁও পঞ্চায়তক মাজুলী জিলাত অন্তৰ্ভুক্তিৰ ন্যায্যতা থকাৰ কথা জনাই পত্ৰ নম্বৰ Vide Letter No LDC-103/Delimitation/GP/2021 12/17 dtd 18/05/2022 যোগে প্ৰেৰণ কৰে। লগতে সেই সময়ৰ লখিমপুৰ আৰু মাজুলী জিলাৰ আয়ুক্তদ্বয়ৰ পৰা GAD, জনতা ভৱন, দিছপুৰ, গুৱাহাটীয়ে পূৱ-তেলাহী গাঁও পঞ্চায়তক আঁতৰকৰণ আৰু অন্তৰ্ভুক্তকৰণত জিলা দুখনৰ প্ৰশাসনিক জটিলতা আছে নেকি জানিব বিচাৰে। তেওঁ আৰু জনাই যে আঁতৰকৰণ আৰু অন্তৰ্ভূক্তকৰণত কোনো অসুবিধা নথকাৰ কথা জিলা আয়ুক্তদ্বয়ে GAD সংশ্লিষ্ট বিভাগক অৱগত কৰে। ইয়াৰ পিছত অসম চৰকাৰৰ সাধাৰণ প্ৰসাশন বিভাগৰ আয়ুক্ত সচিবে পূৱ-তেলাহী গাঁও পঞ্চায়তক মাজুলী জিলাত অন্তৰ্ভূক্তিৰ বিৰুদ্ধে কোনোবা ব্যক্তি বা সংগঠনৰ ন্যায়ালয়ত গোচৰ আছে নেকি জানিব বিচাৰি পত্ৰ প্ৰেৰণ কৰে। সেই সম্পৰ্কত কোনো ওজৰ আপত্তি নথকাৰ কথা জনাই আয়ুক্তদ্বয়ে সাধাৰণ প্ৰশাসন বিভাগত অৱগত কৰে। (Vide Letter No- 1) LDC-103/Delimitation/gp/2021 12/22 dtd-24/08/2022 2)Vide Letter No-DCMJ/001/P&RD/2022/3 dtd- 04/07/2022 পঞ্চায়ত আৰু গ্ৰামান্নোয়ন বিভাগ, পাঞ্জাবাৰী, গুৱাহাটীৰ সেই সময়ৰ আয়ুক্ত বিক্ৰম কৈৰীয়ে সমন্বয়ৰক্ষী সমিতিৰ আবেদন আৰু বিভাগীয় নথি পত্ৰ পৰীক্ষা কৰি পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগ, জনতা ভৱন, দিশপুৰ, গুৱাহাটীৰ আয়ুক্ত সচিবলৈ পূৱ-তেলাহী গাঁও পঞ্চায়তক মাজুলী জিলাত অন্তৰ্ভূক্তিৰ ন্যায্যতা প্ৰকাশ কৰাৰ লগতে পঞ্চায়তখনক মাজুলী জিলাত অন্তৰ্ভূক্ত কৰিবলৈ অনুৰোধ জনাই পত্ৰ নম্বৰ Vide Letter No-PDDP/10/2019/429 dtd-29th April 2023. যোগে প্ৰেৰণ কৰে। তদুপৰি পঞ্চায়তৰ অন্তৰ্গত গাঁও উন্নয়ন সমিতি সমূহেও পূৱ-তেলাহী গাঁও পঞ্চায়তক মাজুলী জিলাত অন্তৰ্ভুক্তিৰ ক্ষেত্ৰত আপত্তিবিহীন প্ৰমাণ পত্ৰ প্ৰদান কৰিছে। সেই সকলোখিনিৰ সমান্তৰালকৈ অসমৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা, শিক্ষা, ভৈয়াম জনজাতি আৰু অন্যান্য পিছপৰা শ্ৰেণী কল্যাণ মন্ত্ৰী ডাঃ ৰনোজ পেগু আৰু ১২ নং লখিমপুৰ লোকসভা সমষ্টিৰ সাংসদ প্ৰদান বৰুৱাক কেইবাৰো সাক্ষাৎ কৰি অনুৰোধ জনোৱাৰ অন্তত গত ১৯-০২-২০২৫ তাৰিখে অসমৰ মহামান্য ৰাজ্যপালে সাধাৰণ প্ৰশাসন বিভাগ GAD, জনতা ভৱন, দিছপুৰ, গুৱাহাটীৰ জৰিয়তে CEF NO. 180386/131 আদেশ যোগে পূৱ-তেলাহী গাঁও পঞ্চায়তক মাজুলী জিলাৰ প্ৰশাসনিক ব্যৱস্থাৰ অধীনলৈ অনা বুলি প্ৰকাশ কৰে। কিন্তু অতি ৰহস্যজনকভাৱে বিনা মেঘে বজ্ৰপাত হোৱাৰ দৰে যোৱা ০১-০৩-২০২৫ তাৰিখে CEF NO. 180386/132 আদেশৰ জৰিয়তে GAD, জনতা ভৱন, দিছপুৰ, গুৱাহাটীয়ে পূৱ-তেলাহী গাঁও পঞ্চায়তক মাজুলী জিলাত অন্তৰ্ভুক্তিৰ আদেশত স্থগিতাদেশ জাৰি কৰে। সেই খবৰে পূৱ-তেলাহীবাসীক মৰ্মাহত কৰাৰ লগতে ৰাইজ আজি ক্ষোভিত হৈ পৰিছে।

# জুবৰা খেলৰ বিৰুদ্ধে সৰৱ বীৰ লাচিত সেনা অসম মাকুম আঞ্চলিক সমিতি

**অসম বাৰ্তা, মাকুম, ২১ অক্টোবৰ ঃ** প্ৰাণৰ শিল্পীৰ অকাল বিয়োগত সমগ্ৰ ৰাজ্যজুৰি শোকত ম্ৰিয়মাণ, ই পিনে সমগ্ৰ মাকুম অঞ্চলৰ বিভিন্ন প্ৰান্তত পোহৰৰ উৎসৱ দীপাৱলী উপলক্ষে অবৈধভাৱে জুৱা খেল আৰু সুৰাৰ বিপনীৰ ৰমৰমীয়া ব্যৱসায় চলি থকাক লৈ সৰৱ বীৰ লাচিত সেনা অসম মাকুম আঞ্চলিক সমিতি। শান্তিপূৰ্ণ ভাৱে দীপাৱলী উদ্‌যাপন কৰাৰ উদ্দেশ্যৰে অবৈধ জুৱা খেল আৰু অবৈধ সুৰাৰ বিপণি সমূহ বন্ধ কৰাবৰ বাবে সংগঠনটোৱে আজি মাকুম আৰক্ষী থানাত এখন জাননী দাখিল কৰে। যধে-মধে অবৈধ জুৱা খেল সমূহত যিকোনো অপ্ৰীতিকৰ ঘটনা সংঘটিত হ'লে ইয়াৰ কাৰণে কিন্তু বীৰ লাচিত সেনা অসম মাকুম আঞ্চলিক সমিতিয়ে জগৰীয়া নহয় বুলি সংবাদ মাধ্যমৰ জৰিয়তে অৱগত কৰে। ইয়াৰ পাছতে সংগঠনটোৱে মাকুম চহৰত অনুজ্ঞাপত্ৰ বিহীন কেইবাখনো আতচবাজী বিপনীৰ বিৰুদ্ধে অভিযান চলাই অবৈধভাৱে আতচবাজী বিক্ৰী কৰা বন্ধ কৰি দিয়ে।

## সময় ৰেহাইৰ বাবে দুয়োফালৰ জনসাধাৰণৰ সন্তোষ প্ৰকাশ

# চম্পাৱতী নৈৰ ওপৰত মুকলি বাঁহৰ দলং

**অসম বাৰ্তা, বাসুগাঁও, ২১ অক্টোবৰ ঃ** বাৰিষাত টুলুঙা নাৱেৰে পাৰাপাৰ হ'বলগীয়া হয় দুয়োফালৰ জনসাধাৰণ। নাৱত উঠিবলৈ কেতিয়াবা কেতিয়াবা বহু সময় অপেক্ষা কৰিব লগা হয়। নানা বয়-বস্তু লৈ অথবা মটৰ চাইকেল-স্কুটি নাৱত উঠোঁতে দুৰ্ঘটনাও সংঘটিত হয়। উক্ত ঠাইত পকী দলং নিৰ্মাণৰ বছৰ বছৰ ধৰি আশ্বাস দি আহিছে জনপ্ৰতিনিধি সকলে। কিন্তু আজিলৈ আধাৰশিলাই স্থাপন নহ'ল। বাৰিষা শেষ হোৱাৰ পিছত অতি দীঘল বাঁহৰ দলঙেৰে পাৰাপাৰ হ'ব পৰা হোৱাত দুয়োফালৰ জনসাধাৰণৰ সময় কিছু লাঘৱ হোৱাত কিছু পৰিমাণে হ'লেও সন্তুষ্টি প্ৰকাশ কৰে। নাই মোমাইতকৈ কণা মোমাই ভাল বুলি সান্ত্বনা লাভ কৰিছে দুয়োপাৰৰ ৰাইজ। ঘটনাটি হৈছে কোকৰাঝাৰ আৰু চিৰাং জিলাক দ্বি-বিভক্ত কৰি উত্তৰৰ ভূটানৰ পৰা দক্ষিণলৈ বৈ অহা চম্পাৱতী নৈৰ কচুতোলা-কুৰ্শাকাটি ঘাট। অতি গুৰুত্বপূৰ্ণ দৈনিক শ শ খোজকাঢ়ি, চাইকেল, মটৰ চাইকেল, স্কুটি, ঠেলা-ৰিক্সা পাৰাপাৰ হ'বলগীয়া হয় হাট-বজাৰ, অফিচ-আদালত, স্কুল-কলেজ ইত্যাদি বিভিন্ন কাৰণত। পকী দলং নোহোৱা বাবে যমৰ যাতনা ভুগি আহিছে দুয়োফালৰ জনসাধাৰণ। অৱশ্যে হাগ্ৰামা মহিলাৰী নেতৃত্বাধীন এইবাৰৰ বি টি চি চৰকাৰৰ স্বাস্থ্য বিভাগৰ কাৰ্যবাহী সদস্য দেৰহাছাং বসুমতাৰীয়ে এক আছুতীয়া সাক্ষাংকাৰত উল্লেখ কৰি কয় যে ২০২৬ চনৰ বিধানসভা নিৰ্বাচনৰ পূৰ্বেই দলংখনৰ কাম আৰম্ভ হ'ব। সেয়া নিশ্চিত বুলি স্পষ্ট ভাৱে ব্যক্ত কৰে। যিদিনা দলংখনৰ আধাৰশিলা হ'ব সিদিনাহে দুয়োপাৰৰ জনসাধাৰণ আশ্বস্থ হ'ব। সেই দিনটোলৈ ৰাইজে অধিৰ আগ্ৰহৰে বাট চাই আছে।

## জুবিন গাৰ্গৰ নামত উচৰ্গিত মুখপত্ৰ সৃজনী উন্মোচন

# নাজিৰা আঞ্চলিক লেখিকা সমাজৰ তৃতীয় বাৰ্ষিক প্ৰতিষ্ঠা দিৱস

**অসম বাৰ্তা, গেলেকী, ২১ অক্টোবৰ ঃ** নাজিৰাৰ মেজেঙ্গা বনুৱা প্ৰাথমিক বিদ্যালয়ত নাজিৰা আঞ্চলিক লেখিকা সমাজৰ তৃতীয় বাৰ্ষিক প্ৰতিষ্ঠা দিৱসটি দিনযোৱা কাৰ্যসূচীৰে উদযাপন কৰা হয়। পুৱা ৱাৰ্ড সদস্য নকুল গগৈয়ে বৃক্ষ ৰোপণ, লেখিকা সমাজৰ উপ-সভাপতি অনিমা বৰগোহাঁইয়ে সমাজৰ পতাকা উত্তোলন, দীপালী স্বৰ্গীয়াৰী বৰুৱাই বন্তি প্ৰজ্বলন কৰাৰ পিছতে অসমীয়াৰ প্ৰাণৰ শিল্পী জুবিন গাৰ্গলৈ শ্ৰদ্ধাঞ্জলি অনুষ্ঠানৰ বন্তি প্ৰজ্বলন কৰে নাজিৰা জিলা পৰিষদৰ সদস্যা তথা নাজিৰা আঞ্চলিক লেখিকা সমাজৰ সদস্যা মামু পাতৰ, নাজিৰা আঞ্চলিক লেখিকা সমাজৰ উপদেষ্টা ৰিণু বড়া, মিনু বৰগোহাঁই আৰু যোগদা মহন্তই। ইয়াৰ পিছতেই নাজিৰা আঞ্চলিকৰ লেখিকা সমাজৰ সভাপতি মনোমতী বৰগোহাঁই কোঁৱৰৰ সভাপতিত্বত আয়োজিত মুকলি সভাৰ উদ্দেশ্য ব্যাখ্যাত সম্পাদক ৰুমী চাংমাই বৰুৱাই কয় যে, সত্য বৌদ্ধিক অন্বেষণৰ উদ্দেশ্যেৰে গঠন হোৱা অসম লেখিকা সমাজৰ অন্তৰ্গত নাজিৰা আঞ্চলিকক সমাজৰ প্ৰতিভাৱান মহিলা সকলক আত্মপ্ৰকাশৰ এখন মঞ্চ দি আগবঢ়াই নিয়াৰ উদ্দেশ্য আগত ৰাখি গঠন কৰা হৈছিল আৰু আজি তৃতীয় বাৰ্ষিক প্ৰতিষ্ঠা দিৱস উদযাপন কৰি মুখপত্ৰ "সৃজনী"কৰা হ'ব। ইয়াৰ পিছতে মুখপত্ৰ "সৃজনী" উন্মোচক বিশিষ্ট লিখক তথা শিক্ষক অপূৰ্ব চেতিয়াই যথেষ্ট তত্ত্ব গধুৰ ভাষণেৰে উপকৃত কৰে উপস্থিত ৰাইজক। উক্ত সভাতেই ২০২৪ বৰ্ষৰ জিলা সমাজে প্ৰদান কৰা সাংগঠনিক পাৰদৰ্শিতা বঁটা প্ৰাপক ৰুমী চাংমাই বৰুৱা, কৃতী শিক্ষকৰ বঁটা প্ৰাপক যোগদা মহন্ত আৰু কেন্দ্ৰই আয়োজন কৰা অসম ভিত্তিত গল্প প্ৰতিযোগিতাত প্ৰথম স্থান প্ৰাপক ৰূপজ্যোতি ভূএগ শইকীয়াক নাজিৰা আঞ্চলিকৰ লেখিকা সমাজৰ তৰফৰ পৰা সম্বৰ্দ্ধনা জনায়। প্ৰতিষ্ঠা দিৱসৰ লগত সংগতি ৰাখি আঞ্চলিক লেখিকা সমাজে আয়োজন কৰা সাহিত্য প্ৰতিযোগিতাৰ প্ৰবন্ধ প্ৰতিযোগিতাত ৰশ্মিৰেখা বড়াই প্ৰথম স্থান, ৰূপজ্যোতি ভূএগ শইকীয়া দ্বিতীয় স্থান আৰু নিতুমণি কলিতাই তৃতীয় স্থান, গল্প প্ৰতিযোগিতাত ৰূপজ্যোতি ভূএগই শইকীয়া প্ৰথম স্থান, যোগদা মহন্ত দ্বিতীয় স্থান, দীপা মহন্ত আৰু ৰুমী চাংমাই বৰুৱাই যৌথভাৱে তৃতীয় স্থান লাভ কৰে, কবিতা প্ৰতিযোগিতাত ৰূপজ্যোতি ভূএগ শইকীয়া প্ৰথম স্থান, যৌথভাৱে ৰুমী চাংমাই বৰুৱা আৰু দীপা মহন্ত দ্বিতীয় স্থান, যৌথভাৱে স্থান লাভ কৰে পূৰ্ণিমা কলিতা আৰু যোগদা মহন্তই তৃতীয় স্থান লাভ কৰে। আটাই কেইগৰাকী বিজয়ী প্ৰতিযোগীক উক্ত সভাতেই পুৰস্কাৰ প্ৰদান কৰা হয়। সভাত নৃত্য, গীত পৰিৱেশন কৰা শ্ৰুতিকা কোঁৱৰ, অৰ্কিড চেতিয়া আৰু জাহ্নৱী নায়কক একোখনকৈ মানপত্ৰ আৰু গ্ৰন্থ প্ৰদান কৰা হয়। সভাত নীলিমা খাতুনৰ গীত আৰু বিয়া নাম পৰিৱেশন কৰে যাঠিৰোৰ্দ্ধৰ মহিলা সৰুমাই গগৈয়ে। মুকলি সভাত মামু পাতৰ, মলয়া গগৈ, ধাই আলি আঞ্চলিকৰ সভাপতি ৰশ্মিৰেখা বড়া, উপ- সভাপতি অনিমা বৰগোহাঁই, ৰূপজ্যোতি ভূএগ শইকীয়াই ৰাইজৰ উদ্দেশী বক্তব্য আগবঢ়াই। সভাপতিৰ মন্তব্যৰ পিছতে শলাগৰ শৰাই আগবঢ়ায় সম্পাদক ৰুমী চাংমাই বৰুৱাই আৰু জাতীয় সঙ্গীত পৰিৱেশনেৰে সভাখনৰ সামৰণি পৰে।

# কচুৱাৰ কান্দাপাৰা ডাইমণ্ড ষ্টুডেণ্ট ক্লাৱৰ সৌজন্যত চূড়ান্ত ফুটবল খেল সমাপ্তি



**অসম বাৰ্তা, কচুৱা, ২১ অক্টোবৰ ঃ** নগাঁও জিলাৰ কচুৱাৰ কান্দাপাৰা ডাইমণ্ড ষ্টুডেণ্ট ক্লাৱৰ সৌজন্যত অনুষ্ঠিত হোৱা এক কালীন প্ৰাইজমানী চূড়ান্ত ফুটবল খেলখন দেওবাৰে বিয়লি অনুষ্ঠিত হৈ যায়। অসমৰ হিয়াৰ আমঠু শিল্পী জুবিন গাৰ্গৰ মৃত্যুৰ এটা মাহ সম্পূৰ্ণ হোৱাৰ দিনটোত প্ৰাণৰ শিল্পী গৰাকীলৈ ৰাজহুৱা শ্ৰদ্ধাঞ্জলি জনাই কেবাটাও নাহৰৰ পুলি ৰোপণ কৰাৰ পিছতে কচুৱা কান্দাপাৰা চেগুন বাগান খেলপথাৰত চূড়ান্ত ফুটবল খেলখন জুবিন গাৰ্গৰ নামত উছৰ্গা কৰে কান্দপাৰা ডাইমণ্ড ষ্টুডেণ্ট ক্লাৱে। লুতুমাৰী কচাৰীগাঁও এফ চি ফুটবল দল আৰু কামপুৰ বৰগাওঁ এফ চি ফুটবল দলৰ মাজত অনুষ্ঠিত হোৱা চূড়ান্ত ফুটবল খেলখন অৱশেষত ট্ৰাইব্ৰেকাৰ পদ্ধতিত ৪-৩ গলত লুতুমাৰী কচাৰী গাঁও ফুটবল দল বিজয়ী হয়। চূড়ান্ত ফুটবল খেলখনত উপস্থিত থাকে অসমৰ প্ৰাক্তন মুখ্যমন্ত্ৰী প্ৰফুল্ল কুমাৰ মহন্তৰ পুত্ৰ শ্যামন্ত কাশ্যপ মহন্ত, বড়মপুৰ সমষ্টিৰ যুৱ নেতা বিভূতি ভূষণ বৰঠাকুৰ, সাংবাদিক বাহাৰুল ইছলাম, সমাজ সেৱক নূপুৰ বৰ্ধন, জহুৰ আলী, কচুৱা আৰু চানখোলা গাঁও পঞ্চায়তৰ আঞ্চলিক সদস্য আনোৱাৰ হুছেইন, কচুৱা আঞ্চলিকৰ আমচুৰ সভাপতি তথা প্ৰথম পুৰস্কাৰ ট্ৰফি দাতা নজৰুল ইছলাম, প্ৰথম পুৰস্কাৰ নগদ ধন দাতা চানখোলা গাঁও পঞ্চায়তৰ আঞ্চলিক সদস্যা তাচলিফা চুলতানা, কচুৱা পঞ্চায়তৰ দ্বিতীয় পুৰস্কাৰ ট্ৰফি দাতা তথা কচুৱা গাঁও পঞ্চায়তৰ প্ৰাক্তন ৱাৰ্ড সদস্য খলিলুৰ ৰহমান, মেন অৱ দা মেছ দাতা কচুৱা তিনিআলী পৰিবহণ শ্ৰমিক সন্থাৰ সভাপতি ছাইদুৰ ৰহমান, মেন অৱ দা চিৰিছ দাতা হজিবুৰ ৰহমান অধিবক্তা নগাঁও, প্ৰাক্তন জিলা পৰিষদ সদস্য ছাইফুল ইছলাম, সমাজসেৱক ৰাফেল আছিয়া, হাতেম আলী, মুজিবুৰ ৰহমান, গাঁও প্ৰধান খাইৰুল ইছলাম, শিক্ষক আবুল কালাম, স্থানীয় বহু সংখ্যক গণ্য মান্য ব্যক্তিৰ লগতে খেল উপভোগ কৰিবলৈ অহা কেবাশতাধিক দৰ্শক উপস্থিত থাকে। বঁটা বিতৰণি সভাৰ সভাপতিত্ব কৰে আলী আকাৱৰে, সভাৰ উদেশ্য ব্যাখ্যা কৰে সাংবাদিক আনোৱাৰ হুছেইন, আদৰণি অনুষ্ঠানৰ আগ দৰে খাইৰুল ইছলাম, খেল পৰিচালনা কৰে মহিবুৰ ৰহমান ভূএগ, খাইৰুল ইছলাম, মোশ্বাৰফ আলম, চতুৰ্থ পৰিচালক চাহাব উদ্দিন।

# জনীয়াত মন্দিয়া সমজিলা ক্ৰীড়া সন্থাৰ উদ্যোগত ক্ৰীড়া মহোৎসৱ

**অসম বাৰ্তা, জনীয়া, ২১ অক্টোবৰ ঃ** মন্দিয়া সমজিলা ক্ৰীড়া সন্থাৰ প্ৰথম প্ৰতিষ্ঠা দিৱস উপলক্ষে ১৭ অক্টোবৰৰ পৰা চাৰিদিনীয়া বৰ্ণাঢ্য কাৰ্যসূচীৰে জনীয়া ৰাজীৱ গান্ধী ক্ৰীড়া প্ৰকল্পত ক্ৰীড়া মহোৎসৱ অনুষ্ঠিত হয়। কাৰ্যসূচী মতে ১৭ অক্টোবৰত আবেলি ২ বজাৰ পৰা পতাকা উত্তোলন, মঞ্চ উন্মোচন, প্ৰীতি খেল অনুষ্ঠিত হয়। ১৮ অক্টোবৰত পুৱা ৯ বজাৰ পৰা বিভিন্ন এথলেটিকচ্ খেল প্ৰতিযোগিতা, ১০ বজাত কাবাডী খেল প্ৰতিযোগিতা, ১০ঃ৩০ বজাত ভলীবল খেল প্ৰতিযোগিতা,




আবেলি ৩ বজাত কাবাডীৰ চূড়ান্ত খেল অনুষ্ঠিত হয়। ১৯ অক্টোবৰত পুৱা ৯ বজাত বিভিন্ন এথলেটিকচ্ খেল প্ৰতিযোগিতা, আবেলি ২ বজাত ভলীবল প্ৰতিযোগিতাৰ চূড়ান্ত খেল, আবেলি ৩ বজাত ১৭ অনুৰ্ধ্বৰ ফুটবল প্ৰতিযোগিতাৰ চূড়ান্ত খেল অনুষ্ঠিত হয়। অন্তিম দিনা ২০ অক্টোবৰত বঁটা বিতৰণ আৰু মুকলি সভা অনুষ্ঠিত হয়। মন্দিয়া সমজিলা ক্ৰীড়া সন্থাৰ সভাপতি অধিবক্তা আলতাফ হুছেইনৰ সভাপতিত্বত অনুষ্ঠিত মুকলি সভাত আদৰণি ভাষণ দিয়ে কাৰ্যকৰী সভাপতি নুৰুল ইছলাম তালুকদাৰে। মুকলি সভাত অতিথি হিচাপে জনীয়া ফখৰুদ্দিন আলী আহমেদ মেমোৰিয়েল ছিনিয়ৰ ছেকণ্ডাৰী স্কুলৰ অধ্যক্ষ ছানোৱাৰ ৰহমান, বৰভিটা-চতলা জিলা পৰিষদ সমষ্টিৰ সদস্যা ছুফিয়া খাতুন, বৰপেটাৰ জ্যেষ্ঠ অধিবক্তা শুকুৰ আলী আহমেদ, ৰেচম বিভাগৰ অৱসৰপ্ৰাপ্ত কৰ্মচাৰী আব্দুছ ছবুৰ আহমেদ আদি কৰি বহু কেইগৰাকীয়ে বক্তব্য প্ৰদান কৰে।

## কৃতিত্বৰে স্থান অৰ্জন কৰা খেলুৱৈকট্ৰফিসহ মানপত্ৰ প্ৰদান

সভাত বিভিন্ন প্ৰতিযোগিতাত কৃতিত্বৰে স্থান অৰ্জন কৰা খেলুৱৈক ট্ৰফিসহ মানপত্ৰ প্ৰদান কৰা হয়।

# সদৌ অসম কিক বক্সিং প্ৰতিযোগিতাত ৯টাকৈ পদকেৰে জিলিকিল চুঙাজানৰ লিটল লাৰ্ণাৰচ একাডেমি

**অসম বাৰ্তা, ধনশিৰি, ২১ অক্টোবৰ ঃ** সৰুপথাৰ সমজিলালৈ পুনৰ এক সু-খবৰ। গুৱাহাটীৰ নেহৰু ষ্টেডিয়ামত যোৱা ১৮ আৰু ১৯ অক্টোবৰ তাৰিখে অনুষ্ঠিত হৈ যোৱা দশম সংখ্যক সদৌ অসম কিক বক্সিং চেম্পিয়নশ্বীপ ২০২৫ প্ৰতিযোগিতাত সৰুপথাৰ সমজিলাৰ চুঙাজান লিটল লাৰ্ণাৰচ একাডেমিয়ে ৯টাকৈ পদক আজুৰি গৌৰৱ কঢ়িয়াবলৈ সক্ষম হৈছে। প্ৰশিক্ষক সুজিত তাঁতীৰ নেতৃত্বত গোলাঘাট জিলাৰ হৈ চুঙাজান লিটল লাৰ্ণাৰচ একাডেমিৰ পৰা মুঠ ৯গৰাকী প্ৰতিযোগীয়ে উক্ত প্ৰতিযোগিতাত অংশগ্ৰহণ কৰিছিল আৰু তেওঁলোকৰ এগৰাকীয়ে সোণ, পাঁচ গৰাকীয়ে ৰূপ আৰু তিনিগৰাকীয়ে ব্ৰঞ্জৰ পদক পাবলৈ সক্ষম হয়। প্ৰশিক্ষক সহ ৯জনীয়া দলটো গুৱাহাটীৰ পৰা ইণ্টাৰচিটি ৰেলযোগে সোমবাৰে পুৱা ৬মান বজাত সৰুপথাৰ ৰেলৰে ষ্টেচনত উপস্থিত হয় আৰু লিটল লাৰ্ণাৰচ একাডেমিৰ অধ্যক্ষা গীতা শৰ্মাই সৰুপথাৰ ৰে'লৰে ষ্টেচনত উপস্থিত হৈ আটাইকে অভিনন্দন জনাই। উল্লেখ্য যে, লিটল লাৰ্ণাৰচ একাডেমিৰ উক্ত দলটোৱে প্ৰশিক্ষক সুজিত তাঁতীৰ অধীনত বিগত এবছৰ ধৰি প্ৰশিক্ষণ গ্ৰহণ কৰি আছে আৰু ইয়াৰ পূৰ্বেও তেওঁলোকে বিভিন্ন প্ৰতিযোগিতাত অংশগ্ৰহণ কৰি সু-নাম কঢ়িয়াবলৈ সক্ষম হৈছে।

# মেৰাপানীত দৈয়াং আঞ্চলিক ছাত্ৰ সন্থাৰ উদ্যোগত বন্তি প্ৰজ্বলনেৰে জুবিন গাৰ্গৰ মৃত্যুৰ ন্যায় বিচাৰি প্ৰতিবাদ

**অসম বাৰ্তা, মেৰাপানী, ২১ অক্টোবৰ ঃ** দৈয়াং আঞ্চলিক ছাত্ৰ সন্থাই সদৌ অসম ছাত্ৰ সন্থাৰ আহ্বান মৰ্মে আজি মেৰাপানীত মৰমৰ শিল্পী জুবিন গাৰ্গৰ মৃত্যুৰ উচিত ন্যায়ৰ বাবে বন্তি প্ৰজ্বলন কৰি প্ৰতিবাদ সাব্যস্ত কৰে। উল্লেখযোগ্য যে অসমৰ হিয়াৰ আমঠু জুবিন গাৰ্গৰ মৃত্যুৰ এটা মাহ ওকলি যোৱাৰ পাছতো আজিলৈকে উচিত ন্যায় লাভ নকৰাত সদৌ অসম ছাত্ৰ সন্থাৰ আহ্বান মৰ্মে আজি দৈয়াং আঞ্চলিক ছাত্ৰ সন্থাই জুবিন গাৰ্গৰ প্ৰতিমূৰ্ত্তিত বন্তি প্ৰজ্বলন কৰি প্ৰতিবাদী কাৰ্যসূচী ৰূপায়ণৰে ন্যায়ৰ দাবী জনায়। উল্লেখ্য যে উক্ত কাৰ্য্যসুচীত সদৌ গোলাঘাট জিলা ছাত্ৰ সন্থাৰ উপসভাপতি সঞ্জীৱ সোণোৱাল, দৈয়াং আঞ্চলিক ছাত্ৰ সন্থাৰ সভাপতি সনৈক চক্ৰৱৰ্তী, মেৰাপানী প্ৰেছ ক্লাৱৰ সভাপতি পবিত্ৰ দাস, সম্পাদক ভদ্ৰেশ্বৰ বৰা, ৰাজুমনি শইকীয়া, শিক্ষক চন্দ্ৰ দীপ গগৈৰ লগতে অসম জাতীয়তাবাদী যুৱ ছাত্ৰ পৰিষদৰ সদস্য, অনুসুচীত জাতি ছাত্ৰ সন্থাৰ বিষয়ববীয়া, ছাত্ৰ সন্থাৰ কৰ্মী আৰু স্থানীয় ব্যৱসায়ী উপস্থিত থাকে।

## গহপুৰত কনকলতা বৰুৱাৰ

এই মহৎ উদ্যোগৰ জৰিয়তে, নিজৰ জীৱন উৎসৰ্গ কৰি গহপুৰৰ নাম সমগ্ৰ বিশ্বত জিলিকাই তুলি অমৰ হৈ থকা কনকলতা বৰুৱাৰ স্মৃতিক সন্মান জনোৱা হ'ব। মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ পূৰ্বৰ ঘোষণা অনুসৰি, "কনকলতা বৰুৱা ৰাজ্যিক বিশ্ববিদ্যালয়"ৰ নিৰ্মাণৰ প্ৰস্তুতি এতিয়া দ্ৰুত গতিত আগবাঢ়িছে। গহপুৰ বিধানসভা সমষ্টিৰ হেলেম ৰাজহ চক্ৰৰ অন্তৰ্গত ঐতিহ্যমণ্ডিত ভোলাগুৰি চাহ বাগিচাৰ ৭৩৮ বিঘা মুকলি ভূমিত এই বিশ্ববিদ্যালয় নিৰ্মাণ কৰা হ'ব। আগন্তুক ৮ নৱেম্বৰত কেন্দ্ৰীয় বিত্তমন্ত্ৰী নিৰ্মলা সীতাৰমন ভোলাগুৰিত উপস্থিত হৈ বিশ্ববিদ্যালয়ৰ আধাৰশিলা স্থাপন কৰিব। এই উপলক্ষে এক ৰাজহুৱা সভাও আয়োজিত হ'ব, য'ত তেওঁ অংশগ্ৰহণ কৰিব। নিৰ্মাণৰ প্ৰাৰম্ভিক প্ৰস্তুতিৰ অগ্ৰগতি পৰ্যালোচনাৰ বাবে মঙলবাৰে পুৱা প্ৰায় ১১ বজাত ৰাজ্যৰ বিত্তমন্ত্ৰী অজন্তা নেওগ আৰু অসম চৰকাৰৰ মুখ্য সচিব ড° ৰবি কোটা ভোলাগুৰি চাহ বাগিচাত উপস্থিত হৈ স্থান পৰিদৰ্শন কৰে। তেওঁলোকৰ সৈতে বিশ্বনাথ জিলাৰ জিলা আয়ুক্ত সীমান্ত কুমাৰ দাস, জ্যেষ্ঠ আৰক্ষী অধীক্ষক শুভাশিস বৰুৱা, গহপুৰ সমজিলাৰ আয়ুক্ত আদিত্য প্ৰতাপ সিং, আৰক্ষী অধীক্ষক প্ৰাণজিৎ লহকৰ, হেলেম ৰাজহ চক্ৰৰ বিষয়া নমিতা বৰা, শোণিতপুৰ লোকসভাৰ সাংসদ ৰঞ্জিত দত্ত আৰু গহপুৰ বিধানসভাৰ বিধায়ক উৎপল বৰাও উপস্থিত আছিল। এই সকলৰ সৈতে এক আলোচনা সভাত মিলিত হৈ মন্ত্ৰী আৰু মুখ্য সচিবে ৮ নৱেম্বৰৰ কাৰ্যসূচীৰ প্ৰস্তুতিৰ বিষয়ে বিস্তৃতভাৱে পৰ্যালোচনা কৰে আৰু মূল্যৱান পৰামৰ্শ প্ৰদান কৰে। সংবাদ মাধ্যমৰ সৈতে আলোচনাত মন্ত্ৰী অজন্তা নেওগে জনায় যে, ৮ নৱেম্বৰৰ পুৱা ১১ বজাত কেন্দ্ৰীয় মন্ত্ৰী নিৰ্মলা সীতাৰমন এই বিশ্ববিদ্যালয়ৰ আধাৰশিলা স্থাপন কৰিব। অসম চৰকাৰৰ আৰ্থিক সাহায্যৰে নিৰ্মিত এই বিশ্ববিদ্যালয়ৰ প্ৰথম পৰ্যায়ৰ বাবে ৩৫০ কোটি টকা বৰাদ্দ কৰা হৈছে। তেওঁৰ মতে, এই বিশ্ববিদ্যালয়খন বিদেশৰ শীৰ্ষ বিশ্ববিদ্যালয়ৰ শৈক্ষিক মানৰ সৈতে প্ৰতিযোগিতা কৰিব পৰাকৈ নিৰ্মাণ কৰা হ'ব। আধুনিক শিক্ষা ব্যৱস্থাৰ সৈতে সংযোজিত হ'ব নতুন নতুন পাঠ্যক্ৰম, যিয়ে শিক্ষাৰ্থীসকলক বিশ্বমানৰ শিক্ষা প্ৰদান কৰিব। মুখ্য সচিব ড° ৰবি কোটাই সংযোগ কৰে যে, এই বিশ্ববিদ্যালয় এখন অত্যাধুনিক শিক্ষা প্ৰতিষ্ঠান হিচাপে গঢ়ি উঠিব। আৰ্টিফিচিয়েল ইণ্টেলিজেণ্ট, কুৱাণ্টাম মেচিন লাৰ্নিং, ৰবটি' চাইন্সৰ দৰে উন্নত প্ৰযুক্তিগত বিষয়সমূহ এই বিশ্ববিদ্যালয়ৰ শৈক্ষিক কাঠামোৰ মূল অংশ হ'ব। আকৰ্ষণীয় আৰু আধুনিক ডিজাইনৰ ভৱনসমূহ দুটা পৰ্যায়ত নিৰ্মাণ কৰা হ'ব, যাৰ প্ৰথম পৰ্যায়ৰ কাম তিনি বছৰৰ ভিতৰত সম্পূৰ্ণ হ'ব। দ্বিতীয় পৰ্যায়ৰ কাম ইয়াৰ পিছত আৰম্ভ হ'ব। ইয়াৰ পিছত, একে দিনৰ দুপৰীয়া ১ বজাত গহপুৰ নগৰৰ কনকলতা ভৱনত এক পৰ্যালোচনা সভা অনুষ্ঠিত হয়, য'ত মন্ত্ৰী অজন্তা নেওগে অংশগ্ৰহণ কৰে। গহপুৰ পৌৰসভাৰ ৱাৰ্ড কমিছনাৰ, পঞ্চায়ত প্ৰতিনিধি, দলীয় বিষয়ববীয়া আৰু বিশিষ্ট ব্যক্তিসকলৰ উপস্থিতিত অনুষ্ঠিত এই সভাত মন্ত্ৰীয়ে ৮ নৱেম্বৰৰ আধাৰশিলা স্থাপন কাৰ্যসূচী সফল কৰাৰ বাবে সকলোৰে সহযোগিতা কামনা কৰে। তেওঁ উল্লেখ কৰে যে, কনকলতা বৰুৱা ৰাজ্যিক বিশ্ববিদ্যালয়ে কেৱল গহপুৰৰ নহয়, সমগ্ৰ উত্তৰ অসমৰ সামাজিক, অৰ্থনৈতিক আৰু শৈক্ষিক ক্ষেত্ৰত এক গভীৰ প্ৰভাৱ বিস্তাৰ কৰিব। জ্যেষ্ঠ বিজেপি নেতা নোমল বৰুৱাৰ সঞ্চালনাত অনুষ্ঠিত এই সভাত মন্ত্ৰী নেওগে কয়, "বীৰাংগনা কনকলতাৰ নামত উৎসৰ্গিত এই বিশ্ববিদ্যালয়ৰ সফল ৰূপায়ণৰ বাবে গহপুৰৰ সকলো শ্ৰেণীৰ জনতাৰ আন্তৰিক অংশগ্ৰহণ অপৰিহাৰ্য।" তেওঁ আৰু জনায় যে, বৰ্তমান চৰকাৰে খিলঞ্জীয়া সম্প্ৰদায়ৰ ভূমিৰ অধিকাৰ সুনিশ্চিত কৰাৰ লগতে দৰিদ্ৰ জনতাৰ উন্নয়নৰ বাবে নিৰন্তৰ কাম কৰি আছে। তেওঁৰ ভাষণত মন্ত্ৰীয়ে মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ নেতৃত্বত অসমত উন্নয়নৰ ধাৰা অব্যাহত থকাৰ কথা উল্লেখ কৰে। তেওঁ কয়, "মুখ্যমন্ত্ৰীৰ দূৰদৰ্শী নেতৃত্বৰ বাবেই অসমৰ সপোন বাস্তৱত পৰিণত হৈছে। গত বিত্তীয় বৰ্ষত চৰকাৰে এক লাখ পঞ্চম হাজাৰ কোটি টকাৰ বাজেটৰ কাম সফলতাৰে ৰূপায়ণ কৰিবলৈ সক্ষম হৈছে।" এই পৰ্যালোচনা সভাত শোণিতপুৰ লোকসভাৰ সাংসদ ৰঞ্জিত দত্ত, গহপুৰৰ বিধায়ক উৎপল বৰা, বিহালীৰ বিধায়ক দিগন্ত ঘাটোৱাল, বিশ্বনাথৰ বিধায়ক প্ৰমোদ বৰঠাকুৰ, বিশ্বনাথ জিলা বিজেপিৰ সভাপতি অসীম কুমাৰ দাস আৰু গহপুৰ পৌৰসভাৰ পৌৰপতি অতুল বৰা উপস্থিত আছিল। এই বিশ্ববিদ্যালয়ৰ স্থাপনে গহপুৰৰ শৈক্ষিক আৰু সামাজিক পৰিমণ্ডলত এক নতুন অধ্যায়ৰ সূচনা কৰিব বুলি আশা কৰা হৈছে।

## জনজাতিকৰণৰ দাবীত ২৫

আৰু ৰাজ্য চৰকাৰৰ ওচৰত বছৰ বছৰ ধৰি দাবী উত্থাপন কৰি অহাৰ পিছতো আজি লৈ কোনো এখন চৰকাৰে মুকলি মন লৈ কলিতা সকলৰ সমস্যা সমাধান কৰাৰ বাবে আগবাঢ়ি অহা নাই বুলি অভিযোগ উত্থাপন কৰিছে কলিতা জনগোষ্ঠী সন্মিলন অসমৰ সভাপতি ড০ সোণেশ্বৰ কলিতা আৰু সম্পাদক চিত্ত ৰঞ্জন ডেকাই এক প্ৰেছ বিজ্ঞপ্তি যোগে। সভাপতি সম্পাদক দ্বয়ে অভিযোগ কৰে যে পাচ হাজাৰ বছৰীয়া ইতিহাস বিজৰিত প্ৰাচীন প্ৰাগজ্যোতিষপুৰ - কামৰূপৰ কলিতা সকলে সম্প্ৰতি অসমৰ বিটিএডিত - শদিয়াকে ধৰি আটাইবোৰ স্বায়ত্তশাসিত পৰিষদত মাটিৰ অধিকাৰ হেৰুৱাব লগা হৈছে। প্ৰত্যেক খনৰ ৰাজ্য চৰকাৰৰ অত্যধিক জনজাতি তুষ্টিকৰণে কলিতা সকলে ভূমি অধিকাৰ লগতে শিক্ষা, চাকৰি, ব্যৱসায়ী, সকলো ক্ষেত্ৰতে বঞ্চিত কৰাৰ প্ৰক্ৰিয়া চলি আছে। অসমৰ সমাজ জীৱনৰ অতন্দ্ৰ প্ৰহৰী আৰু অসমীয়া ভাষাৰ ধাৰক বাহক কলিতা সকলৰ বাবে ড০ হিমন্ত বিশ্ব শৰ্মাৰ চৰকাৰে আশ্বাস দিয়াৰ বাদে কোনো কাৰ্য্যকৰী ব্যৱস্থা গ্ৰহণ কৰা নাই বুলি গুৰুত্বৰ অভিযোগ উত্থাপন কৰিছে। ১৯৮৩ চনত টি পি তেৱাৰী আয়োগে জনজাতি সকলৰ দৰে অজনজাতীয় লোক সকলক বিদেশীৰ আগ্ৰাসনৰ পৰা ৰক্ষাৰ অৰ্থে অজনজাতি সকলৰ বাবে ব্লক আৰু বেষ্টনী সৃষ্টিৰ পৰামৰ্শ আগবঢ়াইছিল। সেয়ে চৰকাৰে লাঞ্ছিত বঞ্চিত শংকিত পাচ হাজাৰ সাতশ পঞ্চাশ বছৰ পূৰ্বে প্ৰাগজ্যোতিষ ৰাজ্য স্থাপন কৰা কলিতা সকলৰ স্থায়ীত্ব ৰক্ষাৰ অৰ্থে ৫, ৭৫০ টা কলিতা সকলৰ বাবে ব্লক বেষ্টনী সৃষ্টি কৰক।বিটিএডিকে ধৰি সকলো স্বায়ত্তশাসিত পৰিষদত কলিতা সকলৰ ভূমি অধিকাৰ আইনী প্ৰক্ৰিয়াৰে সুনিশ্চিত কৰক।শিক্ষা, চাকৰি, ব্যৱসায়ী দিশতো কলিতা সকলৰ বাবে ১৮ শতাংশ সংৰক্ষণ কৰা, কলিতা সকলকো ছয় জনগোষ্ঠীৰ লগতে জনজাতি কৰি অসমক এখন জনজাতি ৰাজ্য হিচাপে ঘোষণা কৰাৰ বাবে ৰাজ্য আৰু কেন্দ্ৰীয় চৰকাৰে ব্যৱস্থা গ্ৰহণ কৰক। কলিতা সকলকো ছয় জনগোষ্ঠীৰ লগতে জনজাতিকৰণ কৰি অসমক এখন জনজাতি ৰাজ্য ঘোষণা কৰাৰ বাবে ৰাজ্য আৰু কেন্দ্ৰীয় চৰকাৰে ব্যৱস্থা গ্ৰহণ কৰক। প্ৰেছ বিজ্ঞপ্তিটোত সভাপতি আৰু সম্পাদকে উল্লেখ কৰে কলিতা জনগোষ্ঠীৰ দাবী সমূহ শীঘ্ৰে পূৰণ কৰাৰ দাৱীত ২৫ অক্টোবৰত দিছপুৰ চলো কাৰ্যসূচী ৰূপায়ণ কৰিব ইয়াৰ পিছতো বিজেপি চৰকাৰে কলিতা সকলক অৱজ্ঞা কৰে তেন্তে অহা ২২ ডিচেম্বৰ তাৰিখে প্ৰাগজ্যোতিষপুৰ দিৱসৰ লগত সংগতি ৰাখি গুৱাহাটীত এখন বৃহৎ প্ৰতিবাদী গণ সমাৰোহ অনুষ্ঠিত কৰিব। উক্ত সমাৰোহত কলিতা জনগোষ্ঠী ১৭ গৰাকী মন্ত্ৰী বিধায়ক, আৰু ৫ গৰাকী সাংসদে কলিতা জনগোষ্ঠীৰ সমস্যা সমাধানৰ সূত্ৰ অসমৰ কলিতা ৰাইজক জনাব লাগিব। জাতিটোৰ সংকটৰ সময়ত যদি এই সকল মন্ত্ৰী বিধায়কে মাত নামাতে তেতিয়া হলে আগন্তুক নিৰ্বাচনত ইয়াৰ যোগ্য প্ৰত্যুত্তৰ দিয়া হব বুলি স্পষ্ট কৰি দিয়ে। আন্দোলনৰ সকলো কাৰ্যসূচী কলিতা জনগোষ্ঠী সকলো সংগঠনৰ সহায় সহযোগিতা বিচাৰিছে সভাপতি ড০ সোণেশ্বৰ কলিতা আৰু সম্পাদক চিত্ৰ ৰঞ্জন ডেকাই।

## এছিয়া কাপৰ ট্ৰফী ভাৰতক

এছিয়া কাপৰ ট্ৰফী ভাৰতীয় দলক গতাই প্ৰদান কৰিবলৈ আহ্বান জনাইছে। বিচিচিআইৰ সচিভ দেৱজিৎ শইকীয়াই ৰাষ্ট্ৰীয় সংবাদ মাধ্যম ইণ্ডিয়া টুডেৰ সৈতে এক আছুতীয়া সাক্ষাৎকাৰত জানাইছে যে, সংস্থাই নাকভিৰ পৰা সঁহাৰিৰ বাবে অপেক্ষা কৰি আছে। যদি তেওঁৰ পৰা কোনো ইতিবাচক উত্তৰ নাযায়, তেন্তে বিষয়টোক আন্তৰ্জাতিক ক্ৰিকেট কাউন্সিলৰ (আইচিচি) সভাত উত্থাপন কৰা হ'ব। এচিচিৰ সূত্ৰৰ পৰা জানা গৈছে যে, বিচিচিআইৰ সচিভ দেৱজিৎ শইকীয়া, বিচিচিআইৰ পৰা আইচিচিৰ প্ৰতিনিধি ৰাজীৱ শুক্লা আৰু শ্ৰীলংকা ক্ৰিকেটসহ আফগানিস্তানসহ অন্যান্য সদস্য ব'ৰ্ডৰ প্ৰতিনিধিসকলে গত সপ্তাহত নাকভিক পত্ৰ লিখি ভাৰতক ট্ৰফী প্ৰদান কৰাৰ অনুৰোধ জনাইছিল। কিন্তু নাকভিয়ে সঁহাৰি দিয়াৰ পৰিৱৰ্তে শৰ্ত দিয়ে আছিল যে, বিচিচিআইৰ কোনো প্ৰতিনিধিয়ে ডুবাইলৈ আহি তেওঁৰ পৰা ট্ৰফী গ্ৰহণ কৰিব লাগে। এই শৰ্তৰ বাবে বিচিচিআয়ে অস্বীকাৰ কৰি দিয়ে আৰু বিষয়টো এতিয়াও অমীমাংসিত হৈ আছে। বিচিচিআয়ে নিজৰ অৱস্থান স্পষ্ট কৰি কৈছে যে, নাকভিৰ পৰা ট্ৰফী গ্ৰহণ কৰাৰ বাবে সংস্থা সন্মত নহয়। ফলত, এই সমস্যাৰ সমাধানৰ বাবে আইচিচিৰ আগন্তুক বৈঠকত সিদ্ধান্ত গ্ৰহণ কৰাৰ সম্ভাৱনাই অধিক। এই ঘটনাই এছিয়ান ক্ৰিকেটৰ মাজত ৰাজনৈতিক উত্তেজনাৰ সৃষ্টি কৰিছে আৰু ভাৰতীয় ক্ৰিকেটৰ শক্তিশালী অৱস্থানক আৰু সুৰক্ষিত কৰিছে। যদি এই বিষয়টো সমাধান নহয়, তেন্তে ভৱিষ্যতৰ এছিয়ান টুৰ্নামেণ্টসমূহতো যেন লগা প্ৰভাৱ পৰিব, যিয়ে এছিয়ান ক্ৰিকেটৰ ঐক্যক প্ৰশ্নবিদ্ধ কৰিব পাৰে।

## 'গেছ চেম্বাৰ'লৈ পৰিণত

লক্ষণ [illegible] দেশৰ বহু [illegible] ২ ডিগ্ৰী চেলছিয়াছ আৰু সৰ্বনিম্ন ২৭ ডিগ্ৰী চেলছিয়াছ। দিল্লীত বৃদ্ধি পোৱা প্ৰদূষণৰ মাত্ৰা পুনৰ চিন্তনীয় হৈ পৰিছে। ৰাজধানী চহৰখনত GRAP-2 (Graded Response Action Plan-2) ৰ অধীনত কঠোৰ নিয়ম থকাৰ সত্ত্বেও বায়ুৰ গুণাগুণ ভয়াৱহ স্তৰত উপনীত হৈছে। কেন্দ্ৰীয় প্ৰদূষণ নিয়ন্ত্ৰণ ব'ৰ্ডৰ (চিপিচিবি) তথ্য অনুসৰি জৱাহৰলাল নেহৰু ষ্টেডিয়াম অঞ্চলৰ বায়ুৰ গুণাগুণ সূচকাংক (AQI) ৩১৭ত ৰেকৰ্ড কৰা হৈছে, যিটো অতি দুৰ্বল শ্ৰেণীত পৰে। এই পৰিস্থিতিৰ পটভূমিত আম আদমী পাৰ্টি (আপ) আৰু বিজেপিৰ মাজত তীব্ৰ ৰাজনৈতিক দোষাৰোপৰ খেল আৰম্ভ হৈছে। আম আদমী পাৰ্টিৰ ৰাজ্যিক সভাপতি সৌৰভ ভৰদ্বাজে দিল্লীৰ মুখ্যমন্ত্ৰী ৰেখা গুপ্তাৰ নেতৃত্বাধীন বিজেপি চৰকাৰৰ বিৰুদ্ধে প্ৰদূষণ নিয়ন্ত্ৰণত ব্যৰ্থতাৰ অভিযোগ উত্থাপন কৰিছে। তেওঁ ব্যংগাত্মকভাৱে কয়, "মুখ্যমন্ত্ৰীয়ে AQI (Air Quality Index) শব্দটোৰ উচ্চাৰণো কৰিব নোৱাৰে। তেওঁ আইকিউ বা কিউকিউ বুলি কয়! চৰকাৰৰ কোনো প্ৰস্তুতি নাছিল। প্ৰদূষণ ৰোধৰ বাবে তেওঁলোকে একো কৰা নাই।" ভৰদ্বাজে আৰু অভিযোগ কৰে যে, যেতিয়া দিল্লীত প্ৰদূষণৰ জৰুৰীকালীন অৱস্থাৰ সৃষ্টি হৈছিল, তেতিয়া বিজেপি নেতাসকলে সাধাৰণ মানুহক ফটকা ফুটাবলৈ উৎসাহিত কৰিছিল। তেওঁ প্ৰশ্ন উত্থাপন কৰে, "চৰকাৰে দীপাৱলীৰ পিছত কৃত্ৰিম বৰষুণৰ দ্বাৰা প্ৰদূষণ নিয়ন্ত্ৰণৰ প্ৰতিশ্ৰুতি দিছিল। সেই প্ৰতিশ্ৰুতি ক'ত? মানুহ অসুস্থ হৈ পৰিছে, কিন্তু চৰকাৰৰ তৰফৰ পৰা কোনো কাৰ্যকৰী ব্যৱস্থা গ্ৰহণ কৰা হোৱা নাই।" কংগ্ৰেছৰ মুখপাত্ৰ শ্বামা মহম্মদে সামাজিক মাধ্যম এ'ত লিখিছে, "দিল্লীৰ AQI ৪০০ অতিক্ৰম কৰিছে, বতাহ এনে হৈ পৰিছে যে উশাহ লোৱাই অসম্ভৱ। প্ৰধানমন্ত্ৰী মোডী ১১ বছৰ ধৰি ক্ষমতাত আছে, আৰু এতিয়া দিল্লীতো বিজেপিৰ চৰকাৰ। মুখ্যমন্ত্ৰীয়ে আদালতত গৈ ফটকা ফুটাবলৈ অনুমতি বিচাৰিছিল, কিন্তু সেই নিৰ্দেশ মানি লোৱা নাছিল। বিজেপিয়ে দিল্লীৰ জনসাধাৰণৰ প্ৰতি সম্পূৰ্ণৰূপে ব্যৰ্থ হৈছে।" অন্যহাতে, বিজেপিয়ে প্ৰতিৰক্ষা হিচাপে যুক্তি দিছে যে, দিল্লীৰ প্ৰদূষণৰ মূল কাৰণ হৈছে চুবুৰীয়া ৰাজ্যসমূহত শস্যৰ অৱশিষ্ট জ্বলোৱা। দিল্লীৰ পৰিৱেশ মন্ত্ৰী মঞ্জিন্দৰ সিং ছিৰছাই কয়, "উচ্চতম ন্যায়ালয়ৰ নিষেধাজ্ঞাৰ পিছতো চুবুৰীয়া ৰাজ্যসমূহত খেৰ জ্বলোৱা অব্যাহত আছে। এই দায়িত্বহীনতাৰ পৰিণাম দিল্লীৰ জনতাই ভোগ কৰিবলগীয়া হৈছে।" বিজেপিৰ আই টি চেলৰ প্ৰধান অমিত মালৱিয়াই সামাজিক মাধ্যমত মন্তব্য কৰি কয়, "দীপাৱলীক দোষাৰোপ কৰা উচিত নহয়। দিল্লীৰ আকাশ ঢাকি ৰাখিছে উৎসৱৰ পোহৰে নহয়, আম আদমী পাৰ্টিৰ শাসনৰ ধোঁৱাই।" কেন্দ্ৰীয় প্ৰদূষণ নিয়ন্ত্ৰণ ব'ৰ্ড (চিপিচিবি)ৰ তথ্য অনুসৰি, দীপাৱলীৰ পিছত সোমবাৰে পুৱা ১১ বজাত দিল্লীৰ AQI ৩৫৯ত উপনীত হৈছিল, যিটো 'অতি দুৰ্বল' শ্ৰেণীত পৰিছে। ৩৮টা নিৰীক্ষণ ষ্টেচনৰ ভিতৰত ৩৫টা 'ৰেড জ'ন'ত আছিল। এই পৰিস্থিতিয়ে জনতাৰ মাজত উশাহ-নিশাহৰ সমস্যাৰ সৃষ্টি কৰিছে আৰু দৃশ্যমানতা যথেষ্ট কমি গৈছে। বিশেষজ্ঞসকলে এই সংকটৰ কাৰণ হিচাপে নাগৰিকৰ অজ্ঞানতা, প্ৰশাসনৰ শৈথিল্য আৰু চুবুৰীয়া ৰাজ্যসমূহৰ দায়িত্বহীনতাক চিহ্নিত কৰিছে। এই পৰিস্থিতিত ৰাজনৈতিক দলসমূহৰ পৰস্পৰৰ প্ৰতি দোষাৰোপৰ মাজত দিল্লীৰ জনতাৰ স্বাস্থ্য সুৰক্ষাৰ বিষয়টোৱে গুৰুত্বপূৰ্ণ প্ৰশ্নৰ সৃষ্টি কৰিছে।

## এজোপা গছো কটা হোৱা

প্ৰেৰণ কৰিছে। মঙলবাৰে ঘটনাস্থলী পৰিদৰ্শন কৰি তেওঁ জুবিন গাৰ্গৰ ন্যায় বিচাৰৰ দাবীৰ পৰা আৰম্ভ কৰি তেওঁৰ সাংস্কৃতিক উত্তৰাধিকাৰ জীয়াই ৰাখিবলৈ ভৱিষ্যতৰ পৰিকল্পনাৰ কথা উল্লেখ কৰিছে। শৰ্মাই স্পষ্ট কৰি কৈছে যে, জুবিন গাৰ্গৰ ন্যায়ৰ বাবে বিজেপি প্ৰতিশ্ৰুতিবদ্ধ। তেওঁ কয়, "আমি জুবিনক হৃদয়ৰ গভীৰতাৰ পৰা ভাল পাওঁ। তেওঁৰ ন্যায়ৰ বাবে আমি শতভাগ প্ৰচেষ্টা চলাম। এই বিষয়ে কোনো সন্দেহৰ অৱকাশ নাই।" মুখ্যমন্ত্ৰীয়ে বা'ৰ হিংসাত্মক ঘটনাৰ পৰিপ্ৰেক্ষিতত জনতাৰ দুখৰ সৈতে একাত্মতা প্ৰকাশ কৰিছে। তেওঁ কয়, "মুখ্যমন্ত্ৰী হিচাপে মই ৰাইজৰ কথা শুনিম। গাঁৱৰ মানুহৰ দুখৰ দিনত মই তেওঁলোকৰ কাযত আছো। আহত যুৱক দুজনৰ চিকিৎসাৰ ব্যৱস্থা কৰা হ'ব আৰু ভয়ত লুকাই থকাসকলক নিৰাপদে ঘূৰাই আনিবলৈ পদক্ষেপ লোৱা হ'ব।" তেওঁ ৰাইজৰ মনৰ কথা বুজি পৰিস্থিতি নিয়ন্ত্ৰণৰ বাবে প্ৰশাসনৰ প্ৰতি আস্থা প্ৰকাশ কৰিছে। জুবিন গাৰ্গৰ অৱদানক স্মৰণীয় কৰি ৰাখিবলৈ মুখ্যমন্ত্ৰীয়ে কেইবাটাও পৰিকল্পনাৰ কথা ঘোষণা কৰিছে। তেওঁ জানিবলৈ দিছে যে, জুবিনৰ আধৰুৱা কামবোৰ সম্পূৰ্ণ কৰাৰ লক্ষ্যৰে প্ৰতিটো সমষ্টিত সংগীত বিদ্যালয় আৰু মহাবিদ্যালয় স্থাপন কৰা হ'ব। ইয়াৰ উপৰি জুবিনৰ প্ৰতিমূৰ্তি নিৰ্মাণৰ পৰিকল্পনাও গ্ৰহণ কৰা হৈছে। শৰ্মাই কয়, "বিজেপিৰ প্ৰতিগৰাকী সদস্যই ঘৰত নাহৰৰ পুলি ৰোপণ কৰিব, যাতে জুবিনৰ স্মৃতি আমাৰ মাজত চিৰজীৱী হৈ থাকে। আমি তেওঁৰ পৰা শিক্ষা লৈ ইতিবাচকভাৱে আগবাঢ়িম। জুবিনৰ কথাৰেই কওঁ—'দ্যা শ্বো মাষ্ট গো অন'। অসমক আমি আগুৱাই নিব লাগিব।" জুবিনৰ মৃত্যুৰ পাছত গছ কটাৰ বিষয়ে চলা অপপ্ৰচাৰৰ জৱাবত মুখ্যমন্ত্ৰীয়ে স্পষ্ট কৰি কৈছে যে, এই তথ্য সম্পূৰ্ণ মিছা। তেওঁ কয়, "এজোপা গছো কটা হোৱা নাই। গছবোৰ সুৰক্ষিত আৰু জীয়াই আছে। মৃত্যুৰ পূৰ্বে জুবিনে মোক সুধিছিল, 'দাদা, গছবোৰ থাকিবনে?' মই তেওঁক গেৰাণ্টি দিছিলো যে গছবোৰ ৰক্ষা কৰা হ'ব।" শৰ্মাই এই বিষয়ে বিভ্ৰান্তিৰ সৃষ্টি কৰা একাংশ লোকৰ সমালোচনা কৰি কয় যে, জুবিনৰ মৃত্যুক কেন্দ্ৰ কৰি কিছুমানে সুযোগ গ্ৰহণৰ চেষ্টা কৰিছে। ইয়াৰ সমান্তৰালকৈ মুখ্যমন্ত্ৰীয়ে ৰাজ্যত চলি থকা আন্দোলনৰ বিষয়েও মন্তব্য কৰিছে। তেওঁ কয়, "মোৰ পদত্যাগ হ'লে আন্দোলনৰ ৫০ শতাংশ নোহোৱা হৈ যাব। আৰু বাকী ৫০ শতাংশ গৌৰৱ গগৈ মুখ্যমন্ত্ৰী হ'লে শেষ হৈ যাব।" এই মন্তব্যৰ জৰিয়তে তেওঁ ৰাজনৈতিক স্থিতিশীলতাৰ ওপৰত গুৰুত্ব আৰোপ কৰি পৰিস্থিতি নিয়ন্ত্ৰণৰ প্ৰতি নিজৰ দায়বদ্ধতা প্ৰকাশ কৰিছে। জুবিন গাৰ্গৰ স্মৃতিক সন্মান জনাই আৰু তেওঁৰ অৱদানক চিৰস্থায়ী কৰি ৰাখিবলৈ মুখ্যমন্ত্ৰীৰ এই প্ৰতিশ্ৰুতি আৰু পৰিকল্পনাই ৰাজ্যৰ জনতাৰ মাজত আশাৰ সঞ্চাৰ কৰিছে। একে সময়তে, তেওঁৰ নিৰাপত্তা আৰু ন্যায়ৰ প্ৰতি দৃঢ়তাই ৰাজ্যত শান্তি প্ৰতিষ্ঠাৰ প্ৰচেষ্টাক শক্তিশালী কৰিছে।

## জুবিন গাৰ্গৰ ন্যায়ৰ আন্দোলন

বিতৰ্কৰ সৃষ্টি কৰিছে। মঙলবাৰে বাক্সা জিলাৰ নিকাছিত উপস্থিত হৈ তেওঁ কয়, "মই পদত্যাগ কৰিলে ৰাজ্যৰ ৫০ শতাংশ আন্দোলন শেষ হ'ব। গৌৰৱ গগৈক মুখ্যমন্ত্ৰী পাতিলে বাকী ৫০ শতাংশ আন্দোলনো বন্ধ হ'ব। এই আন্দোলন জুবিনক ন্যায় দিয়াৰ নহয়, বৰং ৰাজনৈতিক সুযোগ লোৱাৰ প্ৰয়াস।" তেওঁ দাবী কৰে যে জুবিনৰ প্ৰকৃত অনুৰাগীৰ পৰা এই আন্দোলন ভিন্ন, কিয়নো জুবিনৰ মৃত্যুৰ পিছত কিছুমানে তেওঁক সমালোচনা কৰাৰ পিছতো এতিয়া আন্দোলনত অংশ লৈছে। তেওঁ জুবিনৰ স্মৃতি চিৰজীৱী কৰাৰ বাবে বিজেপিৰ প্ৰচেষ্টাৰ কথাও উল্লেখ কৰে। ইফালে, মুখ্যমন্ত্ৰীৰ এই মন্তব্যৰ প্ৰত্যুত্তৰত বিধায়ক অখিল গগৈয়ে তীব্ৰ প্ৰতিক্ৰিয়া প্ৰকাশ কৰি কয়, "যদি পদত্যাগে আন্দোলন বন্ধ কৰে, তেন্তে শীঘ্ৰে পদত্যাগ কৰক।" তেওঁ জুবিনৰ অন্তিম যাত্ৰাত ৰাষ্ট্ৰীয় মৰ্যাদা প্ৰদান নকৰাৰ অভিযোগ তুলি চৰকাৰৰ ব্যৰ্থতাৰ এক তালিকা প্ৰকাশ কৰে। তাৰ ভিতৰত: জুবিনৰ জীৱনৰ নিৰাপত্তা নিশ্চিত নকৰা, ছিংগাপুৰৰ পৰা চাৰ্টাৰ্ড ফ্লাইটত নানা, শ্যামকানু মহন্তৰ দৰে অভিযুক্তক তৎকালীন গ্ৰেপ্তাৰ নকৰা, গুৱাহাটীত জুবিনৰ শ্ৰদ্ধাঞ্জলিৰ সুব্যৱস্থা নকৰা, লুইতৰ পাৰত সমাধিৰ বাবে মাটি নিদিয়া, আৰু মৰণোত্তৰ পৰীক্ষাৰ সঠিক ব্যৱস্থা নকৰা। অখিল গগৈয়ে আৰু অভিযোগ কৰে যে চৰকাৰে ছিংগাপুৰৰ পৰা তদন্তত সহযোগিতা লাভ কৰাত বিলম্ব কৰিছে আৰু চিবিআই তদন্ত বা সবল ন্যায়িক আয়োগ গঠন কৰা নাই। এই ব্যৰ্থতাৰ ফলত জনতাৰ মাজত অসন্তোষ বাঢ়িছে।

## ভ্ৰাম্যমাণতো প্ৰভাৱ প্ৰাণৰ

কোনেও। জুবিন বিহীন সেৰেঙা সকলোৰে মন। উকা উৎসৱ পৰ্বন। প্ৰভাৱ পৰিছে সাংস্কৃতিক মহলত। বৰ্তমান ৰাজ্যত চলি আছে ভ্ৰাম্যমাণৰ বতৰ। আগষ্টৰ মাজভাগৰ পৰা ৰাজ্যত আৰম্ভ হোৱা ভ্ৰাম্যমাণৰতো প্ৰভাৱ পৰিছে প্ৰাণৰ শিল্পী জুবিন গাৰ্গ ৰহস্যজনক মৃত্যুৰ। ৰাজ্যত আৰম্ভ হৈছে ভ্ৰাম্যমাণৰ বতৰ। উজনিৰ পৰা নামনিলৈ ৰাজ্যৰ প্ৰতিটো আগশাৰী নাট্যদলৰ লগতে নতুনকৈ ৰাজ্যৰ ভ্ৰাম্যমাণ ক্ষেত্ৰত সংযোজন হোৱা নাট্যদলসমূহে ভিন্ন ধৰ্মী নাটকসমূহলৈ কাষ চাপিছে দৰ্শকৰ ওচৰত। কিন্তু পূৰ্বৰ তুলনাত এইবাৰ ভ্ৰাম্যমাণৰ মঞ্চত সেৰেঙা দৰ্শকৰ উপস্থিতি। উল্লেখ্য যে, ভ্ৰাম্যমাণৰ সমান্তৰালকৈ প্ৰভাৱ কৰিছে ছবিজগতো। ইতিমধ্যে পিছুৱাই দিয়া হৈছে ছেপ্টেম্বৰ শেষৰ ভাগত আৰু অক্টোবৰত মুক্তিলাভ কৰিবলগীয়া কেইবাখনো ছবিৰ মুক্তিৰ দিন। সাংস্কৃতিক ক্ষেত্ৰৰ লগতে অন্যান্য ক্ষেত্ৰতো পৰিছে প্ৰাণৰ শিল্পীগৰাকী নোহোৱাৰ প্ৰভাৱ। সকলোৰে মাত্ৰ এতিয়া ন্যায় বিচাৰিছে শিল্পীগৰাকীৰ ৰহস্যজনক মৃত্যুৰ।

## সীমান্তত পুনৰ ৮জন অবৈধ

ভাৱে প্ৰৱেশৰ চেষ্টা অব্যাহত থকাৰ মাজতে নিৰাপত্তাৰক্ষীৰ সতৰ্কতাই এই প্ৰচেষ্টাক ব্যৰ্থ কৰিছে। ২১ অক্টোবৰত তেওঁৰ এক্স হেণ্ডেলত দিয়া এটা পোষ্টত মুখ্যমন্ত্ৰীয়ে উল্লেখ কৰিছে যে, পৃথিৱীৰ সাতটা আশ্চৰ্য্যৰ কথা সকলোৱে জানে, কিন্তু অষ্টম আশ্চৰ্য্য হৈছে অবৈধ অনুপ্ৰৱেশকাৰীৰ অসমত লুকাই-চুৰকৈ সোমাই ভূমি দখলৰ চেষ্টা। তেওঁ কয়, "আমি অসমত এই আশ্চৰ্য্যক আৰু ঘূৰি ফুৰিবলৈ নিদিওঁ।" মুখ্যমন্ত্ৰীৰ মতে, পুৱতি নিশা সীমান্তৰে অসমত প্ৰৱেশ কৰা ৮জন অনুপ্ৰৱেশকাৰীক অসম আৰক্ষীৰ তৎপৰতা আৰু সজাগতাৰ জৰিয়তে আটক কৰা হৈছিল। পৰৱৰ্তী সময়ত তেওঁলোকক সীমান্তৰ সিপাৰলৈ ওভতাই পঠোৱা হয়। মুখ্যমন্ত্ৰীয়ে অসম আৰক্ষীৰ এই নিৰন্তৰ প্ৰচেষ্টাৰ শলাগ লৈছে আৰু অবৈধ অনুপ্ৰৱেশ ৰোধত তেওঁলোকৰ কাৰ্যকৰী ভূমিকাৰ প্ৰশংসা কৰিছে। ইয়াৰ পূৰ্বে, ২০ অক্টোবৰত মুখ্যমন্ত্ৰীয়ে জানিবলৈ দিছিল যে, ১৮জন বাংলাদেশী নাগৰিকক গ্ৰেপ্তাৰ কৰি সীমান্তৰ সিপাৰলৈ ওভতাই পঠোৱা হৈছে। তেওঁ তেওঁৰ এক্স পোষ্টত উল্লেখ কৰিছিল যে, কোহলীৰ আইকনিক ষ্ট্ৰেইট ড্ৰাইভৰ দৰে অসম আৰক্ষীয়ে অবৈধ অনুপ্ৰৱেশকাৰীক পোনে পোনে পুষ্টবেক কৰি আছে। তেওঁ লগতে কৈছিল, "দীপাৱলীৰ সময়ত ভালে বেয়াক পৰাস্ত কৰাৰ পৰম্পৰা অব্যাহত আছে।" অসমৰ সীমান্তত অবৈধ অনুপ্ৰৱেশৰ প্ৰচেষ্টা অব্যাহত থকাৰ পৰিপ্ৰেক্ষিতত নিৰাপত্তাৰক্ষীৰ এই কঠোৰ তৎপৰতা আৰু সতৰ্কতাই ৰাজ্যখনৰ সুৰক্ষাত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিছে। মুখ্যমন্ত্ৰীৰ এই প্ৰকাশৰ জৰিয়তে অসমৰ জনসাধাৰণৰ মাজতো নিৰাপত্তাৰ বিষয়ে এক সুদৃঢ় বাৰ্তা প্ৰেৰণ কৰা হৈছে।

## অসম-মেঘালয় সীমান্তত

আৰু মেঘালয়ৰ লাপাংগাপ গাঁৱৰ কৃষকসকলে এতিয়া নিৰ্ভয়ে ধান চপোৱাৰ কাম পুনৰ আৰম্ভ কৰিব পাৰিব। ২০ অক্টোবৰত খাণ্ডুলী সীমান্ত চকীত অনুষ্ঠিত এক গুৰুত্বপূৰ্ণ বৈঠকত এই শান্তি চুক্তি স্বাক্ষৰিত হয়। এই সীমান্ত অঞ্চলত অসমৰ তাহপাট গাঁও আৰু মেঘালয়ৰ লাপাংগাপ গাঁৱৰ কৃষকসকলৰ মাজত ভূমিৰ অধিকাৰক কেন্দ্ৰ কৰি উত্তেজনা তীব্ৰ হৈ উঠিছিল। বিগত ৮ অক্টোবৰত এই সংঘাতে ভয়ংকৰ ৰূপ লৈছিল, য'ত তাহপাটৰ অৰিভেল টিমুঙ নিহত হয়। এই ঘটনাৰ পিছত সীমান্ত এলেকাত ভয়াৱহ পৰিস্থিতিৰ সৃষ্টি হৈছিল, যিয়ে স্থানীয় জনজীৱনক স্তব্ধ কৰি তুলিছিল। খাণ্ডুলী সীমান্ত চকীত অনুষ্ঠিত বৈঠকত অসমৰ পশ্চিম কাৰ্বি আংলং আৰু মেঘালয়ৰ পশ্চিম জয়ন্তীয়া পাহাৰৰ প্ৰতিনিধিৰ লগতে সীমান্তৰ দণ্ডাধীশ জি.এইচ.পাছাহ, জিলা আয়ুক্ত এছ পি ছাৰ্মা আৰু জ্যেষ্ঠ আৰক্ষী অধীক্ষক আৰ বাৰুৱা উপস্থিত আছিল। দীৰ্ঘ আলোচনাৰ অন্তত উভয় পক্ষই শান্তি বজাই ৰাখিবলৈ, তদন্তত সহযোগিতা কৰিবলৈ আৰু কৃষকসকলক মুক্তভাৱে খেতিৰ কাম কৰাৰ অনুমতি প্ৰদানৰ বিষয়ে সন্মতি প্ৰকাশ কৰে। ইয়াৰ উপৰিও, অৰিভেল টিমুঙৰ মৃত্যুৰ ন্যায়ৰ বাবে দুয়োখন ৰাজ্যই সম্পূৰ্ণ সহযোগিতা প্ৰদানৰ প্ৰতিশ্ৰুতি দিছে। বৈঠকত স্থানীয় জনতাৰ মাজত শান্তি আৰু পাৰস্পৰিক সহযোগিতাৰ পৰিৱেশ পুনৰ গঢ়ি তোলাৰ প্ৰতি গুৰুত্ব দিয়া হৈছে। এই চুক্তিক সীমান্ত গাঁওসমূহৰ মাজত আস্থা পুনৰ্নিৰ্মাণৰ এক গুৰুত্বপূৰ্ণ পদক্ষেপ হিচাপে গণ্য কৰা হৈছে। স্থায়ী শান্তি আৰু নিৰাপত্তা নিশ্চিত কৰাৰ বাবে উভয় ৰাজ্যৰ বিষয়াসকলে ভৱিষ্যতেও আলোচনা অব্যাহত ৰাখিবলৈ সন্মতি জনাইছে। এই শান্তি চুক্তিয়ে সীমান্তৰ কৃষকসকলৰ জীৱনযাত্ৰা স্বাভাৱিক কৰি তুলিব আৰু অঞ্চলটোত স্থিতিশীলতা আনিব বুলি আশা কৰা হৈছে।

## তিনি মাহৰ ভিতৰত জুবিন

তদন্তকাৰী দল) নেতা মুন্না প্ৰসাদ গুপ্তাৰ নেতৃত্বত আৰক্ষী বিষয়া অৰুণ গোৱেলে ছিংগাপুৰৰ আৰক্ষীৰ সৈতে প্ৰায় তিনি ঘণ্টাব্যাপী আলোচনাত মিলিত হৈছে। জানিব পৰা মতে, এই বৈঠকত জুবিন গাৰ্গৰ মৃত্যুৰ তদন্তৰ অগ্ৰগতি পৰ্যালোচনাৰ লগতে তদন্তৰ বাবে অত্যাৱশ্যকীয় তথ্য সংগ্ৰহৰ ওপৰত গুৰুত্ব দিয়া হৈছিল। বৈঠকত উভয় পক্ষই তদন্তৰ স্বচ্ছতা আৰু দক্ষতা বজাই ৰখাৰ ক্ষেত্ৰত মতৈক্য প্ৰকাশ কৰে। বৈঠকৰ অন্তত এক গুৰুত্বপূৰ্ণ সিদ্ধান্ত গ্ৰহণ কৰা হৈছে যে, ছিংগাপুৰ আৰক্ষীয়ে আগন্তুক তিনি মাহৰ ভিতৰত জুবিন গাৰ্গৰ মৃত্যুৰ বিষয়ে এক বিশদ প্ৰতিবেদন দাখিল কৰিব। ইয়াৰ উপৰি, চলি থকা তদন্তক সহায় কৰিবলৈ চি আই ডিৰ দ্বাৰা বিচৰা প্ৰয়োজনীয় তথ্য আৰু নথিপত্ৰ ছিংগাপুৰ আৰক্ষীয়ে প্ৰদান কৰিবলৈ প্ৰতিশ্ৰুতিবদ্ধ হৈছে। এই বৈঠকে তদন্তৰ গতি ত্বৰান্বিত কৰাৰ লগতে জুবিন গাৰ্গৰ মৃত্যুৰ সঠিক কাৰণ আৰু পৰিস্থিতিৰ বিষয়ে স্পষ্টতা আনিবলৈ এক গুৰুত্বপূৰ্ণ পদক্ষেপ হিচাপে পৰিগণিত হৈছে। অসমৰ জনতাৰ মাজত এই ঘটনাৰ প্ৰতি গভীৰ কৌতূহল আৰু উদ্বেগৰ সৃষ্টি হৈ থকাৰ পৰিপ্ৰেক্ষিতত, এই আন্তঃৰাষ্ট্ৰীয় সহযোগিতাই তদন্তৰ নিৰপেক্ষতা আৰু স্বচ্ছতা নিশ্চিত কৰাত সহায়ক হ'ব বুলি আশা কৰা হৈছে।

## কাইলৈ পুনৰ পৰ্যটকৰ বাবে

হৈ থকা অভয়াৰণ্যখনত বানৰ ফলত হোৱা আন্তঃগাঁথনিৰ ক্ষতি ইতিমধ্যে মেৰামতি কৰা হৈছে বুলি অভয়াৰণ্যখনৰ মাণ্ডলিক বিষয়া প্ৰাঞ্জল বৰুৱাই প্ৰকাশ কৰিছে। তেওঁ কয় যে অভয়াৰণ্যখন মুকলি কৰাৰ লগে লগে পৰ্যটকসকলে জীপ আৰু হাতী চাফাৰি কৰিব পাৰিব। উল্লেখযোগ্য যে ১৯৯৮ চনত পবিতৰা সংৰক্ষিত বনাঞ্চল আৰু ৰজামায়ং পাহাৰ সংৰক্ষিত বনাঞ্চলৰ একত্ৰীকৰণ কৰি পবিতৰা অভয়াৰণ্যখন গঠন কৰা হৈছিল। বিশ্বৰ ভিতৰত কম আয়তনত সৰ্বাধিক গঁড় থকা অভয়াৰণ্যখনৰ দ্বাৰ বন মন্ত্ৰী চন্দ্ৰমোহন পাটোৱাৰীয়ে আনুষ্ঠানিকভাৱে মুকলি কৰিব। উল্লেখযোগ্য যে ১১০টা গঁড় থকা অভয়াৰণ্যখনত শীতৰ আগমনৰ লগে লগে দেশী-বিদেশী বহু পৰিভ্ৰমী চৰায়ে বাহ লোৱা বুলি কৰ্তৃপক্ষই জানিবলৈ দিছে। উদ্যানখনত ২০২২ চনত কৰা পিয়ল অনুসৰি ২২টা প্ৰজাতিৰ স্তন্যপায়ী প্ৰাণী, ২৭টা প্ৰজাতিৰ সৰীসৃপ, ৯টা উভচৰ প্ৰজাতিৰ প্ৰাণী, ৪১বিধ মাছ আৰু ৩৭৫টা প্ৰজাতিৰ চৰাই আছে। গঁড়ৰ উপৰি অভয়াৰণ্যখনৰ ঘাঁহনি, অৰণ্য আৰু জলাশয়ত নাহৰ ফুটুকী, বনৰীয়া ম'হ, বনৰীয়া গাহৰি আৰু হৰিণৰ কেইবাটাও প্ৰজাতি পোৱা যায়।

## চাহ শ্ৰমিকৰ হাতত মাটিৰ

গ্ৰামীণ অৰ্থনীতি আৰু সামাজিক ব্যৱস্থাক সবল কৰি তুলিব বুলি ৰাজ্যিক বিজেপিৰ মুখপাত্ৰ ৰঞ্জীৱ কুমাৰ শৰ্মাই মন্তব্য কৰিছে। গুৱাহাটীৰ অটল বিহাৰী বাজপেয়ী ভৱনত আয়োজিত এক সংবাদমেলত দলৰ মুখপাত্ৰ কিশোৰ কুমাৰ ভট্টাচাৰ্য্য আৰু কল্যাণ গগৈৰ উপস্থিতিত শৰ্মাই এই কথা প্ৰকাশ কৰে। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই অসম বিধানসভাৰ শীতকালীন অধিৱেশনত এই সন্দৰ্ভত বিধেয়ক উত্থাপনৰ জৰিয়তে চাহ শ্ৰমিকসকলক মাটিৰ অধিকাৰ প্ৰদানৰ ঘোষণা কৰিছিল। এই ঘোষণাৰ পিছত চাহ জনগোষ্ঠীৰ মাজত এক ইতিবাচক সামাজিক পৰিৱৰ্তনৰ পথ মুকলি হৈছে। শৰ্মাই সংবাদমেলত কয়, "কংগ্ৰেছৰ শাসনকালত বহুজাতিক কোম্পানীক ৯৯ বছৰৰ বাবে পানীৰ দামত মাটি লীজত দি চাহ শ্ৰমিকসকলক ভূমিহীন কৰি ৰখা হৈছিল। কিন্তু মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ নেতৃত্বত বিজেপি চৰকাৰে এই মাটি শ্ৰমিকৰ হাতত তুলি দিয়াৰ এক সাহসী সিদ্ধান্ত লৈছে।" এই সিদ্ধান্তই চাহ জনগোষ্ঠীৰ মাজত এক বৃহৎ জনজাগৰণৰ সৃষ্টি কৰিছে। মুখ্যমন্ত্ৰীৰ ঘোষণাৰ মাত্ৰ এসপ্তাহৰ ভিতৰতে ২ লাখতকৈ অধিক লোকে জিলা আয়ুক্তৰ কাৰ্যালয় আৰু চৰকাৰৰ নিৰ্দিষ্ট ৱেবছাইটৰ জৰিয়তে মাটিৰ অধিকাৰৰ বাবে আবেদন জনাইছে। এই অভূতপূৰ্ব জনসজাগতাক শৰ্মাই এক ঐতিহাসিক ঘটনা হিচাপে বৰ্ণনা কৰে। তেওঁৰ মতে, এই পদক্ষেপে চাহ শ্ৰমিকসকলৰ মাজৰ সামাজিক হীনমন্যতা দূৰ কৰি তেওঁলোকক ৰাজ্যৰ উন্নয়নৰ মূল ধাৰাৰ সৈতে সংযোগ কৰিব। মুখ্যমন্ত্ৰীৰ এই দূৰদৰ্শী সিদ্ধান্তই অসমৰ গ্ৰামীণ অৰ্থনীতিৰ প্ৰগতিত এক গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিব বুলি বিজেপিৰ মুখপাত্ৰই আশা প্ৰকাশ কৰে। এই উদ্যোগৰ জৰিয়তে লাখ লাখ চাহ শ্ৰমিকৰ জীৱনযাত্ৰাৰ মান উন্নীত হ'ব আৰু তেওঁলোকৰ সামাজিক মৰ্যাদা সুদৃঢ় হ'ব। শৰ্মাই আৰু জানায় যে, এই পদক্ষেপ অসমৰ উন্নয়নৰ ইতিহাসত এক স্মৰণীয় মাইলৰ খুঁটি হিচাপে চিহ্নিত হৈ থাকিব।

## বাক্সাৰ নিকাছি কাণ্ডৰে জড়িত

জিলা কাৰাগাৰলৈ জুবিনৰ মৃত্যু গোচৰত অভিযুক্ত পাঁচজনক নিয়াৰ পিছত সংঘটিত হোৱা হিংসাত্মক ঘটনাৰে সাঙোৰ খোৱা হৰেকৃষ্ণ পাঠক নামৰ লোকজনক আটক আৰক্ষীৰ। হৰেকৃষ্ণ পাঠক আছুৰ পৰা বহিস্কৃত তথা বৰ্তমান ইউপিপিএলৰ নেতা। উল্লেখ্য যে নিকাছি কাণ্ডত আৰক্ষীৰ গুলীত আহত দুজনক এককালীন সাহায্য দিয়াৰ অৰ্থে আজি মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা উপস্থিত হৈছিল নিকাছিত। স্থানীয় ৰাইজৰে মতবিনিময় কৰি মুখ্যমন্ত্ৰীয়ে কয় যে, আৰক্ষীৰ বাহনত অগ্নিসংযোগ কৰাসকলক বাদ দি আনসকলক আৰক্ষীয়ে আটক নকৰে। সেয়েহে পলাই থকাসকলে এতিয়া নিজ গৃহত নিৰ্ভয়ে থাকক। তেওঁলোকক আৰক্ষীয়ে নকৰে।

## ১০৬ বছৰৰ মূৰত তিনিচুকীয়া

২০১৯ চনতে তিনিচুকীয়া পৌৰসভাৰ শতবৰ্ষ উদযাপন হ'ব লাগিছিল যদিও প্ৰয়াত দীপ্তি দাসৰ অধ্যক্ষতাৰ কালত উক্ত কাৰ্যসূচী আয়োজন কৰিব পৰা নগ'ল। পলমকৈ হ'লেও বৰ্তমানৰ অধ্যক্ষ পুলক চেতিয়া আৰু মুখ্য কাৰ্যবাহী বিষয়া নয়নজ্যোতি নাথৰ নেতৃত্বত তিনিচুকীয়া পৌৰসভাই চলিত বৰ্ষত শতবাৰ্ষিকী উদযাপনৰ সংকল্প লৈছে। সেই সন্দৰ্ভত আলোচনা কৰি এখন শক্তিশালী উদযাপন সমিতি গঠনৰ উদ্দেশ্যে তিনিচুকীয়া পৌৰসভাৰ উদ্যোগত যোৱা ১৭ অক্টোবৰ তাৰিখে চহৰখনৰ বিশিষ্ট ব্যক্তিসকলক আমন্ত্ৰণ জনায় এখন ৰাজহুৱা সভা অনুষ্ঠিত কৰিছিল। কিন্তু উক্ত দিনা গঠিত অৰ্থাৎ উদযাপন সমিতিখনৰ পূৰ্ব প্ৰস্তুত পেনেলখনত অন্তৰ্ভুক্ত হোৱা জনৈক অধিবক্তা বিশ্বজিত প্ৰসাদক লৈ বিতৰ্কৰ সৃষ্টি হৈছে। উল্লেখ্য যে, অধিবক্তা বিশ্বজিত প্ৰসাদ শেহতীয়াকৈ সংঘটিত কেতবোৰ অপৰাধমূলক গোচৰৰ প্ৰধান অভিযুক্ত হিচাপে বৰ্তমান জামিন লৈ মুক্ত আকাশৰ তলত আছে। অভিযোগ মতে, তেওঁৰ অতীতৰ ইতিহাসো বিতৰ্কিত। পৌৰসভাৰ শতবৰ্ষ উদযাপনৰ দৰে এখন সন্মানীয় সমিতিত এনে এজন বিতৰ্কিত ব্যক্তিক অন্তৰ্ভুক্ত কৰাটো নিশ্চিতভাৱে গ্ৰহণযোগ্য নহয়। সেয়েহে তেওঁৰ নামটো উক্ত সমিতিৰ পৰা কৰ্তন কৰা উচিত। এই মন্তব্য তিনিচুকীয়া চহৰৰ বিশিষ্ট সমাজ সেৱক, স্তম্ভ লেখক তথা সচেতন নাগৰিক ৰঞ্জন চৌধুৰীৰ। তেওঁৰ মতে বিশ্বজিত প্ৰসাদৰ অন্তৰ্ভুক্তি কোনো কাৰণতে এৰাব নোৱাৰা বিষয় নহয়। কাৰণ উক্ত সমিতিত তিনিচুকীয়া আইন মহাবিদ্যালয়ৰ অধ্যক্ষ সঞ্জয় খৈতানৰ লগতে জ্যেষ্ঠ অধিবক্তা প্ৰতীক দেৱ আৰু ভাস্কৰ দত্তৰ নাম সন্নিবিষ্ট হৈছেই। সমিতিখনত বিতৰ্কিত ব্যক্তিৰ নাম অন্তৰ্ভুক্তিয়ে সচেতন মহলৰ মাজত তিনিচুকীয়া পৌৰসভাৰ ভাবমূৰ্তিত বিৰূপ প্ৰভাৱ পেলোৱাটোৱেই স্বাভাৱিক। সভাত অংশগ্ৰহণ কৰা তিনিচুকীয়া চহৰৰ সচেতন নাগৰিক হিচাপে শ্ৰীচৌধুৰীয়ে শতবৰ্ষ উদযাপন সমিতিৰ ঐক্য আৰু সততা ৰক্ষাৰ্থে উক্ত সমিতিৰ পৰা তাৎক্ষণিকভাৱে বিশ্বজিত প্ৰসাদৰ নামটো বাতিল কৰিবলৈ আহ্বান জনাইছে। উল্লেখ্য যে, উক্ত দিনা সভাত পাঠ কৰা পেনেলত তিনিচুকীয়াৰ বিধায়ক তথা প্ৰাক্তন শ্ৰম মন্ত্ৰী সঞ্জয় কিষাণে স্থান নোপোৱাটোও এক ৰহস্যৰ বিষয় হিচাপে পৰিগণিত হৈছে।

## জুবিন গাৰ্গৰ প্ৰতিমূৰ্তি বিতৰ্কক

তীব্ৰ বিতৰ্কৰ সৃষ্টি হৈছে। হোজাই জিলাৰ কাকীত দেওবাৰে প্ৰতিষ্ঠিত এই প্ৰতিমূৰ্তিৰ মুখমণ্ডল জুবিন গাৰ্গৰ সৈতে সাদৃশ্য নথকাৰ অভিযোগ উত্থাপিত হৈছে। এই বিষয়ে যজ্ঞ কনষ্ট্ৰাকশ্যনৰ স্বত্বাধিকাৰী যজ্ঞজ্যোতি বৰাই সামাজিক মাধ্যমত প্ৰতিক্ৰিয়া জনাইছে, কিন্তু সংবাদ মাধ্যমৰ সৈতে প্ৰত্যক্ষভাৱে কথা পৰিহাৰ কৰিছে। জুবিন গাৰ্গৰ মহাপ্ৰয়াণৰ পিছত নগাঁৱৰ পুৰণিগুদামৰ কাষৰী গাঁৱত অৱস্থিত যজ্ঞ কনষ্ট্ৰাকশ্যনৰ কাৰ্যালয়ত ১১ ফুট উচ্চতাৰ এই প্ৰতিমূৰ্তি নিৰ্মাণৰ কাম আৰম্ভ হৈছিল। যজ্ঞজ্যোতি বৰাৰ নেতৃত্বত প্ৰায় ছয়জনীয়া শিল্পীৰ এটা দলে দিন-ৰাতি অক্লান্ত পৰিশ্ৰম কৰি এই প্ৰতিমূৰ্তি নিৰ্মাণৰ কাম সম্পন্ন কৰে। প্ৰথমে শ্ৰাদ্ধৰ সময়ত প্ৰতিমূৰ্তিটো প্ৰতিষ্ঠাৰ লক্ষ্য থাকিলেও সময়ৰ অভাৱত সেয়া সম্ভৱ নহৈছিল। পৰৱৰ্তী সময়ত শিল্পীজনৰ মৃত্যুৰ মাহেকীয়া শ্ৰাদ্ধৰ সময়ত হোজাইৰ কাকীত প্ৰতিমূৰ্তিটো স্থাপনৰ সিদ্ধান্ত লোৱা হয়।

## পুৰণিগুদামৰ শংকৰী কলা কৃষ্টিৰ সাধক-অৱসৰপ্ৰাপ্ত শিক্ষক দিলীপ ভূঞাৰ মৃত্যু; পুৰণিগুদামত শোকৰ ছাঁ

**অসম বাৰ্তা, পুৰণিগুদাম, ২১ অক্টোবৰঃ** নগাঁও জিলাৰ পুৰণিগুদাম বৰুৱাচুক গাঁৱৰ নিৱাসী, বিশিষ্ট শংকৰী কলা কৃষ্টিৰ সাধক, অৱসৰপ্ৰাপ্ত শিক্ষক দিলীপ ভূঞা (৬৪)ৰ যোৱা কালি পুৱা ৪-১৭ বজাত গুৱাহাটীৰ এখন ব্যক্তিগত চিকিৎসালয়ত চিকিৎসাধীন অৱস্থাত হৃদক্ৰীড়া বন্ধ হৈ মৃত্যু হয়। সমাজসচেতন তথা সৰ্ববৰহী লোকজনৰ মৃত্যুৰ খবৰ বিয়পি পৰা মাত্ৰকে বৃহত্তৰ পুৰণিগুদাম অঞ্চলত গভীৰ শোঁকৰ ছাঁ পৰে। পুৰণিগুদাম মুঢ়ানি গাঁৱত ১৯৬১ চনৰ ২৭ ফেব্ৰুৱাৰীত জন্মগ্ৰহণ কৰা ভূঞাই পৰৱৰ্তী সময়ত পুৰণিগুদাম বৰুৱাচুকগাঁৱত নিগাজীকৈ থাকিবলৈ লয়। শিক্ষাদানকে জীৱনৰ ব্ৰত হিচাপে গ্ৰহণ কৰা লোকজনে নিজ গাঁৱৰে মুঢ়ানি উচ্চ মাধ্যমিক বিদ্যালয়ত শিক্ষকতা জীৱন আৰম্ভ কৰি পৰৱৰ্তী সময়ত পাৰখোৱা উচ্চ মাধ্যমিক বিদ্যালয়লৈ বদলি হয় আৰু শেষত বঢ়মপুৰ শ্বহীদ স্মৃতি বালিকা উচ্চ মাধ্যমিক বিদ্যালয়ৰ পৰা অৱসৰ গ্ৰহণ কৰে। শিক্ষকতাৰ সমান্তৰালকৈ শংকৰী কলা কৃষ্টিৰ চৰ্চা আৰু সাধনাত মনোনিৱেশ কৰা ভূঞাই বিহু নাচ, ৰাস নৃত্য আৰু সত্ৰীয়া নৃত্য পৰিৱেশন আৰু পৰিচালনাৰ লগতে বিভিন্ন মঞ্চত সফল বিচাৰকৰ ভূমিকা পালন কৰিছিল তথা নতুন প্ৰজন্মক নৃত্যগীতৰ শিক্ষা দান কৰিছিল। তেওঁ গুৱাহাটী অনাতঁাৰ কেন্দ্ৰত নিজে হাৰমনিয়াম সঙ্গত কৰি সহঃ শিল্পীসকলক উৎসাহিত কৰিছিল।প্ৰয়াত ভূঞাই কেইবাখনো নাটক আৰু নৃত্যনাটিকা ৰচনা আৰু পৰিচালনা কৰি নাট্য সাহিত্যৰ ভঁৰাল চহকী কৰাৰ লগতে সু-অভিনেতা হিচাপেও ৰাইজৰ সমাদৰ লাভ কৰিছিল।তেওঁ ৰচনা কৰা গল্প, কবিতা আৰু চিন্তাগধুৰ প্ৰবন্ধ সমূহ বিভিন্ন আলোচনীৰ পাতে-পাতে সিঁচৰিত হৈ আছে। পুৰণিগুদাম প্ৰেছ ক্লাবৰ উদ্যোগত অনুষ্ঠিত হৈ অহা অসমৰ প্ৰথমখন শাৰদীয় শিশু গ্ৰন্থমেলা উদ্‌যাপন সমিতিৰো তেওঁ একালৰ সভাপতি আছিল। দিলীপ ভূঞা এগৰাকী সু-সংগঠক হিচাপেও পৰিচিত আছিল। তেওঁ অসম সাহিত্য সভাৰ আজীৱন সদস্য হিচাপে কাৰ্যনিৰ্বাহ কৰিছিল।বৃহত্তৰ পুৰণিগুদাম অঞ্চলৰ বিভিন্ন অনুষ্ঠান ক্ৰমে প্ৰগতি নাট্যগোষ্ঠী (মুঢ়ানি), প্ৰতিভা বিকাশ সমিতি (মুঢ়ানি), পুৰণিগুদাম শতদল শাখা সাহিত্য সভা, জ্যেষ্ঠ নাগৰিক সন্মিলন (পুৰণিগুদাম), পুৰণিগুদাম বাপুজী ভৱন আৰু পুথিভঁৰাল, অনিৰ্বাণ গোষ্ঠী, অসম নাট্য সন্মিলন, পুৰণিগুদাম শাখা, পথাৰআগ চাৰিআলি বাৰোৱাৰী ৰাস উৎসৱ সমিতি, কলাগুৰু বিষ্ণু প্ৰসাদ ৰাভা চেমনীয়া চ'ৰা (পথাৰআগ)ৰ লগতে বহুকেইটা অনুষ্ঠান-প্ৰতিষ্ঠানৰ লগত ওতপ্ৰোতভাৱে জড়িত আছিল। পুৰণিগুদাম কলংপাৰ চিনিয়ৰ ছেকেণ্ডাৰী স্কুলৰ সক্ৰিয় শুভাকাংক্ষী সদস্য হিচাপে কাৰ্যনিৰ্বাহ কৰা ভূঞাই অসমৰ অন্যতম নাট্য সংগঠন "অবিনশ্বৰ গোষ্ঠী"ৰ আজীৱন সদস্য তথা গোষ্ঠীৰ দ্বাৰা আয়োজিত বিভিন্ন কৰ্মশালাৰ তত্ত্বাৱধায়কৰ দায়িত্ব পালন কৰিছিল।তেওঁৰ মৃত্যু হোৱাৰ খবৰ বিয়পি পৰাৰ লগে-লগে বহু গুণমুগ্ধ তেওঁৰ বাসভৱনত উপস্থিত হৈ শেষ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। শংকৰী কলা সংস্কৃতিৰ সাধক গৰাকীৰ মৃত্যুত পুৰণিগুদাম বাপুজী ভৱন আৰু পুথিভঁৰাল, পুৰণিগুদাম শতদল শাখা সাহিত্য সভা, জ্যেষ্ঠ নাগৰিক সন্মিলন পুৰণিগুদাম,অনিৰ্বাণ গোষ্ঠী, অবিনশ্বৰ গোষ্ঠী, অসম নাট্য সন্মিলন,পুৰণিগুদাম শাখা, পুৰণিগুদাম শৰ্মা বুক এম্পৰিয়াম, পুৰণিগুদাম প্ৰেছ ক্লাব, অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদ, পুৰণিগুদাম শাখা, পুৰণিগুদাম কলং কলা কেন্দ্ৰ, কেন্দ্ৰীয় বিহু উদ্‌যাপন সমিতি, পুৰণিগুদাম, প্ৰমুখ্যে বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানে গভীৰ শোকপ্ৰকাশ কৰাৰ লগতে শোক সন্তপ্ত পৰিয়ালবৰ্গলৈ গভীৰ সমবেদনা জ্ঞাপন কৰে। মৃত্যুৰ সময়ত দিলীপ ভূঞাই পত্নী আৰু এগৰাকী কন্যাসহ বংশ-পৰিয়ালসহ বহু আত্মীয়-স্বজনক ইহ-সংসাৰত এৰি থৈ যায়।

## অভিনেতা, সংগীত শিল্পী, সমাজকৰ্মী, কামপুৰৰ পৰমা লস্কৰৰ মৃত্যু

**অসম বাৰ্তা, কামপুৰ, ২১ অক্টোবৰঃ** কামপুৰৰ বাহাকাবাৰী অঞ্চলৰ সৰ্ববৰহী ব্যক্তি পৰমা লস্কৰ ( পবিন)ৰ কালি নিশা হৃদযন্ত্ৰৰ ক্ৰিয়া বন্ধ হৈ মৃত্যু হয়। অবিবাহিত লস্কৰৰ মৃত্যুৰ সময়ত প্ৰায় ৭০বছৰ বয়স হৈছিল। তেওঁৰ মৃত্যুত সমগ্ৰ অঞ্চলটোতে শোকৰ ছাঁ পৰিছে। উল্লেখ্য যে পৰমা লস্কৰ সাংস্কৃতিক আৰু সামাজিক ক্ষেত্ৰত আগৰণুৱা ব্যক্তি আছিল। অঞ্চলটোৰ বিভিন্ন সামাজিক কাম-কাজৰ সৈতে তেওঁ জড়িত আছিল। সামাজিক অনুষ্ঠানৰ লগতে সংগীত, নাটক, ভাওনা, বিহু আদিৰ অনুষ্ঠানতো তেওঁ নেতৃত্ব বহন কৰিছিল। অভিনেতা তথা সাংস্কৃতিক কৰ্মী হিচাপে জনপ্ৰিয়, কামপুৰৰ পৰমা লস্কৰৰ মৃত্যুৰ বাতৰি সদৰি হোৱাত আজি অসংখ্য লোকে তেওঁৰ বাসভৱনলৈ গৈ শেষশ্ৰদ্ধা জনায়। উল্লেখ্য যে পৰমা লস্কৰ 'দৈনিক অসম' কাকতৰ কাৰ্যবাহী সম্পাদক শংকৰ লস্কৰ আৰু দৈনিক বাতৰি কাকত কচুবাৰ সাংবাদিক জয়দীপ লস্কৰৰ খুড়াক।

জুবিন গাৰ্গৰ ন্যায় বিচাৰি আজিও শোকাকুল বৰক্ষেত্ৰীবাসী

# জুবিনবিহীন এমাহ পাৰ কৰিলে অসমবাসীয়ে

**অসম বাৰ্তা, বৰক্ষেত্ৰী, ২০ অক্টোবৰ ঃ** নলবাৰী জিলাৰ বৰক্ষেত্ৰীৰ জয়সাগৰত আজিও অব্যাহত আছে জুবিন গাৰ্গৰ সজীৱ স্মৃতি। জুবিনবিহীন আজি এমাহ ধৰি অঞ্চলবাসীয়ে শোক প্ৰকাশ কৰি আহিছে। অঞ্চলটোত প্ৰায় প্ৰতিদিনেই জুবিন গাৰ্গৰ স্মৃতিত চাকি বন্তি প্ৰজ্বলন কৰি প্ৰয়াত গণশিল্পীগৰাকীলৈ গভীৰ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে সমূহ গাওঁবাসীয়ে। উল্লেখ্য যে আজি জুবিন গাৰ্গৰ মৃত্যুৰ এমাহ পাৰ হোৱা উপলক্ষে সমূহ অঞ্চলবাসীয়ে বিশাল সমদল বাহিৰ কৰি জুবিন গাৰ্গৰ মৃত্যুৰ ন্যায় বিচাৰি দাবী উত্থাপন কৰে। উল্লেখ্য যে বৃহত্তৰ বৰক্ষেত্ৰীৰ জয়সাগৰকে ধৰি বিভিন্ন প্ৰান্তত আজিও অসমবাসীৰ প্ৰাণৰ শিল্পী জুবিন গাৰ্গৰ স্মৃতিত চাকি বন্তি জ্বলাই গভীৰ শোক প্ৰকাশ কৰি আহিছে। উল্লেখ্য যে সমূহ গাঁওবাসীয়ে মিলি জুবিন গাৰ্গৰ আত্মাৰ সদগতিৰ বাবে আয়তি নাম প্ৰসঙ্গৰে চৌপাশ মুখৰিত কৰি তুলিছে। আনহাতে, সন্ধিয়াৰ পৰা গোটেই নিশা শ্ৰদ্ধাঞ্জলি অনুষ্ঠানৰ আয়োজন কৰাৰ লগতে তামোলপুৰৰ পাঠক ৰামচৰণ কলিতা আৰু সাপকাটাৰ প্ৰণৱজ্যোতি মেধিৰ দ্বাৰা নাগাৰা নামৰো বিশাল আয়োজন কৰিছে জয়সাগৰ গাওঁবাসীয়ে। অন্যহাতে, জুবিন গাৰ্গৰ মৃত্যুৰ উচিত তদন্ত কৰি ন্যায় বিচাৰি অসম চৰকাৰলৈ দাবী উত্থাপন কৰাৰ লগতে অঞ্চলটোত এক আধ্যাত্মিক পৰিৱেশৰ সূচনা কৰিছে সমূহ অঞ্চলবাসীয়ে। আনহাতে, উক্ত অনুষ্ঠানটিত সন্ধিয়া উপস্থিত হয় গুৱাহাটী মহানগৰ উন্নয়ন প্ৰাধিকৰণৰ অধ্যক্ষ নাৰায়ণ ডেকা। নাগাৰা নাম উদ্বোধন কৰি ডেকাই ভাষণ প্ৰসংগত জুবিন গাৰ্গৰ মৃত্যু ৰহস্যজনক বুলি কৈ অভিযুক্ত ব্যক্তিসকলক কঠোৰ শাস্তি প্ৰদান কৰাৰ পোষকতা কৰে। জুবিন গাৰ্গক গৰীবৰ বন্ধু বুলি উল্লেখ কৰি সৰ্বহাৰাৰ হৈ কাম কৰা প্ৰয়াত শিল্পী জুবিন গাৰ্গৰ হেঁপাহক অকালতে মৰহি যাবলৈ নিদিবলৈ জুবিন অনুৰাগীসকললৈ আহবান জনায়। লগতে প্ৰয়াত শিল্পী জুবিন গাৰ্গলৈ গভীৰ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে নাৰায়ণ ডেকাই।

# পথালিপাহাৰ তিনিআলিত হিয়াৰ আমঠু জুবিন গাৰ্গৰ এমহীয়া ৰাজহুৱা আদ্যশ্ৰাদ্ধ



**অসম বাৰ্তা, বান্দৰদেৱা, ২০ অক্টোবৰ ঃ** লখিমপুৰ জিলাৰ অসম অৰুণাচল সীমান্তৱৰ্তী বৃহত্তৰ পথালিপাহাৰবাসী ৰাইজৰ উদ্যোগত পথালিপাহাৰ বাণিজ্যিক কেন্দ্ৰস্থলত আজি জাতি ধৰ্ম বৰ্ণ নিৰ্বিশেষে জুবিন গাৰ্গৰ এমহীয়া আদ্যশ্ৰাদ্ধ ভাগী আয়োজন কৰে। পুৱা ভাগতে প্ৰয়াত জুবিন গাৰ্গৰ প্ৰতিচ্ছৱিত বন্তি প্ৰজ্বলন কৰি সকলোৱে শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে আৰু জুবিন গাৰ্গৰ প্ৰতিমূৰ্তিৰ শিলান্যাসৰ কাৰ্যসূচী সম্পন্ন কৰে। তদুপৰি অনুষ্ঠান ভাগীৰ লগত সংগতি ৰাখি পৰৱৰ্তী সময়ত নাম প্ৰসংগ কৰাৰ লগতে প্ৰায় তিনি শতাধিক ভকত বৈষ্ণৱৰ উপস্থিতিত ৫২ গৰাকী শিশোৱে খোলবাদ্য প্ৰদৰ্শন কৰে। সন্ধিয়া ভাগলৈ পাঁচ শতাধিক পুৰুষ মহিলা শিশু একত্ৰিত হৈ একেলগে জুবিন গাৰ্গৰ কালজয়ী "মায়াবিনি" গীতটি পৰিৱেশন কৰাৰ উপৰিও কেইবাজনো শিল্পীয়ে জুবিন গাৰ্গৰ গীতেৰে সন্ধ্যা অনুষ্ঠানটো জীপাল কৰি তোলা পৰিলক্ষিত হয়। লগতে আদ্যশ্ৰাদ্ধ স্থলীৰ পৰা উদ্যোক্তা সকলে জুবিন গাৰ্গৰ ৰহস্যজনক মৃত্যুৰ ন্যায় বিচাৰি দোষীক কঠোৰ শাস্তি প্ৰদান কৰিবলৈ চৰকাৰক দাবী জনায়।

অনুৰাগীৰ শোকাৰ্ত কণ্ঠত বাজি উঠিল "মায়াবিনী ৰাতিৰ বুকুত"

# জাঁজী-আমগুৰিত জুবিন গাৰ্গৰ মাহেকীয়া শ্ৰদ্ধাঞ্জলি অনুষ্ঠান

**অসম বাৰ্তা, আমগুৰি, ২০ অক্টোবৰ ঃ** মায়াবিনী ৰাতিৰ বুকুত/ দেখা পালো তোমাৰ ছবি/ ধৰাদিলা গোপনে আহি/ হিয়াৰ কোণত- কেইবা হেজাৰ অনুৰাগীৰ শোৰ্কাত কণ্ঠই এনেহৰেই আজি আমগুৰিৰ আকাশ বতাহ মুখৰিত হৈ পৰে। গায়ন- বায়নৰ খোল তালৰ শব্দ, ধুপ-ধুনাৰ গোন্ধৰে আমগুৰি বাসীয়ে হিয়াৰ আমঠু লুইত পৰীয়া সংস্কৃতিৰ কহিনুৰ জুবিন গাৰ্গলৈ আজি জনালে শ্ৰদ্ধাঞ্জলী। আমগুৰি অঞ্চলৰ যাঠী টাৰো অধিক অনুষ্ঠান প্ৰতিষ্ঠানে একত্ৰিত হৈ আমগুৰি আউনী আটীয় হেমচন্দ্ৰ দেৱ উচচত্তৰ মাধ্যমিক বিদ্যালয়ৰ প্ৰাংগনত আজি অনুষ্ঠিত হয় শ্ৰদ্ধাঞ্জলি অনুষ্ঠান। আমগুৰি পৌৰসভাৰ উদ্যোগত স্থানীয় শিশু উদ্যানত বৰ্ষীয়ান সমাজকৰ্মী, ধৰ্মপ্ৰাণ ব্যক্তি ধৰ্ম বৰুৱাই পুৱা বৃক্ষৰোপণ কৰি দিনজোৰা মাংগলিক অনুষ্ঠান মুকলি কৰে। শতাধিক ছাত্ৰ-ছাত্ৰীয়ে বৰগীত পৰিৱেশন কৰাৰ পিছতেই শিল্পী জুবিন গাৰ্গৰ প্ৰতিচ্ছবিৰ সন্মুখত বন্তি প্ৰজ্বলনেৰে শ্ৰদ্ধাঞ্জলি অনুষ্ঠান অনুষ্ঠিত কৰে আমগুৰিৰ ৬০টা অনুষ্ঠানৰ হৈ সদস্যসকলে বন্তি প্ৰজ্বলন কৰে। জাতি-বৰ্ণ-ধৰ্ম-সম্প্ৰদায়ৰ সংকীৰ্ণতাৰ উৰ্ধত এখন মানুহৰ সমাজ গঢ়াৰ চেষ্টা কৰা অসমীয়াৰ জাতীয় স্বভিমান শিল্পী জুবিন গাৰ্গৰ প্ৰতি সন্মান জনাই বৃহত্তৰ অঞ্চলটোৰ দাঁতিকাষৰীয়া ৰাইজ সমবেত হৈ পৰিৱেশন কৰে গায়ন-বায়ন, দিহানাম আৰু সংগীতালেখ্য আদি। আনহাতে বৃহত্তৰ জাঁজীবাসীয়ে জাঁজী আঞ্চলিক ছাত্ৰ সন্থা আৰু জাঁজী বাসীৰ সহযোগত নন্দনবন ৰিজৰ্ট প্ৰাঙ্গনত শ্ৰদ্ধাঞ্জলি অনুষ্ঠান অনুষ্ঠিত কৰাৰ পিছতে সম্পূৰ্ণ আধ্যাত্মিকতাৰে ভকত-বৈষ্ণৱৰ দ্বাৰা নাম-কীৰ্তন, দিহানাম, গায়ন-বায়ন, সৰ্বধৰ্মীয় প্ৰাৰ্থনা অনুষ্ঠান পৰিবেশন কৰে। দিহা নামত কমলা গগৈ, শিল্পী বিপুল চেতিয়া ফুকন, ৰঞ্জিত গগৈয়ে অংশগ্ৰহণ কৰে। সন্ধিয়ালৈ ভাওনা প্ৰদৰ্শন কৰা হয়।

# লাহৰীঘাটত পুনৰ এটা কুখ্যাত চাইবাৰ অপৰাধী গ্ৰেপ্তাৰ

**অসম বাৰ্তা, ভূৰাগাঁও, ২০ অক্টোবৰ ঃ** মৰিগাঁও জিলাৰ লাহৰীঘাটত যোৱা নিশা পুনৰ এটা কুখ্যাত চাইবাৰ অপৰাধী গ্ৰেপ্তাৰ কৰিবলৈ সক্ষম হয় আৰক্ষী। বহু বছৰ ধৰি পলাতক অৱস্থাত থাকি অৱশেষত লাহৰীঘাটৰ বৰছলা আৰক্ষীৰ জালত পৰা এই কুখ্যাত চাইবাৰ অপৰাধী টে হৈছে নগাবন্ধা অঞ্চলৰ আজমল। কুখ্যাত চাইবাৰ অপৰাধী আজমলক লৈ আজি বৰছলা আৰক্ষী চকীৰ আৰক্ষীয়ে তেওঁৰ নগাবন্ধাৰ ঘৰত অভিযান চলায়। উল্লেখ্য যে যোৱা নিশা জুবিন গাৰ্গৰ সমাধি ক্ষেত্ৰৰ পৰা লগৰীয়াৰ সৈতে ঘৰলৈ আহি থকা অৱস্থাত নিশা ২ মান বজাত অঞ্চলটোৰ গৰৈমাৰীত আৰক্ষীয়ে কুখ্যাত চাইবাৰ অপৰাধী আজমল সহ ছজনক আটক কৰিবলৈ সক্ষম হৈছিল। সোধ পোছৰ অন্তত কুখ্যাত চাইবাৰ অপৰাধী আজমলক পূৰ্বৰ গোচৰ ভিত্তিত বৰছলা আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰে। উল্লেখ্য যে কুখ্যাত চাইবাৰ অপৰাধী আজমল আৰক্ষীৰ মূৰৰ কামোৰণি হৈ আছিল। এনে অৱস্থাত বৰছলা আৰক্ষী চকীৰ আৰক্ষী বিষয়া ৰুদ্ৰ সোণাৰ নেতৃত্বত এটি আৰক্ষীৰ দলে এক গোপন খবৰৰ ভিত্তিত আজমলক গ্ৰেপ্তাৰ কৰিবলৈ সক্ষম হয়।

# জাতীয়তাবাদী যুৱছাত্ৰ পৰিষদ মাজুলী জিলা সমিতিৰ শ্ৰদ্ধাঞ্জলি অনুষ্ঠান; জুবিন গাৰ্গৰ ন্যায় দাবী

**অসম বাৰ্তা, উজনী মাজুলী, ২০ অক্টোবৰ ঃ** প্ৰাণৰ শিল্পী জুবিন গাৰ্গৰ শ্ৰদ্ধাঞ্জলি উপলক্ষত আজি মাজুলী জিলা যুৱছাত্ৰ পৰিষদৰ উদ্যোগত কমলাবাৰীত শ্ৰদ্ধাঞ্জলি অনষ্ঠান সম্পন্ন কৰে। পুৱাৰে পৰা জুবিন গাৰ্গৰ গীত পৰিৱেশন কৰি সন্ধিয়া ৰাইজৰ উপস্থিতিত এলানি বক্তৃতানুষ্ঠান অনুষ্ঠিত কৰে। বক্তৃতানুষ্ঠানৰ পূৰ্বে ৫২ গছ বন্তি প্ৰজলন কৰি শ্ৰদ্ধা নিবেদন কৰে। ইয়াৰ উপৰি কেইবাগৰাকী স্থানীয় শিল্পীৰ দ্বাৰা জুবিনৰ বহুকেইটা গীত পৰিৱেশন কৰা হয়। জুবিন গাৰ্গৰ জীৱন শৈলী আৰু শিল্পী হিচাপে আগবঢ়োৱা অৱদানৰ ভিত্তিত সংগীত নাটক একাদেমী বটা প্ৰাপক শিল্পী শিক্ষাবিদ কৰুণা বৰাই বক্তব্য আগবঢ়ায়। যুৱ ছাত্ৰ পৰিষদৰ সভাপতি মুনিন্দ্ৰ ভূএগই আত ধৰা অনুষ্ঠানটিত মাজুলী জিলা সাহিত্য সভাৰ প্ৰতিষ্ঠাপক সভাপতি প্ৰভাত বৰা বুঢ়াভকত মাজুলী জিলা সাংবাদিক সন্থাৰ সম্পাদক ডিম্বেশ্বৰ দত্ত, প্ৰাক্তন সম্পাদক দীপু বৰা, মাজুলী জিলা সাহিত্য সভাৰে সম্পাদক সঞ্জীৱ বৰা, জ্যেষ্ঠ নাগৰিক সমাজকৰ্মী উমাকান্ত ৰাজখোৱা মাজুলী জিলা মইনা পাৰিজাতৰ উপদেষ্টা লোহিত বৰা প্ৰমুখ্যে বহুসংখ্যক গণ্যমান্য ব্যক্তি উপস্থিত থাকে। অনুষ্ঠানটিত সুদূৰ দুলীয়াজানৰ পৰা উপস্থিত হোৱা শিল্পী সমাদ্ৰীতা গোস্বামী স্থানীয় শিল্পী দিব্যজ্যোতি বৰা হেঙুল আকাশ বৰুৱা যদুমনি ভূএগ প্ৰমুখ্যে কেইবাগৰাকী শিল্পীয়ে গীত পৰিৱেশন কৰি অনুষ্ঠানটিত মাত্ৰা প্ৰদান কৰে। অনুষ্ঠানটিত হিয়াৰ আমঠু স্বৰূপ শিল্পী গৰাকয়ে ন্যায় দাবী জনাই পৰিষদৰ সদস্য সকলে পথৰ ওপৰতে বেনাৰ লৈ এক প্ৰতিবাদী কাৰ্যসূচী ৰূপায়ণ কৰে।

"বিজ্ঞান মনস্কতা গঢ়াত শিল্পকলা" শীৰ্ষক মনোজ্ঞ বক্তৃতানুষ্ঠান

# ডিব্ৰুগড়ত ইলোৰা বিজ্ঞান মঞ্চ শাখাৰ তৃতীয় সন্মিলন সম্পন্ন

**ষ্টাফ ৰিপৰ্টাৰ, ডিব্ৰুগড়, ২০ অক্টোবৰ ঃ** ইলোৰা বিজ্ঞান মঞ্চৰ ডিব্ৰুগড় শাখাৰ ৩য় সন্মিলনখনি ডিব্ৰুগড় চহৰৰ মিলন জ্যোতি সংঘৰ সভাকক্ষত সম্পন্ন হৈ যায়। মঞ্চৰ সভাপতি ড° গায়ত্ৰী দেৱী গোস্বামীৰ সভাপতিত্বত অনুষ্ঠিত বাৰ্ষিক অমিয় হাজৰিকা, ইলোৰা বিজ্ঞান মঞ্চৰ ডিব্ৰুগড় শাখাৰ এই সভাত মিলনজ্যোতি সংঘৰ সভাপতি অমিয় হাজৰিকা, বিশিষ্ট হৃদৰোগ চিকিৎসক ডাঃ হেমচন্দ্ৰ কলিতা, ড° পৰমানন্দ মহন্ত, দেৱকৃষ্ণ বৰুৱা, ড° মৃদুল শৰ্মা, মুনিন শৰ্মা, ড° জয়দেৱ গগৈ, ড° অঞ্জু বৰা, ড° চণ্ডীশেঠ শৈলেন গোহাঁই ড° কৌশিক দাস, ড° লোহিত শইকীয়াৰ লগতে প্ৰায় অৰ্ধ- শতাধিক বিজ্ঞান মনস্ক ব্যক্তি উপস্থিত আছিল। সভাৰ আৰম্ভণিতে হিয়াৰ আমঠু জুবিন গাৰ্গলৈ শ্ৰদ্ধাঞ্জলি জনোৱা হয়। তাৰ পাছত মঞ্চৰ সদস্য সুবীৰ চৌধুৰীয়ে মঞ্চৰ থিমচং- "আহা সমাজ গঢ়ো" শীৰ্ষক গীত পৰিবেশনেৰে অনুষ্ঠানটো গহীন-গম্ভীৰ কৰি তোলে। ইয়াৰ পাছতে চিত্ৰকলা তথা ভাস্কৰ্য্য শিল্পী দেৱ কৃষ্ণ বৰুৱাই "বিজ্ঞান মনস্কতা গঢ়াত শিল্পকলা, ইয়াৰ ব্যৱহাৰিক দিশ আৰু ৰুচিবোধৰ বিৱৰ্তন"- শীৰ্ষক বিষয় বস্তুৰ ওপৰত মনোজ্ঞ বক্তৃতা প্ৰদান কৰে। কাৰ্যকৰী সভাপতি, জগন্নাথ ফুকন, উপ-সভাপতি, ড° অঞ্জু বৰা, ড° কল্পনা ডেকা কলিতা, ড° লোহিত শইকীয়া, কোযেশ্বৰ গগৈ ড° জয়দেৱ গগৈ, যুটীয়া সম্পাদক, শৈলেন গোহাঁই, সুবিৰ চৌধুৰী, জীৱন জ্যোতি দুৱৰা, শৈলেন গোহাঁই, নকুল খাউণ্ড, ড° মৃদুল শৰ্মা, কোষাধ্যক্ষ সুৰেশ ভট্টাচাৰ্য, সভ্য লক্ষ্যধৰ কলিতা, অজন্তা গগৈ, স্মৃতি ৰেখা দেৱী, মঞ্জিমা গগৈ দাস, উপদেষ্টা ড° সন্ধ্যা দেৱী, প্ৰসেনজিৎ চৌধুৰী, চণ্ডী শেঠ, ড° কৌশিক দাস প্ৰমুখ্যে সন্মানীয় ব্যক্তিসকলে সভাত অংশ গ্ৰহণ কৰে। অনুষ্ঠানটিত সু-গায়িকা স্মৃতিৰেখা দেৱীয়ে জুবিন গাৰ্গৰ এটি গীত পৰিবেশনেৰে শিল্পীগৰাকীলৈ শ্ৰদ্ধা যাচে। সন্মিলনত আগন্তুক কাৰ্যকালৰ বাবে ড° গায়েত্ৰী গোস্বামীক সভানেত্ৰী আৰু প্ৰণৱ শইকীয়াক সম্পাদক হিচাপে লৈ মঞ্চৰ এখন কাৰ্যনিৰ্বাহক সমিতি গঠন কৰা হয়।

# জুবিন গাৰ্গৰ ন্যায়ৰ দাবীত ডবকাত অনশন কাৰ্যসূচী

**অসম বাৰ্তা, মোৰাঝাৰ, ২০ অক্টোবৰ ঃ** আজি পুৱাৰ ভাগৰে পৰা সন্ধিয়ালৈকে সমগ্ৰ ৰাজ্যজুৰি অসম জাতীয়তাবাদী যুৱ ছাত্ৰ পৰিষদে অসমৰ হিয়াৰ আমঠু কণ্ঠশিল্পী জুবিন গাৰ্গৰ মৃত্যুৰ ন্যায়ৰ দাবীত অনশন কাৰ্যসূচী ৰূপায়ণ কৰিছে। তাৰে সমান্তৰালকৈ এ জে ওৱাই চি পি হোজাই জিলা সমিতিৰ সভাপতি জাইদুল লস্কৰ আৰু সাধাৰণ সম্পাদক পাৰভেজ লস্কৰৰ নেতৃত্বত প্ৰায় অৰ্ধশতাধিক এ জে ওৱাই চি পি কৰ্মীয়ে ডবকাৰ কানাড়া বেংকৰ সন্মুখত দিনযোৰা কাৰ্যসূচীৰে প্ৰতিবাদ সাব্যস্ত কৰে। উল্লেখ্য যে জুবিন গাৰ্গৰ মৃত্যুৰ আজি এমাহ সময় ওকলি যোৱাৰ পিছতো অসম চৰকাৰে ন্যায় প্ৰদান নকৰাৰ বাবে এই অনশনৰ জৰিয়তে অসম চৰকাৰক কঠোৰভাৱে সমালোচনা কৰে জাইদুল লস্কৰ আৰু পাৰভেজ লস্কৰে। অনশন কাৰ্যসূচীৰ অন্তত সংবাদ মাধ্যমৰ জৰিয়তে অসমৰ হিয়াৰ আমঠু জুবিন গাৰ্গৰ মৃত্যুৰ ন্যায় প্ৰদান কৰিবলৈ অসম চৰকাৰক দাবী জনায়। অসম চৰকাৰে শীঘ্ৰেই জুবিন গাৰ্গৰ মৃত্যুৰ ন্যায় দিব নোৱাৰিলে অনাগত দিনত আৰু ভয়াৱহভাৱে আন্দোলনৰ কাৰ্যসূচী ৰূপায়ণ কৰিবলৈ বাধ্য হ'ব বুলি অসম চৰকাৰক হুংকাৰ প্ৰদান কৰে এ জে ৱাই চি পি হোজাই জিলা সমিতিয়ে।

বিভাগীয় আঁচনিৰ ওপৰত সজাগতা সভা

# দুধনৈত গোৱালপাৰা জিলা কৃষি বিভাগৰ "কাতি বিহু" পালন

**ষ্টাফ ৰিপৰ্টাৰ, দুধনৈ, ২০ অক্টোবৰ ঃ** অসম চৰকাৰৰ জিলা কৃষি বিভাগ গোৱালপাৰাৰ উদ্যোগত ১৮ অ'ৈবৰ শণিবাৰে দুধনৈ নিকটৱৰ্তী চিলুক চৰকপাৰা ৰাজহুৱা খেলপথাৰত "কাতিবিহু" পালন আৰু বিভাগীয় আঁচনিৰ ওপৰত সজাগতা সভা অনুষ্ঠিত হয়। সভাত "কাতি বিহু" উদ্‌যাপন সম্পৰ্কত বৈজ্ঞানিক কাৰণ সমূহ বিশদ ভাবে ব্যাখ্যা কৰাৰ উপৰিও কৃষি বিভাগীয় আঁচনিৰ জৰিয়তে কিদৰে কৃষক ৰাইজ উপকৃত হব সেই বিষয়েও আলোচনা কৰা হয়। অত্যাধুনিক কৃষি পদ্ধতি তথা জৈৱিক খেতি, প্ৰাকৃতিক খেতি, পৰম্পৰাগত কৃষিৰ জৰিয়তে কেনেদৰে আত্মনিৰ্ভৰশীল ভাৰত গঠন কৰিব পাৰি সেই বিষয়ে আলোচনা কৰা হয়। সভাত প্ৰগতিশীল খেতিয়কক সম্বৰ্ধনা জনোৱাৰ লগতে মাহজাতীয় শষ্যৰ একোটাকৈ উপহাৰৰ টোপোলা প্ৰদান কৰা হয়। এই সজাগতা সভাতে বিয়লিৰ ভাগত প্ৰাক্তন বিধায়ক দীপক ৰাভাৰ লগতে কৃষি বিভাগৰ বিষয়া সকলে কৃষক সকলৰ সহযোগিতাত আধ্যাত্মিক পৰম্পৰাগত নীতি নিয়মৰ মাজেৰে পৱিত্ৰ তুলসীৰ তলত বন্তি প্ৰজ্জ্বলন আৰু শৰাই নিবেদন কৰাৰ লগতে ধাননি পথাৰত বন্তি প্ৰজ্জ্বলন আৰু আকাশবন্তি প্ৰজ্জ্বলন কৰা হয়। দুধনৈ উন্নয়ন খণ্ডৰ কৃষি প্ৰযুক্তি প্ৰবন্ধক হোমেন ব্ৰহ্মই আঁত ধৰা অনুষ্ঠানত দুধনৈ সমষ্টিৰ প্ৰাক্তন বিধায়ক দীপক ৰাভা, মহকুমা কৃষি বিষয়া বগাৰাম বড়ো, আব্দুছ চেলিম আহমেদ, সহকাৰী উদ্যান বিশেষজ্ঞ বন্দনা পাটগিৰি, পুৰণিভিটা গাঁও পঞ্চায়তৰ সভাপতি যোগেশ ৰাভা, চিলুক চড়কপাৰা গাঁৱৰ গাঁওবুঢ়া দ্বীজেন ৰাভা আৰু কেবাগৰাকী কৃষি বিভাগৰ বিষয়া তথা কৃষক সকল উপস্থিত থাকে।

পি এম এ ওৱাই'ৰ ঘৰ পাই আনন্দিত আইতা

# গোৱালপাৰাৰ অসহায় মহিলালৈ মুখ্যমন্ত্ৰীৰ সহায়ৰ হাত, ঘৰ নিৰ্মাণৰ শুভাৰম্ভণি কৰিলে জিলা আয়ুক্তয়ে

**অসম বাৰ্তা, গোৱালপাৰা, ২০ অক্টোবৰ ঃ** গোৱালপাৰা চহৰৰ লাচিত নগৰৰ সমীপত থকা চাৰতি হাজং নামৰ বয়স্ক মহিলাগৰাকীয়ে কিছুদিন পূৰ্বে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা গোৱালপাৰালৈ আহোঁতে সাক্ষাৎ কৰি এটি চৰকাৰী ঘৰ দিয়াৰ বাবে অনুৰোধ কৰিছিল। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মায়ে আইতাগৰাকীৰ লগত কথা পাতি বুজিব পাৰিছিল যে - ভূমিৰ অলপ সমস্যাৰ বাবে তেওঁ প্ৰধানমন্ত্ৰী আৱাস যোজনাৰ ঘৰ লাভ কৰা নাই। তেতিয়াই মুখ্যমন্ত্ৰীয়ে গোৱালপাৰা জিলা প্ৰশাসনৰ দ্বাৰা ভূমিৰ সমস্যা সমাধান কৰি এটি ঘৰ দিয়াৰ ব্যৱস্থা কৰি দিব বুলি আইতাগৰাকীক আশ্বাস দিছিল। সেই অনুসাৰে গোৱালপাৰা জিলা প্ৰশাসনে তেওঁৰ ভূমিৰ সমস্যাখিনি আঁতৰ কৰি প্ৰধান মন্ত্ৰী আৱাস যোজনাৰ ঘৰ এটি লাভ কৰাৰ ব্যৱস্থা কৰি দিয়ে। আজি গোৱালপাৰাৰ জিলা আয়ুক্ত প্ৰদীপ টিমুংয়ে উক্ত আইতাগৰাকীৰ নামত মঞ্জুৰ হোৱা ঘৰটোৰ নিৰ্মাণ কাৰ্যৰ শুভাৰম্ভ কৰে। জিলা আয়ুক্তৰ লগত সেই সময়ত গোৱালপাৰা পশ্চিম সমজিলাৰ সমজিলা আয়ুক্ত নৱজিৎ পাঠক আৰু গোৱালপাৰা পৌৰসভাৰ পৌৰপতি মহানন্দ পাঠক উপস্থিত থাকে। মুখ্যমন্ত্ৰীৰ সহায়ত বিনামূলীয়াকৈ ঘৰ লাভ কৰি আইতাগৰাকীয়ে যথেষ্ট আনন্দিত হৈছে আৰু সন্তোষ প্ৰকাশ কৰি মুখ্যমন্ত্ৰীৰ প্ৰশংসা কৰে।

# গোলাঘাট বিজেপি কাৰ্যালয়ত জুবিন গাৰ্গৰ আদ্যশ্ৰাদ্ধ-শ্ৰদ্ধাঞ্জলি অনুষ্ঠান

**ষ্টাফ ৰিপৰ্টাৰ, গোলাঘাট, ২০ অক্টোবৰ ঃ** আজি প্ৰাণৰ শিল্পী জুবিন গাৰ্গবিহীন এটা মাহ সম্পূৰ্ণ হ'ল। প্ৰাণৰ শিল্পীগৰাকী মৃত্যুৰ এটা মাহ সম্পূৰ্ণ হোৱাৰ দিনটোত গোলাঘাটৰ জিলা বিজেপিৰ কাৰ্যালয়ত আয়োজন কৰে আদ্যশ্ৰাদ্ধ আৰু শ্ৰদ্ধাঞ্জলি অনুষ্ঠানত। বিজেপি গোলাঘাট জিলা কাৰ্যালয়ৰ সন্মুখত প্ৰাণৰ শিল্পীগৰাকীৰ প্ৰিয় এটা নাহৰ পুলি ৰোপণ কৰাৰ লগতে নাম-প্ৰসংগ আৰু 'মায়াবিনী' শীৰ্ষক গীত পৰিবেশন কৰি শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে বিজেপি কৰ্মীসকলে। শিল্পীগৰাকীৰ আদৰ্শক যাতে সদায় সজীৱ কৰি ৰাখিব পাৰি তাৰ বাবে সকলোৱে চেষ্টা কৰিব লাগিব আৰু ন্যায়ালয়ৰ জৰিয়তে জুবিন গাৰ্গে ন্যায় পাব বুলি উল্লেখ জিলা বিজেপিৰ সভাপতি চন্দ্ৰজ্যোতি ঠাকুৰে। আজিৰ শ্ৰদ্ধাঞ্জলি অনুষ্ঠানত জিলা বিজেপিৰ প্ৰাক্তন সভাপতি অশোক বৰঠাকুৰ, অসম লোকসেৱা আয়োগৰ প্ৰাক্তন অধ্যক্ষ অমিয় কুমাৰ বৰা, জিলা উপ সভাপতি হৰি প্ৰসাদ দত্ত, সিমান্ম বৰা, ৰাজশ্ৰী বৰা, মহিলা মৰ্চাৰ নৱ নিযুক্ত সভানেত্ৰী লিপিকা বৰা আদিকে ধৰি দলৰ নেতা কৰ্মী সকল উপস্থিত থাকে।

# মন্ত্ৰী ৰণোজ পেগুৰ দ্বাৰা শিৱসাগৰত চিক'ল কোষ ৰোগৰ পৰীক্ষণ শিবিৰ মুকলি

**অসম বাৰ্তা, ডিমৌ, ২০ অক্টোবৰ ঃ** অসম চৰকাৰৰ শিক্ষা আৰু জনজাতি পৰিক্ৰমা (ভৈয়াম) বিভাগৰ মন্ত্ৰী তথা শিৱসাগৰ জিলাৰ অভিভাৱক মন্ত্ৰী ডাঃ ৰণোজ পেগুৱে আজি শিৱসাগৰ জিলাৰ ডিমৌৰ আঠাবাৰী চাহ বাগিচাত এখন চিক'ল কোষ ৰোগৰ পৰীক্ষণ শিবিৰ মুকলি কৰে। শিৱসাগৰ জিলা স্বাস্থ্য সমিতিৰ উদ্যোগত আৰু জিলা প্ৰশাসনৰ সহযোগত আয়োজিত এই অনুষ্ঠানত মন্ত্ৰী গৰাকীয়ে পোনপ্ৰথমে শ্ৰদ্ধাঞ্জলি জনায় অসমীয়াৰ হিয়াৰ আমঠু প্ৰয়াত শিল্পী জুবিন গাৰ্গক। চিক'ল কোষ ৰোগৰ পৰীক্ষণ শিবিৰটো মুকলি কৰি দিয়া ভাষণত মন্ত্ৰী গৰাকীয়ে যিকোনো ৰোগ প্ৰতিৰোধৰ বাবে সজাগ সচেতন হ'বলৈ ৰাইজক আহ্বান জনায়। চিক'ল কোষ ৰোগৰ ভয়াৱহতাৰ বিষয়ে উল্লেখ কৰি ডাঃ ৰণোজ পেগুৱে এই ৰোগ বংশানুক্ৰমিক আৰু সংক্ৰমক বুলি কয়। চিক'ল কোষৰ ৫৪ জনকৈ পজিটিভ ৰোগী শিৱসাগৰ জিলাত চিনাক্ত হোৱা বুলিও উল্লেখ কৰে মন্ত্ৰী গৰাকীয়ে। আজিৰ অনুষ্ঠানত মন্ত্ৰী গৰাকীৰ সৈতে উপস্থিত থাকে জিলা আয়ুক্ত আয়ুষ গৰ্গ, ডিমৌৰ সম-জিলা আয়ুক্ত মীনাক্ষী পেৰ্মে, সহকাৰী আয়ুক্তদ্বয় পৰিস্মিতা দিহিঙ্গীয়া আৰু বিদিশা শইকীয়া, যুটীয়া স্বাস্থ্যসেৱা সঞ্চালক ডাঃ মাখন চন্দ্ৰ কলিতা, মহকুমা স্বাস্থ্য বিষয়া ডাঃ বিজিত বৰা প্ৰমুখ্যে গৰিষ্ঠ সংখ্যক স্থানীয় ৰাইজ।

# কঠীয়াতলিত জুবিন গাৰ্গৰ প্ৰতিমূৰ্তি চাবলৈ অগণন লোকৰ সমাগম

**অসম বাৰ্তা, কামপুৰ, ২০ অক্টোবৰ ঃ** যজ্ঞ কনষ্ট্ৰাকচনে নিৰ্মাণ কৰা অমৰ শিল্পী জুবিন গাৰ্গৰ প্ৰতিমূৰ্তি নগাঁৱৰ পৰা কাকীলৈ লৈ যোৱা পথত নগাঁৱৰ কঠীয়াতলিত শিল্পীগৰাকীৰ প্ৰতিমূৰ্তি চাবলৈ অগনণ লোকৰ সমাগম হয়। মহান শিল্পী গৰাকীৰ প্ৰতিমূৰ্ত্তি কঠীয়াতলি আহি পোৱাৰ সময়ত হাজাৰ হাজাৰ জুৱিন অনুৰাগীৰ ৩৬ নং ৰাষ্ট্ৰীয় ঘাইপথত সমবেত হয়! আৰক্ষীয়ে নিয়ন্ত্ৰণ কৰিব নোৱাৰা পৰিস্থিতিৰ উদ্ভৱ হয়। নৰৈৰ পৰা কঠীয়াতলি পাওতে ১০ কিলোমিটাৰ পথ পাৰ হওঁতে প্ৰায় ১০ ঘণ্টা সময়ৰ প্ৰয়োজন হৈছিল। জুবিন অনুৰাগীৰ ভীৰত ৰাষ্ট্ৰীয় ঘাইপথ প্ৰায় বন্ধ হৈ পৰাৰ লগতে সকলো যান-বাহন চলাচল বন্ধ হৈ পৰাত যান জটৰ সমস্যাৰ সৃষ্টি হয়।

# কমলপুৰত জনতাৰ শিল্পী গৰাকীলৈ এমহীয়া মৃত্যু তিথিত শ্ৰদ্ধাঞ্জলি

**অসম বাৰ্তা, কমলপুৰ, ২০ অক্টোবৰ ঃ** অসমীয়াৰ প্ৰাণ, হিয়াৰ আমঠু জুবিন গাৰ্গৰ এমহীয়া মৃত্যু তিথিত অসমবাসীয়ে আজি শ্ৰদ্ধাৰে সোঁৱৰিছে মহান শিল্পী গৰাকীক। ৰাতিপুৱাৰ পৰাই ঠায়ে ঠায়ে অনুষ্ঠিত কৰিলে নাম প্ৰসঙ্গ আৰু শ্ৰদ্ধাঞ্জলি অনুষ্ঠান। ৰাজ্যিক বিজেপিৰ নিৰ্দেশটো সমষ্টিয়ে সমষ্টিয়ে অনুষ্ঠিত কৰা হৈছে মৰমৰ শিল্পী গৰাকীৰ শ্ৰদ্ধাঞ্জলি অনুষ্ঠান। কমলপুৰ সমষ্টিৰ কমলপুৰ, বিহদিয়া আৰু বেজেৰা মণ্ডল বিজেপিৰ উদ্যোগত অনুষ্ঠিত হয় জুবিন গাৰ্গৰ এমহীয়া মৃত্যু তিথি। এই তিনিওটা অনুষ্ঠানত কমলপুৰ সমষ্টিৰ বিধায়ক দিগন্ত কলিতা উপস্থিত হৈ প্ৰাণৰ শিল্পী গৰাকীক গভীৰ শ্ৰদ্ধা জ্ঞাপন কৰে। এই অনুষ্ঠানত কেইবা শতাধিক জুবিন অনুৰাগীৰ উপস্থিতিত সমষ্টিত জুবিন গাৰ্গৰ স্মৃতিত এখনি সংগীত বিদ্যালয় আৰু প্ৰতিমূৰ্তি স্থাপনৰ কথা ঘোষণা কৰিলে বিধায়ক দিগন্ত কলিতাই।

# বটদ্ৰৱা পুৰণা বাছ আস্থানত জুবিন গাৰ্গৰ সৰ্বধৰ্মীয় এমহীয়া আদ্যশ্ৰাদ্ধ-শ্ৰদ্ধাঞ্জলি অনুষ্ঠান




**অসম বাৰ্তা, বটদ্ৰৱা, ২০ অক্টোবৰ ঃ** অসমীয়া হিয়াৰ আমঠু অতি মৰমৰ গণশিল্পী জুবিন গাৰ্গবিহীন আজি ৩০ দিন আৰু এমহীয়া! জনতাৰ শিল্পী, জাতিৰ মহানায়ক জুবিন গাৰ্গৰ অনুপস্থিতিত শোকস্তব্দ সমগ্ৰ ৰাজ্য। ৰাজ্যৰ অনান্য প্ৰান্তৰৰ দৰে বটদ্ৰৱাৰ পুৰণা বাচআস্থানত বৃহত্তৰ বটদ্ৰৱা জুবিন অনুৰাগী মঞ্চৰ সৌজন্যত সৰ্বধৰ্মীয় আদ্যশ্ৰাদ্ধ আৰু শ্ৰদ্বাঞ্জলী অনুষ্ঠান দিনযোৰা কাৰ্যসূচীৰে স্মৰণ কৰা হৈছে প্ৰাণৰ শিল্পীগৰাকীক। বটদ্ৰৱাৰ পুৰণা বাছআস্থানত সমাজসেৱক তথা থান পৰিচালনা সমিতিৰ প্ৰাক্তন সম্পাদক ইন্দ্ৰমোহন বৰুৱাই পুৱা বন্তি প্ৰজ্বলনৰে অনুষ্ঠানৰ শুভাৰম্ভ কৰে শিল্পী গৰাকীৰ ফটোত মাল্যপন কৰাৰ লগতে বিভিন্ন জনে ফুলৰে শ্ৰদ্বাঞ্জলী জ্ঞাপন কৰে। পিছত শিল্পী গৰাকীৰ সপোনৰ অতি মৰমৰ নাহৰৰ গজ পুলি ৰোপণ কৰে বটদ্ৰৱা থানাৰ ভাৰপ্ৰাপ্ত বিষয়া গৌৰৱ জ্যোতি মহন্তই। লগে লগে সকলোৱে মিলি জুবিন গাৰ্গৰ মৰমৰ মায়াবিনীৰ গীত পৰিৱেশন কৰি আলোকিত কৰি তোলে। অনুষ্ঠানত বিভিন্ন জাতি, বৰ্ণ, ভাষাৰ নিৰ্বিশেষে সকলো ৰাইজে স্বতস্ফুট ভাৱে উলাই আহি প্ৰানৰ শিল্পী গৰাকীক শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰাৰ লগতে ন্যায় প্ৰাপ্তিৰ বাবে জয় জুবিন গাৰ্গ ধ্বনিৰে প্ৰাৰ্থনা জনাই। দুপৰীয়া স্থানীয় ৰাইজৰৰ দ্বাৰা গীতা পাঠ কাৰাৰ লগতে ইছলাম ধৰ্মৰ লোক সকলে আহি একে মঞ্চতেই কোৰান পাঠ আৰু সমূহীয়া দোৱা প্ৰাৰ্থনা কৰি জুবিনৰ আত্মাৰ চিৰ শান্তি কামনা কৰে। বিয়লিলৈ নিমন্ত্ৰিত অথিৰ দ্বাৰা নাগৰা নামৰ আয়োজন কৰে।

# শিৱসাগৰত মন্ত্ৰী ৰণোজ পেগুৰ দ্বাৰা চিন্থেটিক টেনিছ কৰ্টৰ উদ্বোধন



**ষ্টাফ ৰিপৰ্টাৰ, শিৱসাগৰ, ২০ অক্টোবৰ ঃ** অসম চৰকাৰৰ শিক্ষা আৰু জনজাতি পৰিক্ৰমা (ভৈয়াম) বিভাগৰ মন্ত্ৰী তথা শিৱসাগৰ জিলাৰ অভিভাৱক মন্ত্ৰী ডাঃ ৰণোজ পেগুৱে আজি শিৱসাগৰ নগৰৰ শিৱসাগৰ টেনিছ ক্লাবৰ অন্তৰ্গত এখনি চিন্থেটিক টেনিছ কৰ্টৰ শুভ উদ্বোধন কৰে। উদ্বোধনী অনুষ্ঠানত প্ৰদান কৰা বক্তব্যত মন্ত্ৰী গৰাকীয়ে ১৯০১ চনতে প্ৰতিষ্ঠা লাভ কৰা শিৱসাগৰ টেনিছ ক্লাবৰ গৌৰৱোজ্জল ইতিহাসৰ বিষয়ে সুঁৱৰে। তেওঁ প্ৰতি গৰাকী শিশু আৰু কিশোৰৰ সৰ্বাংগীণ বিকাশৰ বাবে ক্ৰীড়াৰ প্ৰয়োজনীয়তাৰ বিষয়ে উল্লেখ কৰি নৱ-সংযোজিত চিন্থেটিক টেনিছ কৰ্টে খেলুৱৈ সকলৰ শ্ৰীবৃদ্ধিত সহায়ক হ'ব বুলি আশা প্ৰকাশ কৰে। অনুষ্ঠানত ৰাষ্ট্ৰীয় পৰ্যায়ত সুখ্যাতি অৰ্জন কৰা জিলাখনৰ ভালেকেইগৰাকী টেনিছ খেলুৱৈক সম্বৰ্ধনা জনোৱা হয়। ডাঃ তাপস দাসে আঁত ধৰা আজিৰ অনুষ্ঠানত মন্ত্ৰী গৰাকীৰ সৈতে উপস্থিত থাকে জিলা আয়ুক্ত আয়ুষ গৰ্গ, প্ৰাক্তন বিধায়ক কুশল দুৱৰী, জিলা উন্নয়ন আয়ুক্ত সমীৰণ বৰা, সহকাৰী আয়ুক্ত গণেশ চন্দ্ৰ বড়ো, জিলা ক্ৰীড়া বিষয়া সঞ্জয় উপাধ্যায়, বি চি পি এলৰ মুখ্য প্ৰবন্ধক নুৰ আহমেদ, শিৱসাগৰ টেনিছ ক্লাবৰ সম্পাদক জাহিদ হুছেইন প্ৰমুখ্যে গৰিষ্ঠ সংখ্যক স্থানীয় ৰাইজ।

# মাজুলীৰ গেৰেকী পোহাৰদিয়াত "শৰতৰ বৃন্দাবন, মাজুলীলৈ স্বাগতম" কাৰ্যসূচীৰ আয়োজন

**অসম বাৰ্তা, উজনী মাজুলী, ২০ অক্টোবৰ ঃ** আগন্তুক ৰাসোৎসৱ উপলক্ষে অহা ১ নৱেম্বৰত মাজুলীৰ গেৰেকী পোহাৰদিয়া গাঁৱত ড০ ৰাজেন বৰা আৰু স্থানীয় ৰাইজৰ উদ্যোগত ''শৰতৰ বৃন্দাবন - মাজুলীলৈ স্বাগতম'' শীৰ্ষক অনুষ্ঠানটি পালন কৰিব। সেইদিনা মায়ামময় পৰিৱেশত পালন কৰিব লগা উক্ত, অনুষ্ঠানটোৰ মূল উদ্দেশ্যসমূহ হ'ল - গছ-গছনি বৃদ্ধি কৰি সমগ্ৰ মাজুলীক সেউজীয়া বৃন্দাবন হিচাপে গঢ়ি তোলা, মানুহৰ মাজত পৰিৱেশ সজাগতা সৃষ্টি কৰা, ৰাইজৰ মনত আধ্যাত্মিকতা সঞ্চাৰ কৰা, সমগ্ৰ মাজুলীত স্বচ্ছতা বজাই ৰখা আৰু ৰাসোৎসৱত মাজুলীলৈ অহা অতিথিক আধ্যাত্মিক পৰিৱেশত আদৰণী জনোৱা উদ্দেশ্য উক্ত ব্যতিক্ৰমী কাৰ্যসূচী পালন কৰা হ'ব বুলি ড° ৰাজেন বৰাই জানিবলৈ দিছে।

